● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আমি এই কথা কেতিয়াও জানিব নোৱাৰো যে আমি কি বিচাৰো, কিয়নো এটা মাত্ৰ জীৱন জীয়াই আমি পূৰ্বৰ জীৱনৰ স'তে তুলনা কৰিব নোৱাৰো আৰু আহিবলগীয়া জীৱনতো ইয়াক ভাল কৰিব নোৱাৰো।

মিলান কুন্দেৰা
*চেক ঔপন্যাসিক*



www.dainikagradoot.in

৭ জুনত আগমন ঘটিব ক'ভিডৰ চতুৰ্থ ঢৌৰ
১৫ ক্ৰীড়া বিশ্বই এঘৰীয়া কৰিলে ৰাছিয়াক
৪ সংকটাপন্ন আমাৰ মাতৃভাষা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৪১তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৫ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৮ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 28 February 2022 মূল্য ঃ ৯.০০ টকা

## শংকৰদেৱৰ সংঘৰ অধিবেশনৰ সামৰণি ■ লক্ষাধিক ভকতৰ উপস্থিতিত বাৰেৰহণীয়া শোভাযাত্ৰা ■ বৈজ্ঞানিক দৃষ্টিভংগীৰে সুসমৃদ্ধ সমাজ নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল গুৰুজনাই ঃ পদাধিকাৰ

# সাম্যবাদৰ কথা শিকাই গৈছে শংকৰদেৱে



*শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিবেশনত ধৰ্মধ্বজা উত্তোলন, নাহৰকটীয়াত দেওবাৰে।*

■ মহাপুৰুষজনাৰ পদধূলা পৰা প্ৰতিটো স্থানতে নিৰ্মাণ হ'ব বৃহৎ নামঘৰ ঃ মুখ্যমন্ত্ৰী শৰ্মা

অগ্ৰদূত বাৰ্তা
নাহৰকটীয়া/নামৰূপ/টিংখাং, ২৭ ফেব্ৰুৱাৰী ঃ 'গুৰুজনা শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতি নিৰ্মাণৰ লগতে একত্ৰ ভাৰত নিৰ্মাণৰ বাবেও অহোপুৰুষাৰ্থ কৰিছিল। গুৰুজনা অসমীয়া জাতিৰ পিতৃপুৰুষ আৰু শ্ৰেষ্ঠ হোৱাৰ উপৰি সৰ্বশ্ৰেষ্ঠ ভাৰতীয়। গান্ধীজী আৰু কাৰ্লমাৰ্ক্সৰ বহু আগতেই শংকৰদেৱে অহিংস



নীতি আৰু সাম্যবাদৰ কথা উল্লেখ কৰি থৈ গৈছে।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক বাৰ্ষিক অধিবেশনৰ মুকলি সভাত মুখ্য অতিথিৰূপে ভাষণ দি মুখ্যমন্ত্ৰীয়ে পোনপ্ৰথমে অসমীয়া জাতি গঠনত গুৰুজনাৰ অৱদানৰ কথা উল্লেখ কৰি কয়, 'শংকৰদেৱে ধৰ্ম প্ৰচাৰ কৰা সময়ছোৱাত *আঠ পৃষ্ঠাত চাওক*

## নগ্ন আক্ৰমণ দেখিও নিষ্ক্ৰিয় শক্তিধৰ দেশ

■ প্ৰাঞ্জলসেন ডেকা

**ইউক্ৰেইনৰ** বিৰুদ্ধে ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ যুদ্ধকালীন কুচকাৱাজক বহুতেই চাপ সৃষ্টিৰ কৌশল বুলিয়েই গণ্য কৰিছিল। বিভিন্ন প্ৰতিকূলতাৰ মাজতো পুটিনে এইদৰে পূৰ্ণ পৰ্যায়ৰ যুদ্ধ ঘোষণা কৰিব বুলি আনকি ইউক্ৰেইনৰ নাগৰিকসকলেও সম্পূৰ্ণৰূপে আশা অথবা বিশ্বাস কৰা নাছিল। ফলস্বৰূপে বৃহস্পতিবাৰে এই আকস্মিক আক্ৰমণৰ প্ৰথম দিনাই বিপৰ্যস্ত হৈ পৰে *১০ পৃষ্ঠাত চাওক*

## যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ পৰা স্বগৃহত উপস্থিত চাৰি অসমীয়া ছাত্ৰী




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** বিশ্বৰ অন্যতম পৰমাণু শক্তিধৰ ৰাষ্ট্ৰ ৰাছিয়াৰ আক্ৰমণত বিধ্বস্ত হৈ পৰা ইউক্ৰেইনৰ পৰা প্ৰাণ ৰক্ষা কৰি আজি স্বগৃহত উপস্থিত হয় চিকিৎসা বিজ্ঞানৰ চাৰি অসমীয়া ছাত্ৰী ক্ৰমে তন্ময়ী *আঠ পৃষ্ঠাত চাওক*

■ হাতী ছাফাৰীৰ অন্তত তিনিদিনীয়া ভ্ৰমণ সামৰি দিল্লীলৈ ক'ৱিন্দ

■ মুখ্যমন্ত্ৰীৰ উপস্থিতিত সংৰক্ষণ-প্ৰস্তাৱিত কৰিড'ৰৰ প্ৰদৰ্শনী মুকলি

## ৰাষ্ট্ৰপতিৰ ভ্ৰমণে কাজিৰঙাৰ সুৰক্ষাৰ মডেলক নতুন উচ্চতা প্ৰদান কৰিলে





**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**যোৰহাট/ বোকাখাত, ২৭ ফেব্ৰুৱাৰী ঃ** কাজিৰঙা ভ্ৰমণ সামৰি আজি বিয়লি বিদায় ল'লে ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দে। ইয়াৰ লগে লগে ৰাষ্ট্ৰপতিৰ তিনিদিনীয়া অসম ভ্ৰমণৰ অন্ত পৰে। আজি বোকাখাতৰ পৰা হেলিকপ্টাৰযোগে তেওঁ প্ৰথমে আইজললৈ যায়। তাৰ পৰা উভতি আহি যোৰহাটৰ পৰা বিমানযোগে তেওঁ নতুন দিল্লীলৈ উভতি যায়। মুখ্যমন্ত্ৰী ড° হিমন্ত *১০ পৃষ্ঠাত চাওক*

■ বেলাৰুছৰ ৰুছপন্থী নেতা লুকাছেনক'ৰ ফোনযোগে ইউক্ৰেইনক আলোচনাৰ প্ৰক্ৰিয়াত সুৰক্ষাৰ আশ্বাস ■ ৰাছিয়াৰ পৰমাণু অস্ত্ৰ ব্যৱহাৰৰ সম্ভাৱনাত ৰাষ্ট্ৰসংঘৰ উদ্বেগ প্ৰকাশ

# পুটিনৰ পাৰমাণৱিক অস্ত্ৰৰ হুংকাৰৰ পাছত আলোচনালৈ সন্মতি জেলেন'স্কীৰ

■ **নিউজ ব্যুৰ'**
**কিয়েভ, ২৭ ফেব্ৰুৱাৰী ঃ** যুদ্ধৰ ভয়াৱহতাৰ মাজতে অৱশেষত দুই দেশৰ মাজত আলোচনাৰ পৰিৱেশ সৃষ্টিৰ সম্ভাৱনা প্ৰকট হৈছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেন'স্কীয়ে ৰাছিয়াৰ প্ৰস্তাৱ অনুসৰি বেলাৰুছ সীমান্তত আলোচনাৰ বাবে সন্মত হয়। আজি প্ৰথম অৱস্থাত জেলেন'স্কীয়ে বেলাৰুছত আলোচনাৰ বাবে ৰাছিয়াৰ প্ৰস্তাৱ *১০ পৃষ্ঠাত চাওক*





■ তিনি লাখ ৭০ হেজাৰ লোকৰ গৃহ ত্যাগ কৰি পলায়ন

## প্ৰৱল প্ৰতিৰোধত ৰুছ সেনা পিছ হোঁহকাৰ দাবী কিয়েভৰ

■ **নিউজ ব্যুৰ'**
**কিয়েভ, ২৭ ফেব্ৰুৱাৰী ঃ** ৰুছ বাহিনীক ৰোধ কৰিবলৈ বেপৰোৱা হৈ পৰিছে ইউক্ৰেইন। ৰাজধানী কিয়েভৰ ঘৰে ঘৰে প্ৰস্তুত কৰা হৈছে মলোটভ ককটেল অৰ্থাৎ পেট্ৰ'ল বোমা। যুৱক-যুৱতী সকলোৱে দেশ ৰক্ষাৰ বাবে যুদ্ধকালীন গতিত এই অস্ত্ৰ প্ৰস্তুত কৰিছে। কেৱল ৰাজধানী কিয়েভেই নহয় সমগ্ৰ ইউক্ৰেইন জুৰি মানুহৰ হাতে হাতে আছে পেট্ৰ'ল বোমা। উল্লেখ্য যে ৰুছ বাহিনীৰ আক্ৰমণৰ পাছত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেন'স্কীয়ে *আঠ পৃষ্ঠাত চাওক*

'ৰাছিয়াৰ আগ্ৰাসনত আমি এক নতুন যুগত উপনীত হ'লো'

## বৈদেশিক নীতি সলনি কৰি ইউক্ৰেইনলৈ যুদ্ধাস্ত্ৰ প্ৰেৰণ জাৰ্মানীৰ

■ **নিউজ ব্যুৰ'**
**বাৰ্লিন, ২৭ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ বিৰুদ্ধে ইউক্ৰেইনৰ যুঁজত সাহায্য দিব জাৰ্মানীয়ে। বৈদেশিক আৰু প্ৰতিৰক্ষা নীতিত পৰিৱৰ্তন ঘটাই জাৰ্মানীৰ চেঞ্চেলৰ ওলাফ শ্ব'লছে ঘোষণা কৰে যে ইউক্ৰেইনক ৰাছিয়াৰ আগ্ৰাসনৰ ফলত ইউৰোপৰ সৰ্ববৃহৎ অৰ্থনীতিৰ দেশখনে ইয়াৰ সামৰিক নীতি সলাবলৈ বাধ্য হৈছে। বহু দশকজুৰি জাৰ্মানীয়ে যুদ্ধাস্ত্ৰ-সামৰিক শক্তি পৰৰাষ্ট্ৰলৈ প্ৰেৰণত অনীহা প্ৰকাশ কৰি আহিছে। এসময়ৰ আগ্ৰাসী জাৰ্মানীক এতিয়াও যুদ্ধৰ ভয়াৱহতাৰ দুঃস্বপ্নই খেদি *আঠ পৃষ্ঠাত চাওক*

■ ১৮ শ বিঘাৰ জলভূমিৰ বৰ্তমান চাৰিশ বিঘাহে আছে ঃ স্বীকাৰ জিএমডিএৰ অধ্যক্ষৰ
■ বেদখলীকৃত ভূমিত চলোৱা নাই উচ্ছেদ ■ বিলত এইবাৰ প্ৰশাসনৰ জেচিবিৰ হাতোৰা

# শিলসাঁকো বিলত চলিছে উদ্যান নিৰ্মাণ

■ ছয় কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰাতঃভ্ৰমণ-চাইক্লিঙৰ ব্যৱস্থাৰে গঢ়ি উঠিছে বৃহৎ পথ ■ ভূমি সংকুচিত হোৱাৰ ফলতে পানীৰ বহন ক্ষমতা হ্ৰাস ■ অতীত হ'ব নেকি মহানগৰীলৈ প্ৰকৃতিৰ দান ■ নশ বিঘাই বেদখলৰ কবলত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** ৰাজধানী দিছপুৰৰ পৰা কেই কিলোমিটাৰমান নিলগত থাকি অস্তিত্বৰ সংকটত ভোগা মহানগৰীৰ আত্মাস্বৰূপ শিলসাঁকো বিলৰ অৱশিষ্ট অংশত এইবাৰ চলিছে প্ৰশাসনৰ জেচিবিৰ হাতোৰা। বহু পৰিভ্ৰমী পক্ষীৰ আকৰ্ষণ প্ৰকৃতিৰ *১০ পৃষ্ঠাত চাওক*



## জিএমচিএইছৰ শৌচালয়ত মহিলাৰ মৃতদেহ উদ্ধাৰ

স্বামীয়ে হত্যা কৰাৰ সন্দেহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ শিশু প্ৰতিপালন কক্ষৰ এটি *আঠ পৃষ্ঠাত চাওক*

■ বৰাকৰ ছজনকৈ কুখ্যাত চুপাৰি মাফিয়া অপৰাধ শাখাৰ জিম্মাত

## ৰাজনৈতিক পৃষ্ঠপোষকতাতে বাৰ্মিজ চুপাৰি ছিণ্ডিকেট, ধনৰ অংশ নেতালৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই বাৰ্মিজ চুপাৰি ছিণ্ডিকেটৰ তদন্ত আগবঢ়াই নিয়াৰ সময়তে এই ছিণ্ডিকেট একাংশ ৰাজনৈতিক নেতাৰ পৃষ্ঠপোষকতাত এটা আন্তঃৰাষ্ট্ৰীয় চক্ৰই অব্যাহত ৰখাৰ তথ্য লাভ কৰিছে। অসম আৰু মিজোৰামৰ একাংশ ৰাজনৈতিক নেতাই যে বাৰ্মিজ চুপাৰি ছিণ্ডিকেটৰ ধন লাভ কৰিছিল ধৃত কে'বাজনো *আঠ পৃষ্ঠাত চাওক*



■ চৰকাৰৰ ব্যক্তিগতকৰণ অভিযানৰ এক প্ৰক্ৰিয়া ঃ চিটুৰ প্ৰতিবাদ
■ এক লাখ ১৪ হেজাৰ বৰ্গফুট বিল্ডিঙৰ অংশ ভাড়ালৈ দিবলৈ জাননী


## এইবাৰ ৰাজ্যত বিএছএনএলৰ ২০টা কাৰ্যালয় ব্যক্তিগত প্ৰতিষ্ঠানক ভাড়ালৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** মহানগৰীৰ মাজমজিয়াত ৰেলৱেৰ মাটি লীজত দিয়াক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে কেন্দ্ৰীয় চৰকাৰৰ আন এটা গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান ভাৰত সঞ্চাৰ নিগম লিমিটেড (বিএছএনএল)এ ৰাজ্যৰ ২০টা কাৰ্যালয়ৰ একাংশ ভাড়ালৈ দিবলৈ আহ্বান কৰা নিবিদাই পুনৰ বিতৰ্কৰ সৃষ্টি কৰিছে। ৰাজহুৱা প্ৰতিষ্ঠানটোৰ ব্যক্তিগত খণ্ডক গতাই দিয়াৰ লক্ষ্যৰে কাৰ্যালয়ৰ পৰিসৰ হ্ৰাস কৰাৰ ষড়যন্ত্ৰত চৰকাৰ লিপ্ত হৈছে বুলি অভিযোগ উত্থাপন কৰিছে ট্ৰেড ইউনিয়ন অসমে। উল্লেখ্য যে ৰাজ্যৰ প্ৰায় ২০টা স্থানত থকা বিএছএনএলৰ ভৱনৰ প্ৰায় ১,১৪,৪০০ বৰ্গ মিটাৰ ভাড়ালৈ দিয়াৰ লক্ষ্যৰে শেহতীয়াকৈ এক বিজ্ঞাপনৰ জৰিয়তে নিবিদা আহ্বান কৰিছে প্ৰতিষ্ঠানটোৱে। গুৱাহাটীস্থিত বিএছএনএলৰ চাৰিটা কাৰ্যালয়ৰ ৩১ হেজাৰ বৰ্গফুট বিল্ডিঙৰ অংশ ভাড়ালৈ দিয়া হ'ব। সেই অনুসৰি পাণবজাৰস্থিত বিএছএনএল ভৱনৰ প্ৰথম, পঞ্চম *১০ পৃষ্ঠাত চাওক*

■ ঘোষিত ১,৪৩,৪৬৬ বিদেশীৰ বিপৰীতে মাত্ৰ ৩২৯জনকহে বাংলাদেশলৈ বিতাৰণ ■ গোচৰ বিচাৰাধীন হৈ আছে কমেও ১,২৩,৮২৯ টা ■ নতুন বিদেশী ন্যায়াধিকৰণ স্থাপনো বন্ধ অসমত

# বিদেশী বিতাৰণ কম ঃ পুঁজি কৰ্তন দিল্লীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** সন্দেহজনক (ডি) ভোটাৰকে ধৰি চিনাক্ত অবৈধ বিদেশী নাগৰিকক বিতাৰণৰ বিষয়টোৱে অসমৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত সদায় চৰ্চাৰ অন্যতম কেন্দ্ৰবিন্দু হৈ আহিছে। বিদেশী ন্যায়াধিকৰণৰ পৰা আৰম্ভ কৰি উচ্চ ন্যায়ালয়লৈকে সকলোতে দীঘলীয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তত হেজাৰ হেজাৰ লোকক অবৈধ বিদেশী বুলি চিনাক্ত কৰা হৈছে। অসম চৰকাৰৰ গৃহ বিভাগৰ তথ্য অনুসৰি যোৱা ৩১ ডিচেম্বৰলৈ অকল বিদেশী ন্যায়াধিকৰণেই ১,৪৩,৪৬৬ জন লোকক অবৈধ বিদেশী বুলি ঘোষণা কৰে; কিন্তু সেই সংখ্যাৰ বিপৰীতে বাংলাদেশলৈ বিতাৰণৰ সংখ্যা *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ১৬° |
| ডিব্ৰুগড় | ২৫° | ১৪° |
| দিল্লী | ২৫° | ২১° |
| কলকাতা | ৩২° | ২১° |
| মুম্বাই | ৩১° | ২৩° |
| চেন্নাই | ৩১° | ২৩° |
| বাংগালুৰু | ২৯° | ১৬° |
| শ্বিলং | ১৯° | ০৯° |

*২৭ ফেব্ৰুৱাৰী, ২০২২*

## চেঙা তেল



*এইটোৱেই বুজিছে আমাৰ উন্নয়নৰ প্ৰথম ঢাপ! ইয়াক জেগা বনাব পাৰিলেই হৈ গ'ল!*

## কৰিমগঞ্জত ভ্ৰাতৃৰ গুলিত আহত যুৱক

সাধাৰণ ঘটনাক কেন্দ্ৰ হোৱা বিবাদতে হিংসা

**বিশেষ সংবাদদাতা**
**কৰিমগঞ্জ, ২৭ ফেব্ৰুৱাৰী ঃ** কৰিমগঞ্জৰ বিনোদিনী গাঁৱত আজি সংঘটিত এক গুলিচালনাৰ ঘটনাত এজন যুৱক গুৰুতৰভাৱে আহত হয়। দুই ভ্ৰাতৃৰ মাজত সাধাৰণ কথাক কেন্দ্ৰ কৰিয়ে সৃষ্টি হোৱা বিবাদতে এই গুলিচালনাৰ ঘটনা সংঘটিত হয়। *১০ পৃষ্ঠাত চাওক*

আঠ মাৰ্চত দায়িত্বপ্ৰাপ্ত সকলোকে ধন জমা দিবলৈ নিৰ্দেশ ৰাজ্যিক বিজেপি সভাপতিৰ

## সহযোগ নিধিৰ লক্ষ্য নিৰ্ধাৰিত পুঁজি সংগ্ৰহত জটিলতা, সময়সীমা বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** এশ কোটি দলীয় পুঁজি সংগ্ৰহৰ বাবে ৰাজ্যিক বিজেপিয়ে আৰম্ভ কৰা সহযোগ নিধিৰ সংগৃহীত ধন অহা আঠ মাৰ্চৰ ভিতৰত নথিপত্ৰসহ জমা দিবলৈ আজি নিৰ্দেশ দিয়া হয়। অন্যথা গাফিলতি কৰিলে দলৰ নিয়ম অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আজি ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু সাংগঠনিক সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মাই দলৰ সকলো জিলাৰ সভাপতিৰ *১০ পৃষ্ঠাত চাওক*

## দুৰ্ঘটনাক কেন্দ্ৰ কৰি ঘাইপথ অৱৰোধ ক্ষুব্ধ ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ২৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ আমবাগানৰ দক্ষিণ ভোমোৰাগুৰিত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি ব্যাপক উত্তেজনাৰ সৃষ্টি হয়। পথ দুৰ্ঘটনাটোত এজন মটৰ চাইকেল আৰোহী নিহত হোৱাৰ পাছতে স্থানীয় লোকে নলতলি-লাওখোৱা ৰোড *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী, সোমবাৰ ২০২২ পৃষ্ঠা তিনি

## থলুৱা সংস্কৃতিৰে উদ্ভাসিত তেজপুৰ বিহগুৰিৰ চন্দ্ৰ নাথ শৰ্মা স্মৃতি ভৱন

**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ লগতে শোণিতপুৰতো ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিক উদ্ভাসিত কৰি 'ঐক্যম' শীৰ্ষক সাংস্কৃতিক বিনিময়ৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। শোণিতপুৰ জিলা সাংস্কৃতিক উন্নয়ন বিভাগৰ জৰিয়তে তেজপুৰৰ পিঠাখোৱাস্থিত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতি ভৱনতো কালি সন্ধিয়া সম্পন্ন হয় এক মনোজ্ঞ অনুষ্ঠান। 'ঐক্যম' শীৰ্ষক এই সাংস্কৃতিক ছয় পৃষ্ঠাত চাওক

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ যোৰহাট জিলা শাখালৈ সাংগঠনিক আৰু ৰক্তদান কোষ বঁটা



**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২৭ ফেব্ৰুৱাৰী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ যোৰহাট জিলা শাখালৈ সামাজিক দায়বদ্ধতাৰ গৌৰৱোজ্জ্বল নিৰ্দৰ্শন দাঙি ধৰা বাবে ফণীধৰ কাকতি আৰু আইদেউ কাকতি সাংগঠনিক বঁটা আৰু ৰক্তদান কৰি আৰ্তজনক সহায়ৰ হাত আগবঢ়োৱা বাবে সেৱা বাহিনী লৈ ৰক্তদান কোষ বঁটা প্ৰদান কৰা হৈছে। এই বঁটাত অংগবস্ত্ৰ, গামোচা, মানপত্ৰ, নগদ ধন, ট্ৰফি দিয়া হয়। ২০২২ত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ যোৰহাট জিলা শাখাই দুটা গুৰুত্বপূৰ্ণ বঁটা লাভ কৰি জিলা শাখাৰ সভাপতি মুকুল গগৈয়ে কয় যে এই বঁটা লাভ কৰা মূলতে জিলাখনৰ সংগীসকলে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ চাৰিপুথিৰ আধাৰত পৰিচালিত হৈ গুৰুজনাৰ নীতি আদৰ্শৰে জগত সভাত নিজকে অসমীয়া জাতি বুলি পৰিচয় দিবলৈ সক্ষম হৈছে। ৰক্তদান কোষ কেন্দ্ৰীয় সমন্বয়ক ৰঞ্জিত বৰা আৰু জিলা সেৱা বাহিনী অধিনায়ক নিতুল গগৈয়ে ৰক্তদান কোষ বঁটা লাভ কৰি কয় যে ছয় পৃষ্ঠাত চাওক

■ কলিয়াবৰত ডেনমাৰ্কৰ কূটনীতিক জেকব উইলিয়াম ■ মানুহে মানুহক আত্মীয়তাৰে আগুৱাই নিব লাগিব ■এয়া এক বন্ধুত্বৰ চানেকি

# অসমত দেশৰ প্ৰথম অত্যাধুনিক ক'ভিড চিকিৎসালয়



**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২৭ ফেব্ৰুৱাৰী ঃ** ডেনমাৰ্ক আৰু ভাৰতৰ সৌহাৰ্দ্যক আৰু এখোজ আগবঢ়োৱাৰ উদ্দেশ্যেই ভাৰতত প্ৰথমবাৰৰ বাবে স্থাপন কৰা হৈছে এই বিশেষ চিকিৎসালয়খন। ইয়াৰ দ্বাৰা ক'ভিডৰ বিৰুদ্ধে যুঁজখন আৰু অধিক শক্তিশালী হ'ব। আমি আশা কৰিম যাতে ভাৰতৰ এইসকল লোকৰ শান্তি-সমৃদ্ধিত আওপকীয়াকৈ হ'লেও আমিও অংশীদাৰ হ'ব পাৰো। মানুহক মানুহে এনেদৰেই আত্মীয়তাৰে আগুৱাই নিব লাগিব আৰু আগুৱাই যাব লাগিব। এয়া এক বন্ধুত্বৰ চানেকি।' ভাৰতৰ মাটিত নিজ সাহায্যৰে প্ৰথমখন ক'ভিড চিকিৎসালয় স্থাপন কৰি সম্পূৰ্ণ হোৱাৰ পাছত আজি চিকিৎসালয় দ্বাৰ মুকলি অনুষ্ঠানত উপস্থিত থাকি এই মন্তব্য কৰে ডেনমাৰ্কৰ ৰয়েল এম্বেছীৰ প্ৰতিনিধি জেকব উইলিয়ামে। আজিৰ দিনটোতে ডেনমাৰ্কৰ সাহায্যৰে ভাৰতত নিৰ্মাণ সম্পূৰ্ণ আৰু কাৰ্যক্ষম হ'ল দেশৰ ভিতৰতে প্ৰথমখন স্থায়ী ক'ভিড চিকিৎসালয়। আজি কলিয়াবৰৰ উলুৱনিত মুকলি কৰা হ'ল এই বিশেষ চিকিৎসালয়খন। সম্পূৰ্ণ শীততাপ নিয়ন্ত্ৰিত তথা অক্সিজেনযুক্ত ৫৪ খন বিচনা সমৃদ্ধ ক'ভিড ছয় পৃষ্ঠাত চাওক

## মাজুলীত ভূৱন গামৰ হৈ প্ৰচাৰত নামিল কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২৭ ফেব্ৰুৱাৰী ঃ** মাজুলী উপ-নিৰ্বাচনত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ অতি ঘনিষ্ঠ ভূৱন গামৰ হৈ নিৰ্বাচনী প্ৰচাৰ ভাগ লোৱা পলম হোৱা বাবে সামাজিক মাধ্যমত বিভিন্ন ধৰণৰ মুখৰোচক কাহিনীৰ অন্ত পেলাই আজি মাজুলীৰ বিভিন্ন ঠাইত গামৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই প্ৰাক্তন মুখ্যমন্ত্ৰী, মাজুলীৰ প্ৰাক্তন বিধায়ক তথা কেন্দ্ৰীয় মন্ত্ৰীজনে। মনি মাজুলীৰ ছয় পৃষ্ঠাত চাওক

## বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰিত ঐতিহাসিক বাৰপূজীয়া

### তিৱা সাহিত্য সভাৰ অধিৱেশন



**অগ্ৰদূত বাৰ্তা**
**ৰহা, ২৭ ফেব্ৰুৱাৰী ঃ** তিৱা সাহিত্য সভাৰ দ্বাদশ বাৰ্ষিক অধিৱেশনৰ আজি তৃতীয় দিনা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই মুখৰিত কৰি তোলে ঐতিহাসিক বাৰপূজীয়া অঞ্চল। আগত দুটা হাতীক লৈ পৰম্পৰাগত জাতীয় পোছাক পৰিধান কৰি তিৱাসকলৰ লগতে দেউৰী, মিচিং, গাৰো, নেপালী, বড়ো, কাৰ্বি, ৰাভা, ডিমাছা আদিকে ধৰি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ যুৱক-যুৱতীৰ নৃত্য গীত আৰু কলা-সংস্কৃতিৰ প্ৰদৰ্শনৰ লগতে বিহু নৃত্য, গায়ন-বায়ন, আয়তীসকলৰ জাউৰিয়ে জাউৰিয়ে নাম কীৰ্তন আদিৰে উলিওৱা শোভাযাত্ৰাই সকলোকে আকৰ্ষিত কৰে। শোভাযাত্ৰা উদ্বোধন কৰি অভ্যৰ্থনা সমিতিৰ সভাপতি তথা মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে ইতিহাসে ঢুকি নোপোৱা তথা কালৰ বুকুত হেৰাই যাব খোজা তিৱা জাতিৰ কলা-সংস্কৃতি উদ্ধাৰৰ বাবে তিৱা সাহিত্য সভাই লোৱা পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতে বিয়লি মুকলি সভা অনুষ্ঠিত হয়। তিৱা সাহিত্য ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাৰ ১৭ নম্বৰ ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থীৰ পদযাত্ৰা

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৭ ফেব্ৰুৱাৰী ঃ** ক্ৰমাৎ আকৰ্ষণীয় হৈ উঠিছে গোৱালপাৰা পৌৰসভাৰ ১৭ নম্বৰ ৱাৰ্ডৰ নিৰ্বাচনী দৃশ্যপট। ভোটাৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আজি নিৰ্দলীয় প্ৰাৰ্থী ধনজীৱ প্ৰসাদ ৰাভাই বহু সংখ্যক সমৰ্থক লৈ ৱাৰ্ডটোত পদযাত্ৰা কৰে। উল্লেখ্য যে বিজেপিৰ গোৱালপাৰা জিলা যুৱ মৰ্চাৰ দুটাকৈ কাৰ্যকালৰ সভাপতিৰ ছয় পৃষ্ঠাত চাওক

## জুৰীয়াত মদিনাৰ ইমাম প্ৰসংগ ৰূপহীহাটৰ অগপৰ সম্পাদক জাকিৰ হুছেইন ফাৰাজীক বহিষ্কাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/জুৰীয়া, ২৭ ফেব্ৰুৱাৰী ঃ** অগপৰ ৰূপহী বিধান পৰিষদৰ কালি অনুষ্ঠিত এখন জৰুৰী কাৰ্যনিৰ্বাহকত পৰিষদৰ সম্পাদক জাকিৰ হুছেইন ফাৰাজীক তৎকালীনভাৱে বলৱৎ হোৱাকৈ দলৰ পৰা বহিষ্কাৰ কৰাৰ এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কাৰ্যনিৰ্বাহক সভাত জুৰীয়াত মদিনাৰ ইমাম আহিব বুলি ভুৱা প্ৰচাৰ চলোৱা সভাত অগপৰ ৰূপহী বিধান পৰিষদৰ সম্পাদক ফাৰাজীয়ে পৰিষদৰ কোনো ধৰণৰ অনুমতি নোলোৱাকৈ অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তই অংশগ্ৰহণ কৰিব বুলি প্ৰচাৰ চলোৱা, নেতাদ্বয়ৰ ফটো সম্বলিত হৰ্ডিং, বেনাৰ, পোষ্টাৰ ব্যৱহাৰ কৰা, খেয়ালখুচি মতে ধন সংগ্ৰহ কৰা আদি অভিযোগসমূহৰ ওপৰত আলোচনা কৰে। এনেধৰণৰ কৰ্মকাণ্ডৰ জৰিয়তে ফাৰাজীয়ে দলৰ লগতে নেতাদ্বয়ৰো ভাৱমূৰ্তি সংখ্যালঘু ৰাইজৰ মাজত ম্লান কৰাৰ বাবে তেওঁক জগৰীয়া কৰি কালিৰে পৰাই বলৱৎ হোৱাকৈ দলৰ পৰা বহিষ্কাৰৰ প্ৰস্তাৱ গ্ৰহণ কৰে। কাৰ্যনিৰ্বাহক সভাত গৃহীত এই প্ৰস্তাৱ ইতিমধ্যে দলৰ ছয় পৃষ্ঠাত চাওক

■ বৰপেটাৰ ভাতনাপাইতিত ভূমি বিবাদ ঃ মহিলাক মাৰধৰ

## দাবী কৰা ধন নিদিয়াৰ বাবেই ঘৰ জ্বলাই দিয়াৰ অভিযোগ

**আলোপতি, ২৭ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত ভাতনাপাইতি গাঁৱত আজি দাবী কৰা ধন নিদিয়া বাবে গৃহত অগ্নিসংযোগ কৰাৰ ঘটনা সংঘটিত হয়। উল্লেখ্য যে দীৰ্ঘদিন ধৰি দুই ভাই-ককাইৰ মাজত এডোখৰ ভূমিক লৈ চলা বিবাদৰ বাবেই এটা পক্ষই আনটো পক্ষৰ থকা ঘৰ জ্বলাই দিয়াৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী পৰিয়ালৰ লোকে। ছয় পৃষ্ঠাত চাওক



### পৰৱৰ্তী দুই বছৰীয়া কাৰ্যকালৰ বাবে নতুন কমিটী গঠন

## কাচখানাত ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশন

**অগ্ৰদূত বাৰ্তা**
**আগমনী/তামাৰহাট, ২৭ ফেব্ৰুৱাৰী ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ অন্তৰ্গত ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ ২৮ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন আজি ধুবুৰী জিলাৰ কাচখানা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দিনজোৱা কাৰ্যসূচীৰে সম্পন্ন হয়। অধিৱেশনৰ কাৰ্যসূচী মতে ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ বিদায়ী সভাপতি আমজাদ হুছেইন মজুমদাৰে আজি পুৱা পৰিষদৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পাছত জিলা সমিতিৰ উপদেষ্টা, উপ-সভাপতি, সাধাৰণ সম্পাদক, সহকাৰী সম্পাদক, সাংগঠনিক সম্পাদকৰ লগতে ১৫ খন আঞ্চলিক কমিটীৰ সভাপতিসকলে এখনকৈ পতাকা উত্তোলন কৰে। ইয়াৰ পাছত ক্ৰমে ছহিদ বেদীত শ্ৰদ্ধাঞ্জলি আৰু ৰাজহুৱা স্থানত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিনিধিবৰ্গৰ নাম পঞ্জীয়নৰ পাছত ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি আমজাদ হুছেইন মজুমদাৰৰ পৰিচালনাত অনুষ্ঠিত হয় প্ৰতিনিধি সভা। মুঠ ১৫ খন আঞ্চলিক কমিটীৰ প্ৰতিনিধিসকল উপস্থিত থকা প্ৰতিনিধি সভাত ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ বিদায়ী সাধাৰণ সম্পাদকে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ অন্তত পুৰণি কমিটীখনৰ কাৰ্যকাল উকলি যোৱাত ভংগ কৰি দিয়ে। পাছত একেখন প্ৰতিনিধি সভাতে আব্দুল মান্নাব খানক সভাপতি আৰু দেৱজ্যোতি চক্ৰৱৰ্তীক সাধাৰণ সম্পাদক হিচাপেলৈ মুঠ ৫৮ জনীয়া সদস্যৰে পৰৱৰ্তী কাৰ্যকালৰ বাবে ধুবুৰী জিলা কৰ্মচাৰী পৰিষদখন গঠন কৰা হয়। ছয় পৃষ্ঠাত চাওক

## ঝুকেগা নেহি ঃ তেজপুৰত আঙুৰলতাৰ পৌৰ নিৰ্বাচনী প্ৰচাৰ



**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** 'অভি ট' বিজেপি কা ৰাজ চল ৰহা হ্যে। ঝুকেগা নেহী' সমগ্ৰ দেশজুৰি দৰ্শকে আঁকোৱালি লোৱা দক্ষিণৰ চলচ্চিত্ৰ 'পুস্পা দা ৰাইজিঙৰ' ডায়লগৰ দৰেই বক্তব্য প্ৰকাশৰে তেজপুৰত পৌৰ নিৰ্বাচনৰ প্ৰচাৰ চলালে বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ নেত্ৰী আঙুৰলতা ডেকাই। আজি পুৱা ১০-৩০ বজাত তেজপুৰ পৌৰসভাৰ ১৯ নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী ৰিংকুমণি লহকৰৰ সপক্ষে প্ৰাক্তন বিধায়িকা তথা অভিনেত্ৰী গৰাকীয়ে চলাই প্ৰচাৰ অভিযান। সম্প্ৰতি তেজপুৰত পৌৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান জোৰদাৰ গতিত অব্যাহত আছে আৰু এইক্ষেত্ৰত বিজেপি ছয় পৃষ্ঠাত চাওক

## তেজপুৰত বিধ্বংসী অগ্নিকাণ্ড কোটি টকাৰ সামগ্ৰী জাহ



**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** আজি পুৱা প্ৰায় ৫-৩০ বজাত তেজপুৰৰ গোটলোঙত সংঘটিত এক বিধ্বংসী অগ্নিকাণ্ডত খাদ্য সামগ্ৰীৰ এটা ভঁৰাল সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ ফলত ইয়াত থকা কোটি টকাৰ সামগ্ৰী জাহ যায়। পুৱা প্ৰাতঃভ্ৰমণলৈ ওলাই অহা এজন লোকে গুদামটোত অগ্নিকাণ্ড সংঘটিত হোৱা দেখি কাষৰ লোকক খবৰ দিয়ে। 'প্ৰাণ' নামৰ কোম্পানীটোৰ বিতৰক নাৰায়ণ ছেত্ৰীয়ে গোপাল শইকীয়াৰ পৰা এই গুদামটো ভাড়াত লৈছিল। ইয়াত প্ৰায় ছয় পৃষ্ঠাত চাওক

### তিতাবৰ সমষ্টিত ২০ হেজাৰ লোকক ৰাইজৰ দলত অন্তৰ্ভুক্তিৰ লক্ষ্য

## বৰহোলাত ৰাইজৰ দলৰ সদস্যভৰ্তি অভিযান

**বিশেষ সংবাদদাতা**
**নগাবাট, ২৭ ফেব্ৰুৱাৰী ঃ** বৰহোলাত আজিৰে পৰা ৰাইজৰ দলে আৰম্ভ কৰিছে সদস্যভৰ্তি অভিযান। সেয়ে জনতাৰ মাজত গোহাৰি বিলাই দলটোৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰয়াস চলাইছে ৰাইজৰ দলৰ কৰ্মীসকলে। পুৱাৰে পৰা বৰহোলাৰ সাপ্তাহিক বজাৰৰ মাজত অস্থায়ী কাৰ্যালয় স্থাপন কৰি ৰাইজৰ দলে আৰম্ভ কৰিছে এই সদস্যভৰ্তি অভিযান। সমগ্ৰ তিতাবৰ সমষ্টিত প্ৰায় ২০ হেজাৰ লোকক ৰাইজৰ দলত অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য লোৱা দলটোৰ যোৰহাট জিলাৰ সাধাৰণ সম্পাদক প্ৰমোদ গগৈয়ে সংবাদ মাধ্যমৰ আগত কয়, 'আমি ৰাইজৰ দলে সম্পূৰ্ণ এমাহ দিন সদস্যভৰ্তিৰ এক অভিযান লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। তিনি এপ্ৰিলত তিতাবৰত আমাৰ ৰাইজৰ দলৰ এখন অধিৱেশন হ'ব। সেই অধিৱেশনতেই আমি এখন পূৰ্ণাংগ সমিতি গঠন কৰিম। তাৰ আগতে তিতাবৰ সমষ্টিৰ প্ৰত্যেকখন পঞ্চায়তত আমি যাম। প্ৰত্যেকটো ৱাৰ্ডত আমি যাম আৰু ৰাইজৰ প্ৰতিটো সমস্যাৰ বুজ ল'ম। পৰৱৰ্তী সময়ত এই সমস্যাসমূহ ৰাজনৈতিকভাৱে কেনেদৰে সমাধান কৰিব পৰা যায় তাৰ বাবেও আমি ৰাইজৰ মতামত গ্ৰহণ কৰিম। সকলো ৰাইজক লগত লৈ ঐক্যবদ্ধ ৰাজনীতি আৰম্ভ কৰিবৰ বাবে আমি ৰাইজৰ দল আগবাঢ়ি আহিছো। অধিৱেশনলৈকে আমি অতি কমেও ২০ হেজাৰ লোকক ৰাইজৰ দলত অন্তৰ্ভুক্ত কৰাবলৈ চেষ্টা কৰিছো। আৰু ছয় পৃষ্ঠাত চাওক

### মধুপুৰ সত্ৰ সমিতিৰ জৰুৰী সভা

## মধুপুৰ সত্ৰত সত্ৰীয়া পৰম্পৰা বিৰোধী শক্তিৰ তৎপৰতা

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ২৭ ফেব্ৰুৱাৰী ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পৱিত্ৰ স্থান পশ্চিমবংগৰ কোচবিহাৰত অৱস্থিত মধুপুৰ সত্ৰত অতিসম্প্ৰতি কেতবোৰ সত্ৰীয়া পৰম্পৰা বিৰোধী শক্তিয়ে সত্ৰখন পৰিচালা কৰাৰ ক্ষেত্ৰত এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰিছে বুলি অভিযোগ উঠিছে। ইতিমধ্যে এইবোৰ শক্তিৰ প্ৰৰোচনাত সত্ৰখনৰ পৰা কে'বাবিধো আপুৰুগীয়া সম্পদ লুপ্ত হৈছে। এই শক্তিবোৰে সত্ৰখনৰ সত্ৰীয়া তথা ধৰ্মীয় ৰীতি-নীতি তথা পৰম্পৰাসমূহ ছয় পৃষ্ঠাত চাওক

## চতিয়া পৌৰসভাৰ এক নম্বৰ ৱাৰ্ডত এক নামৰে দুই প্ৰাৰ্থী

**অগ্ৰদূত বাৰ্তা**
**চতিয়া, ২৭ ফেব্ৰুৱাৰী ঃ** নৱগঠিত চতিয়া পৌৰসভাৰ নিৰ্বাচনৰ ফলাফল নিৰ্বাচন অনুষ্ঠিত হোৱাৰ আগেয়েই প্ৰকাশ পালে যদিও পৌৰসভাখনৰ এক নম্বৰ ৱাৰ্ডটোৰ নিৰ্বাচনী যুঁজে এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। উল্লেখ্য যে পৌৰসভাখনৰ ১০ টা ৱাৰ্ডৰ ভিতৰত সাতটা ৱাৰ্ডত ইতিমধ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। সেই হিচাপত মাত্ৰ তিনিটা ৱাৰ্ড এক, চাৰি আৰু পাঁচ নম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। চাৰি আৰু পাঁচ নম্বৰ ৱাৰ্ডত বিজেপি আৰু কংগ্ৰেছৰ মাজত প্ৰতিদ্বন্দ্বিতা হ'ব যদিও এক নম্বৰ ৱাৰ্ডত বিজেপিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে। ৱাৰ্ডটোত প্ৰতিদ্বন্দ্বিতাত নমা প্ৰাৰ্থী দুজন একে গাঁৱৰে। দুয়োৰে নামো একে। এগৰাকী ড° দিলীপ কুমাৰ ভূঞা আৰু আনগৰাকী দিলীপ ভূঞা। দুয়ো আকৌ গহপুৰ হাৰাজানৰ জোঁৱাই। দুয়োজনেই বিজেপি দলৰ পৰা প্ৰাৰ্থিত্ব বিচাৰিলে। নাম দুটা একে হোৱা বাবেই প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ দিনা জ্যেষ্ঠ ড° দিলীপ কুমাৰ ভূঞালৈ নাম বিভ্ৰাটৰ বাবে শুভাকাংক্ষীয়ে ফোন কৰি শুভেচ্ছা জ্ঞাপন কৰিছিল যদিও প্ৰাৰ্থীৰ বাছনিত কনিষ্ঠ দিলীপ ভূঞাইহে দলীয় টিকট লাভ কৰে। ড° ভূঞাই শিক্ষা-সংস্কৃতি, ৰাজহুৱা কৰ্ম, নাট্য আন্দোলনৰ লগত জড়িত হোৱাৰ লগতে জামুগুৰিহাটৰ ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ পৰা সহযোগী অধ্যাপকৰূপে অৱসৰ গ্ৰহণ কৰিছে। আনজন প্ৰাৰ্থী ভূঞাই ব্ৰয়লাৰ ব্যৱসায়ী। তেওঁ অভিনেতাৰূপেও পৰিচিত।

### আউনীআটী সত্ৰৰ অসম ভাওনা সমাৰোহ উদ্বোধন কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ

## মানৱ সেৱাইহে অন্তৰত শান্তি দিয়ে



**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২৭ ফেব্ৰুৱাৰী ঃ** 'ভক্তিত শক্তি আছে। যাৰ দ্বাৰা পৰিচালিত হয় সমাজ। সমাজৰ বাবে নিস্বাৰ্থভাৱে সেৱা আগবঢ়ায় যাবলৈ আমিও আধ্যাত্মিক গুৰুসকলৰ আৰ্শীবাদ লাভ কৰা হৈছে বাবেই আমি ৰাজ কাৰ্য কৰিবলৈ সক্ষম হৈছো। এই ভক্তি ৰস সত্ৰ সমাজে অসমত যুগ ধৰি বিলাই আহিছে যাৰ দ্বাৰা অসমৰ পাহাৰ-ভৈয়ামত বাস কৰা জাতি-জনজাতিৰ মাজত আজিও একতাৰ বান্ধোনে জগত সভাত মুৰ দাঙি ঠিয় দিব পাৰিছে।' আজি আউনীআটী সত্ৰৰ মনিকাঞ্চন ৰংগ ক্ষেত্ৰত অসম ভাওনা সমাৰোহৰ দশম দিনৰ ভাওনা উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। শ্ৰীমন্তশংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্ম, কৰ্ম, ধৰ্মৰ দৰ্শন, আদৰ্শৰে সমাজে বাট বুলিলে সমাজৰ পৰা অপ-সংস্কৃতি নাইকিয়া হৈ পৰিব বুলি উল্লেখ কৰি মহাপুৰুষগৰাকীয়ে বিশ্বমুখী কৰাৰ বাবে ছয় পৃষ্ঠাত চাওক

## পাটাছাৰকুছিত কংগ্ৰেছ-মিত্ৰজোঁটৰ কাৰ্যালয় মুকলি

**পাটাছাৰকুছি, ২৭ ফেব্ৰুৱাৰী ঃ** পাটাছাৰকুছিত কালি কংগ্ৰেছৰ দুটা আৰু বিজেপিৰ দুটা নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় মুকলি কৰা হয়। কালি সন্ধিয়া চাৰি আৰু পাঁচ নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ দুটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে বৰপেটা জিলা কংগ্ৰেছৰ উপ-সভাপতি গিৰীশ পাটগিৰিয়ে। কাৰ্যালয় মুকলি কৰি তেওঁ বিজেপি বিমুদ্ৰাকৰণ নীতি আৰু মূল্যবৃদ্ধি ৰোধ কৰিব নোৱাৰা কাৰ্যক কঠোৰ সমালোচনা কৰে। অনুষ্ঠানত বজালী ব্লক কংগ্ৰেছৰ সভাপতি অৰুণ ৰয়, সাধাৰণ সম্পাদক সুৰেশ বৰুৱা, বজালী ব্লক যুৱ কংগ্ৰেছৰ সভাপতি নিৰ্মল দাসৰ ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত গো-সুৰক্ষা আইন উলংঘন কৰি আৰক্ষীৰ জালত গো হত্যাকাৰী

### অভিযুক্তক জেললৈ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**
**গোসাঁইগাঁও, ২৭ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত অসম-পশ্চিমবংগ সীমান্তৱৰ্তী তিনি নম্বৰ দাওৱাগুৰি গাঁৱত আজি পুৱতি নিশা বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই গাঁওখনৰ বাসিন্দা মহম্মদ হান্নান শেখ (৩২)ক শ্ৰীৰামপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। অসম গো-সুৰক্ষা আইন ২০২১ উলংঘন কৰি হান্নান শেখে নিজৰ ঘৰতে গোধন হত্যা কৰি মাংস কাটি থকাৰ সময়ত হাতে-লোটে আৰক্ষীৰ জালত পৰে। গো হত্যাৰ ঘটনাৰ লগত জড়িত প্ৰায় ১০-১২ জন লোক আৰক্ষীৰ অভিয়ানৰ উমান পাই ঘটনাস্থলীৰ পৰা পলাই পত্ৰং দিয়ে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। ইতিমধ্যে অভিযুক্ত হান্নানৰ বিৰুদ্ধে গোসাঁইগাঁও আৰক্ষী থানাত ৮৬/২২ নম্বৰ গোচৰ পঞ্জীয়ন কৰি আৰক্ষীয়ে অভিযুক্তক গোসাঁইগাঁও আদালতত হাজিৰ কৰোৱাত অভিযুক্তক কোকৰাঝাৰ জেললৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। বাকী অভিযুক্তসকলক কৰায়ত্ত কৰাৰ বাবে আৰক্ষীৰ অভিযান অব্যাহত আছে। উল্লেখ্য যে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ধৰ্মীয় প্ৰতিষ্ঠান মঠ, মন্দিৰ, সত্ৰ, হিন্দুবসতি অঞ্চলৰ পৰা কমেও পাঁচ কিলোমিটাৰ দূৰত্বলৈ গোহত্যা বন্ধ কৰাৰ বাবে ৰাজহুৱাকৈ আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীৰ এনে আহ্বানক অসাৰ প্ৰতিপন্ন কৰি গোসাঁইগাঁও মহকুমাৰ তিনি নম্বৰ দাওৱাগুৰিত গোহত্যা সংঘটিত হোৱাৰ অভিযোগ দীৰ্ঘদিনীয়া। অৱশেষত আৰক্ষীয়ে অভিযুক্তক কৰায়ত্ত কৰাত সীমান্ত অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠী সম্প্ৰদায়ৰ মাজত থকা শান্তি-সম্প্ৰীতি ভাতৃত্ববোধৰ এনাজৰীডালক অটুট ৰখাত নিঃসন্দেহে সহায়ক হ'ব বুলি সচেতন ৰাইজে মন্তব্য কৰিছে।

দৈনিক অগ্ৰদূত
গুৱাহাটী, সোমবাৰ ১৫ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৮ ফেব্ৰুৱাৰী ২০২২

## বি এছ এন এলৰ কাণ্ড

**গুৱাহাটী** মহানগৰীৰ মাজ-মজিয়াত অৱস্থিত ৰেল বিভাগৰ ৫৮ বিঘা মূল্যৱান মাটি কেইজনমান ব্যৱসায়ীক সুদীৰ্ঘকালৰ বাবে লীজত দিয়া ঘটনাই ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই প্ৰতিক্ৰিয়াৰ অনুৰণন মাৰ নৌয়াওঁতেই এইবাৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান ভাৰত সঞ্চাৰ নিগম লিমিটেডে (বি এছ এন এল)ৰ গুৱাহাটী মহানগৰীকে ধৰি বিভিন্ন স্থানত থকা ভৱনবোৰ ভাড়ালৈ দিবলৈ যো-জা চলাইছে। উল্লেখ্য যে অসমৰ বিভিন্ন ঠাইত থকা বি এছ এন এলৰ ২০টাকৈ ভৱন ভাড়ালৈ দিবলৈ ইতিমধ্যে নিবিদা আহ্বান কৰিছে। এই নিবিদা অনুসৰি বেংক, কেন্দ্ৰীয় অথবা ৰাজ্য চৰকাৰৰ অধীনস্থ ৰাজহুৱা প্ৰতিষ্ঠান আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানক ভাড়ালৈ দিয়া হ'ব। কেন্দ্ৰীয় চৰকাৰে এসময়ৰ লাভজনক বৃহৎ প্ৰতিষ্ঠান বি এছ এন এলক তিলতিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়া বুলি দীৰ্ঘদিন ধৰি চৰ্চিত হৈ আহিছে আৰু ইয়াৰ বিৰুদ্ধে প্ৰতিবাদো পৰিলক্ষিত হৈছে।

ব্যক্তিগত খণ্ডৰ মুষ্টিমেয় ফোন অপাৰেটৰ প্ৰতিষ্ঠানে চৰকাৰী পৃষ্ঠপোষকতাত সকলো ফোন ব্যৱসায় হস্তগত কৰি লৈছে। হেজাৰ হেজাৰ কৰ্মচাৰী নিয়োজিত হৈ থকা বি এছ এন এল আজি দেউলীয়া। কৰ্মচাৰীসকলক বি এছ এন এলে দৰমহা দিব পৰা নাই। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে তথা বি এছ এন এল কৰ্তৃপক্ষই সংকটৰ জোৰা মৰাৰ বাবে প্ৰতিষ্ঠানটোৰ নামত থকা বিশাল সা-সম্পত্তি বিক্ৰী, নহয় ভাড়া বা লীজলৈ দিবলৈ সাজু হৈছে।

বৰ্তমান গভীৰ বিত্তীয় সংকটৰ পৰা কেন্দ্ৰীয় চৰকাৰে মুদ্ৰাকৰণৰ নামত বিভিন্ন চৰকাৰী প্ৰতিষ্ঠান তথা প্ৰতিষ্ঠানসমূহৰ সা-সম্পত্তি বিক্ৰী কৰিবলৈ সিদ্ধান্ত লৈছে। ইমান বছৰে বিভিন্ন বিভাগে আহৰণ কৰা সা-সম্পত্তিবোৰ চৰকাৰে বিক্ৰী কৰি বিত্তীয় সংকটৰ জোৰা মাৰিব বিচাৰিছে। পিছে বি এছ এন এলৰ অসমত থকা মাটিবোৰ ৰাজ্য চৰকাৰে প্ৰদান কৰা মাটি। যেনেদৰে ৰেল বিভাগক অসম চৰকাৰে ৰেলপথ তথা কাৰ্যালয়, আৱাস আদিৰ বাবে বিনামূলীয়াকৈ মাটি আবণ্টন কৰিছিল, তেনেদৰেই বি এছ এন এলকে ধৰি বিভিন্ন কেন্দ্ৰীয় চৰকাৰৰ বিভাগক তথা প্ৰতিষ্ঠানক আবণ্টন দিছিল। নিয়ম অনুসৰি যদিহে কেন্দ্ৰীয় বিভাগ বা ৰেল বিভাগে সেই মাটিবোৰ প্ৰতিষ্ঠানৰ কামত ব্যৱহাৰ কৰিব নোৱাৰে বা তেনে মাটিৰ প্ৰয়োজন বিভাগটোৰ নোহোৱা হৈ পৰিছে, তেনেহ'লে সেই মাটি ৰাজ্য চৰকাৰক কেন্দ্ৰীয় বিভাগে ওভতাই দিব লাগে। বি এছ এন এল চৰকাৰে গঠন কৰিছিল টেলিফোন সেৱাৰ ব্যৱসায়ৰ বাবে, ঘৰ ভাড়াৰ ব্যৱসায় কৰাৰ বাবে নহয়। একেদৰেই ৰেল বিভাগৰ কাম হ'ল ৰেল চলাচল কৰোৱা। অসম চৰকাৰৰ পৰা ৰেলৰ কামৰ বাবে আবণ্টিত মাটি কোনো ব্যৱসায়ীক লীজত দিয়াৰ বাবে এই মাটি ৰেল বিভাগক দিয়া হোৱা নাছিল। আনহাতে, ৰেল বিভাগৰ কামো মাটি লীজত দিয়া নহয়, ৰেল ব্যৱস্থাটো পৰিচালনা কৰাহে। কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ বাবে বৰ্তমান ৰেল বিভাগটোও জটিল পৰিস্থিতিৰ দিশে অগ্ৰসৰ হোৱা বুলি অভিযোগ উত্থাপিত হৈছে।

ঘৰ-মাটি ভাড়া বা লীজত দিয়াৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ গৃহ নিৰ্মাণ প্ৰতিষ্ঠান আছে। গতিকে যিবোৰ কেন্দ্ৰীয় বিভাগক ৰাজ্য চৰকাৰে আবণ্টিত কৰা মাটিৰ প্ৰয়োজন নাই, সেইবোৰ মাটি বা গৃহ অবিলম্বে তেনেবোৰ বিভাগে ৰাজ্য চৰকাৰক ওভতাই দিয়া উচিত। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিক লৈ দেশত অধিক বিতৰ্কৰ প্ৰয়োজন আছে। ভাৰতৰ দৰে এখন কল্যাণকামী ৰাষ্ট্ৰত চৰকাৰী সা-সম্পত্তি এইদৰে ব্যক্তিগত খণ্ডক বিক্ৰী কৰি ধন আহৰণ কৰাটো কিমানদূৰ গ্ৰহণযোগ্য তাক লৈ ঐক্যমতৰ প্ৰয়োজন আছে। কিয়নো চৰকাৰী সম্পত্তিসমূহ কোনো এখন চৰকাৰৰ বিশেষৰ সম্পত্তি নহয়, ই দেশৰহে সম্পত্তি। সেয়েহে এনেবোৰ সম্পদৰ ব্যৱহাৰক লৈ ঐক্যমতৰ সৃষ্টি কৰাটো বাঞ্ছনীয়।

# সংকটাপন্ন আমাৰ মাতৃভাষা

## সাম্প্ৰদায়িক ৰাজনীতিৰ নাগপাশৰ পৰা মুক্ত হ'ব পাৰিলেহে ভাষিক অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা পৰিব




দৃষ্টিপাত

অনন্ত কলিতা

**যোৱা** ২১ ফেব্ৰুৱাৰীৰ দিনটোত বিশ্বজুৰি মাতৃভাষা দিৱস পালন কৰিলে। প্ৰতিবছৰে ২১ ফেব্ৰুৱাৰীৰ দিনটোত মাতৃভাষা দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল ইউনেস্কোৱে ১৯৯৯ত। ১৯৫২ৰ ২১ ফেব্ৰুৱাৰীৰ দিনা তদানীন্তন পূব-পাকিস্তানত উৰ্দু ভাষা প্ৰৱৰ্তনৰ বিৰোধিতা কৰি বাংলা ভাষা প্ৰৱৰ্তনৰ দাবীত যি সংগ্ৰাম হৈছিল আৰু সেই সংগ্ৰামত ঢাকা বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ শোভাযাত্ৰাৰ ওপৰত পাকিস্তানী পুলিচৰ গুলিত অনেকজন ছাত্ৰৰ মৃত্যু হৈছিল, সেই ঐতিহাসিক দিনটোকে ইউনেস্কোৱে আন্তৰ্জাতিক মাতৃভাষা দিৱস হিচাপে স্বীকৃতি দিয়ে। এই মাতৃভাষা উপলক্ষে পশ্চিমবংগৰ বিশিষ্ট বুদ্ধিজীৱী পবিত্ৰ সৰকাৰে 'একুশে ফেব্ৰুৱাৰীৰ অৰ্থ' শিৰোনামাৰ তেওঁৰ এটা নিবন্ধত এইদৰে লিখিছিল, 'এতিয়া ঐতিহাসিক পশ্চাৎপ্ৰক্ষেপত বুজা যায়, বাংলাদেশৰ স্বাধীনতা সংগ্ৰামৰ সেই আৰম্ভ বা আৰম্ভৰ আগৰ আৰম্ভ; কিন্তু ইয়াৰ প্ৰতিক্ৰিয়া বাংলাদেশৰ সীমাতে আবদ্ধ নাথাকিল। সেই ঘটনাটো বৈ নাথাকিল এটা জাতিৰ ভূমিকম্পন হিচাপে। ইয়াৰ অৰ্থ বিয়পি পৰিল মানৱ জাতিৰ অস্তিত্বৰ সৰ্বত্ৰ। কাৰণ মানুহ মাত্ৰেই ভাষা আছে আৰু এই ভাষা তেওঁলোকৰ মনুষ্যত্বৰ অভিজ্ঞান। ভাষাৰেই তেওঁলোকৰ সমস্ত যাপন, শিক্ষা-দীক্ষা, সংস্কৃতি-প্ৰৱেশ, কৰ্ম, অগ্ৰগতি, সংগ্ৰাম। এই ভাষাতেই তেওঁলোকৰ সুখ-দুখ-ঘৃণা-ভয়ৰ সংবাদ। এই ভাষাতেই তেওঁলোকৰ বিপুল সৌন্দৰ্যময় এক প্ৰকাশ, যাৰ নাম সাহিত্য। অৰ্থাৎ ভাষা তেওঁলোকৰ সকলো ৰকমৰ মানসিক অস্তিত্বৰ সূত্ৰ। সেই কাৰণে ভাষা যেতিয়া সংকটত নিমজ্জিত, অপমানিত বা বিধ্বস্ত হয়, তেতিয়া জাতিটোৰ অস্তিত্বৰ সংকট আহি পৰে। সেয়ে একৈশ ফেব্ৰুৱাৰী (বা পাছত চিলেটত ঊনৈশ মে') অকল স্থান বা সময়ত আবদ্ধ বিচ্ছিন্ন ঘটনা নহয়, সমগ্ৰ মানুহৰ কাৰণে এটা প্ৰতীক হিচাপে গৃহীত হোৱাৰ নিচিনা ঘটনা। শেষত ইয়াৰ স্বীকৃতি আহিল পৃথিৱীৰ পৰা, ইউনেস্কোৱে ১৯৯৯ত একৈশ ফেব্ৰুৱাৰীক আন্তৰ্জাতিক মাতৃভাষা দিৱস হিচাপে চিহ্নিত কৰাৰ মাজেৰে। যিটো আছিল মাত্ৰ পূৰ্ববংগৰ ভাষা সংগ্ৰাম, যিটো এক সাৰ্থকত পৰিণত হৈছিল স্বাধীন সাৰ্বভৌম গণপ্ৰজাতন্ত্ৰী বাংলাদেশ প্ৰতিষ্ঠাৰ, শেখ মুজিবৰ ৰহমানৰ নেতৃত্বত সংগঠিত হোৱা মুক্তিযুদ্ধৰ দ্বাৰা। স্থানিক কণ্ঠস্বৰ, বাঙালীৰ আৰ্তনাদ আৰু ক্ষুব্ধ প্ৰতিবাদী কণ্ঠস্বৰ, সমগ্ৰ মানুহৰ কণ্ঠস্বৰ হৈ পৰিল।'

'গণশক্তি' নামৰ বাংলা দৈনিক কাকতখনৰ ২০১৬ৰ ২০ ফেব্ৰুৱাৰীত প্ৰকাশিত শনিবৰীয়া 'সমকাল' নামৰ সংযোজনত অশোক দাস নামৰ এজন নিবন্ধকাৰৰ 'একুশের ভাবনা' নামৰ প্ৰবন্ধটোত লিখিছিল, '১৯৬১ৰ মে' মাহত শিলচৰত মাতৃভাষাৰ স্বীকৃতিৰ দাবী কৰি ছহিদ হৈছিল কমলা ভট্টাচাৰ্য, শচীন্দ্ৰ পাল, হিতেশ বিশ্বাস, সুকোমল পুৰকায়স্থ, সত্যেন্দ্ৰ দেব, কানাইলাল নিয়োগী, বীৰেন্দ্ৰ সূত্ৰধৰ, তৰণী দেবনাথ, সুনীল চৰকাৰ, কুমুদ দাস। কাছাৰ-শ্ৰীহট্ট-গোৱালপাৰা অসমৰ লগত যুক্ত হোৱাত বাংলাভাষীসকলে আছিল অসমৰ সংখ্যাগৰিষ্ঠ অংশ। ১৯১১ত অসমৰ মুঠ জনসংখ্যা আছিল ৩৮ লাখ ৪৯ হেজাৰ। ইয়াৰ মাজত অসমীয়াৰ জনসংখ্যা আছিল আঠ লাখ ৩৫ হেজাৰ, হিন্দীভাষী আছিল দুই লাখ ৩৫ হেজাৰ, অন্যান্য পাৰ্বত্য উপজাতি আছিল ১০ লাখ ২১ হেজাৰ। তথাপি ইয়াতে বাংলাভাষা আৰু বংগভাষীসকলৰ ওপৰত নামি আহিছিল আগ্ৰাসন। ইয়াৰ ফলশ্ৰুতিতে ছহিদৰ এই আত্মদান। অসমত বাংলাভাষাৰ স্বীকৃতি আদায় কৰা গ'ল।'

বাঙালী বুদ্ধিজীৱী পবিত্ৰ সৰকাৰে মাতৃভাষা সম্বন্ধে সুন্দৰকৈ স্পষ্টভাৱে কৈছে যে 'ভাষা যেতিয়া সংকটত নিমজ্জিত হয়, অপমানিত হয় বা বিধ্বস্ত হয়, তেতিয়া ইয়াৰ অস্তিত্বৰ প্ৰতি সংকট আহি পৰে।' এই পটভূমিত আমি পৰ্যালোচনা কৰিলে প্ৰতিফলিত হয় যে অসমীয়া ভাষা আজি অসমতে অপমানিত, বিধ্বস্ত হৈছে। গতিকে অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট আহি পৰিছে। মাতৃভাষা দিৱসটো অসমত সৰ্বত্ৰ পালিত নহয় বা অধিকসংখ্যক অসমীয়াভাষীয়ে মাতৃভাষা দিৱসৰ গুৰুত্ব বুজি নাপায়। বিশ্বায়নৰ ধামখুমীয়াত অসমীয়াৰ আজিৰ প্ৰজন্মই মাতৃভাষাৰ প্ৰতি গুৰুত্ব নিদিয়া হৈছে। মাতৃভাষাত পঢ়া-শুনা কৰা যুৱক-যুৱতীৰ সংখ্যাও হ্ৰাস পাইছে। ইংৰাজী মাধ্যমত পঢ়িলেও যে মাতৃভাষা ভালকৈ লিখা তথা পঢ়াৰ অভ্যাস কৰিব লাগে বা কৰিব পাৰি, সেই বিষয়েতো অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীসকলে গুৰুত্ব আৰোপ নকৰে। আমাৰ নিবন্ধৰ অনেক পঢ়ুৱৈয়ে ফোন কৰে যে আপোনাৰ নিবন্ধটো পঢ়ি ভাল লাগিছে, মোৰ নাতিসকলক পঢ়িব দিব বিচাৰিছিলো, কিন্তু সিহঁতে অসমীয়া পঢ়িব নাজানে। আমাৰ দিল্লী, মুম্বাই, পুনে, হায়দৰাবাদ, চেন্নাই আদি ঠাইত আজিৰ প্ৰজন্মৰ অসমীয়া ল'ৰাসকলৰ ঘৰত যোৱাৰ সুযোগ হয় বিভিন্ন সময়ত। অসমীয়া ল'ৰাসকলৰ প্ৰায়ভাগৰে পত্নী অনা-অসমীয়া। অনা-অসমীয়া পত্নীৰ বাবে আপত্তি কৰিবলগীয়া নাই, কিন্তু এনেধৰণৰ প্ৰায়জনৰে ক্ষেত্ৰত দেখিছো এওঁলোকে নিজৰ ল'ৰা-ছোৱালীৰ লগত অসমীয়াত কথা নাপাতে, তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে অৰ্থাৎ সন্তানসকলে তেওঁৰ স্ত্ৰীৰ মাতৃভাষাত বা হিন্দী-ইংৰাজীতহে কথা পাতে। ফলত তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে অৰ্থাৎ সন্তানসকলে অসমীয়া কথা ক'ব নাজানে। অথচ এই অসমীয়া ল'ৰাবোৰৰ সন্তানসকলে মাকৰ ভাষাটো বিশেষকৈ হিন্দী ধুনীয়াকৈ কয়। এই ঘটনাবোৰৰ পৰা সিদ্ধান্তত উপনীত হৈছো যে অসমীয়াসকলে মুখতে দিনে-ৰাতি জাতীয়তাবাদী শ্ল'গান দিয়ে, কিন্তু তেওঁলোকৰ অন্তৰত প্ৰকৃত জাতীয়তাবাদ বা মাতৃভাষাৰ প্ৰেম নাই। আনকি আমি অনেক উগ্ৰ জাতীয়তাবাদী আন্দোলনকাৰী লোকসকলকো দেখিছো, এওঁলোকেও সন্তানসকলৰ লগত মাতৃভাষাত কথা নকয়। গুৱাহাটীৰ ফাঁচীবজাৰলৈ গ'লে হিন্দীভাষীসকলে অসমীয়াত কথা ক'ব নোৱাৰে। আমি অনেক সময়ত প্ৰশ্ন কৰিছো, তোমালোকে অসমীয়া কিয় নোকোৱা। তেওঁলোকে কয় আমাৰ অসমীয়া কোৱাৰ সুযোগ নাই। আমি অসমীয়াত কথা পাতিব খুজিলেও অসমীয়া গ্ৰাহকসকলে অসমীয়া নকয়, হিন্দীতে কথা পাতে আমাৰ লগত।

মই পোন্ধৰ বছৰমান আগতে উত্তৰপ্ৰদেশৰ বৃন্দাবন নগৰত ফাগলা আশ্ৰম নামৰ এখন আশ্ৰমৰ অতিথিশালাত মোৰ সহধৰ্মিণীৰ লগত আছিলো। আশ্ৰমখনৰ ভোজনালয়ত আহাৰ খাব লাগে মাটিত কঠত বহি। আমাৰ শ্ৰীমতীৰ কঁকালৰ বিষ আছে, গতিকে মাটিত বহিব নোৱাৰে। ভোজনালয়খনত এখন মাত্ৰ খোৱাৰ টেবিল আছে। আমি খাবলৈ যোৱাৰ সময়ত এজন ভদ্ৰলোকে তেওঁৰ পত্নী আৰু দুজনী ছোৱালীৰ লগত টেবিলখনত বহি আহাৰ খাই আছে। আমি টেবিলখন খালী হোৱালৈকে অলপ দূৰত থিয় হৈ থাকিছিলো। ভদ্ৰলোকজনে আমাক থিয় হৈ থকা দেখি ছোৱালী দুজনীক হিন্দীতে ক'লে, দুখন আসন এৰি দি মাটিত বহিবলৈ। আমি টেবিলত তেওঁৰ লগতে বহি আহাৰ খালো। আমাক তেওঁ ক'লে, তেওঁ আমেৰিকান নাগৰিক, তেওঁ দ্বিতীয় প্ৰজন্মৰ আমেৰিকান, ছোৱালী দুজনী তৃতীয় প্ৰজন্মৰ। বছৰত এবাৰ ভাৰতলৈ আহে নিজৰ আত্মীয়-কুটুম্বক লগ ধৰিবলৈ। তেওঁৰ ছোৱালী দুজনীৰ লগতো কথা হ'লো। সুন্দৰকৈ হিন্দীতে কথা ক'লে। মই সুধিলো, আপোনালোক আমেৰিকান নাগৰিক দ্বিতীয়-তৃতীয় প্ৰজন্ম

> অসমীয়াভাষী লোক ক্ৰমে ক্ৰমে অসমত হ্ৰাস পাই আহিছে, বিপৰীতে বাংলাভাষী লোক ক্ৰমে ক্ৰমে অসমত বৃদ্ধি হৈ আহিছে। সেইবাবেই 'কা' আইন ভাষিক অসমীয়া জাতিৰ বাবে অশনি সংকেত আৰু ভাষিক অসমীয়া জাতি অসমত সংখ্যাগৰিষ্ঠ জাতি হিচাপে অস্তিত্ব ৰক্ষা কৰিবলৈ হ'লে বা অসমীয়া জাতিৰ সংখ্যাগৰিষ্ঠতাৰ নিশ্চয়তা প্ৰতিপন্ন কৰিবলৈ হ'লে 'কা' আইনৰ ষড়যন্ত্ৰ পৰাজিত কৰিবই লাগিব।

হৈ গ'ল, ইমান সুন্দৰকৈ হিন্দী কৈছে। তেওঁ ক'লে— মাতৃভাষা। আমাৰ মাতৃভাষা কিয় পৰিত্যাগ কৰিম। মই পঢ়িব লিখিব পাৰো হিন্দী। ছোৱালী দুজনীকো শিকাইছো লিখিবলৈ। ঘৰত আমি হিন্দীত কথা কওঁ। বাহিৰত ইংৰাজী কওঁ। হিন্দীভাষী লোক লগ হ'লে হিন্দীতে কথা পাতিব বিচাৰো। মাতৃভাষাৰ প্ৰতি প্ৰেম আৰু ভালপোৱা দেখি তেওঁৰ প্ৰতি মূৰ দোঁৱালো। নিজৰ মাতৃভাষাক ভালপোৱা, উন্নত কৰা, প্ৰচাৰ কৰা উগ্ৰজাতীয়তাবাদ নহয়, এইটো হ'ল প্ৰকৃত জাতীয়তাবাদ। অসমীয়াসকলৰ জাতীয়তাবাদে নাই, কিন্তু উগ্ৰজাতীয়তাবাদী ক্ৰিয়া-কলাপেৰে অসমৰ ক্ষুদ্ৰ জাতিবোৰক অসমীয়াৰ শত্ৰু বনালে। পাহাৰৰ জনসাধাৰণৰ লিংগ্ৱাফ্ৰ্যাংকা (lingua franca) অসমীয়া আছিল। অসমীয়া উগ্ৰজাতীয়তাবাদে এইসকলক আপোন কৰি ল'ব নোৱাৰিলে। হিন্দীভাষীয়েহে তেওঁলোকক আপোন কৰি ল'লে। পাহাৰৰ সংযোগী ভাষা বা সৰ্বজনবোধ্য ভাষা এতিয়া হিন্দী-অসমীয়া নহয়।

শেহতীয়াভাৱে আকৌ ভাষিক অসমীয়া জাতি হিচাপে অৰ্থাৎ অসমত অসমীয়া সংখ্যাগৰিষ্ঠ জাতি হিচাপে বাচি থকাৰ আৱেগ পৰিত্যাগ কৰি হিন্দু জাতি হিচাপেহে বাচি থকাৰ আৱেগহে লৈছে অসমীয়াসকলে। হিন্দুধৰ্মী নহ'লে যেনিবা কোনোলোক অসমীয়া হ'ব নোৱাৰে। বৰ্তমান বিজেপিয়ে শ্ল'গান দিছে অসমীয়া জাতি বাচি থাকিবলৈ হেনো বিদেশী অনা-অসমীয়া হিন্দুলোকসকলক অসমলৈ আমদানি কৰি আনিব লাগিব। এই পটভূমিত বাংলাদেশী হিন্দু প্ৰব্ৰজনকাৰীসকলক নাগৰিকত্ব প্ৰদান কৰিবলৈ 'কা' আইন আনিছে। অসমীয়া ভাষাক দুৰ্যোগপূৰ্ণ সন্ধিক্ষণৰ পৰা ৰক্ষা কৰা আনন্দৰাম ঢেকিয়াল ফুকন, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ বৰুৱাৰ সংগ্ৰামৰ কথা দোহৰা বা জনাৰ বাবে আজিৰ প্ৰজন্মৰ প্ৰয়োজন নাই। দীনদয়াল উপাধ্যায়ৰ, ছাভাৰকাৰৰ, শ্যামাপ্ৰসাদ মুখোপাধ্যায়ৰ আদৰ্শইহে যেন অসমীয়া জাতিক ৰক্ষা কৰিব, এনেকুৱা এক ধাৰণা দিয়াৰ প্ৰচেষ্টা চলিছে। বাংলাদেশত যেনেকৈ পাকিস্তানী চৰকাৰে বাংলা ভাষাৰ অস্তিত্বৰ ওপৰত আঘাত হানিছিল, ঠিক সেইদৰেই অসমত অসমীয়া বুলি এটা ভাষা থাকিব পাৰে, ইয়াৰ অস্তিত্বই নিঃশেষ কৰিব খুজিছিল ব্ৰিটিছ চৰকাৰে। ১৮৭৩ৰ ন এপ্ৰিলৰ দিনাৰ পৰাহে অসমত কেনেকৈ অসমীয়া ভাষা প্ৰৱৰ্তন হ'ল আৰু ইয়াৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকনৰ সংগ্ৰামৰ কথা প্ৰত্যেকজন অসমীয়া ভাষীয়ে জনা উচিত। মাতৃভাষা বাংলাদেশত উদ্ধাৰৰ ঘটনাটো যেনেকৈ প্ৰত্যেকজন বাংলাভাষীয়ে স্মৰণ কৰে, অসমীয়াসকলেও মাতৃভাষা দিৱস পালনৰ মাজেৰে ১৮৭৩ৰ ১৯ এপ্ৰিলৰ দিনটোত কেনেকৈ ব্ৰিটিছৰ ষড়যন্ত্ৰৰ পৰা অসমীয়া ভাষা উদ্ধাৰ হ'ল সেইটো স্মৰণ কৰা উচিত। এই পটভূমিতে ধৰ্ম-জাতি নিৰ্বিশেষে অসমীয়া ভাষাক মাতৃভাষা হিচাপে গ্ৰহণ কৰাসকলে অসমীয়া ভাষা শক্তিশালী কৰাৰ সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হোৱাৰ প্ৰয়োজন। ধৰ্মৰ নামত অসমীয়াসকলক বিভেদ কৰি অসমীয়া জাতি ধ্বংস কৰিব খোজাসকলৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰা তথা এইসকলৰ বিৰুদ্ধে সৰ্বশক্তিৰে ঐক্যবদ্ধভাৱে যুঁজ দিয়াৰ বাবেও প্ৰতিজ্ঞাবদ্ধ হোৱাটো জৰুৰী ভাষা দিৱসৰ দিনা সকলো অসমীয়াই। হিন্দু জাতিৰ আৱেগত অনেক অসমীয়াই ভাষিক অসমীয়া জাতিৰ কথা পাহৰিছেই। অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমীয়া কাকত বিলুপ্তিকৰণত নিশ্চয় অসমীয়া ভাষা অপমানিত হৈছে। আগতে আই এ এছ আই পি এছ বিষয়াসকলে বাধ্যতামূলকভাৱে অসমীয়া ভাষা শিকিব লাগিছিল, ক'বও পাৰিব লাগিছিল। লোকসেৱা আয়োগত অসমীয়া কাকত উঠাই দিয়া মানে আই, এ এছ, আই পি এছ বিষয়াসকলে এতিয়া অসমীয়া নিশিকিলেও হ'ব, ক'ব নাজানিলেও হ'ব হিন্দী ভাষাতে কাম-কাজ চলাই নিব পাৰিব। অসমীয়া ভাষাৰ প্ৰচলন, ব্যৱহাৰ আদি হ্ৰাসকৰণৰ দ্বাৰা অসমীয়া ভাষাক বিধ্বস্ত কৰা হৈছে। তদুপৰি অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়াভাষিক জাতিত সংমিশ্ৰণ হৈ যোৱা লোকসকলক হিন্দুত্ববাদী সাম্প্ৰদায়িকতাৰ ভিত্তিত আঁতৰাই দিয়াৰ পদক্ষেপৰ দ্বাৰা ভাষিক অসমীয়া জাতিক অসমতে সংখ্যালঘুত পৰিণত কৰি অস্তিত্বহীন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ইতিমধ্যে অসমীয়াভাষী লোকৰ সংখ্যা ক্ৰমে ক্ৰমে প্ৰতি লোকপিয়লতে হ্ৰাস হৈছে এইদৰে— ১৯৭১ত আছিল ৬০.৮৯ শতাংশ, ১৯৯১ত ৫৭.৮১ শতাংশ, ২০০১ত ৪৮.৮০ শতাংশ, ২০১১ত ৪৮.৩৮ শতাংশ। বিপৰীতে অসমত বাংলাভাষী লোকৰ সংখ্যা ১৯৭১ত আছিল ১৯.৮৫ শতাংশ, ২০০১ৰ লোকপিয়লত বৃদ্ধি হয় ২৭.৫৪ শতাংশলৈ আৰু ২০১১ৰ লোকপিয়লত বৃদ্ধি হয় ২৮.৯২ শতাংশলৈ। অসমৰ বাবে বা অসমীয়া জাতিৰ বাবে বিপজ্জনক কথা হ'ল, অসমীয়াভাষী লোক ক্ৰমে ক্ৰমে অসমত হ্ৰাস পাই আহিছে, বিপৰীতে বাংলাভাষী লোক ক্ৰমে ক্ৰমে অসমত বৃদ্ধি হৈ আহিছে। সেইবাবেই 'কা' আইন ভাষিক অসমীয়া জাতিৰ বাবে অশনি সংকেত আৰু ভাষিক অসমীয়া জাতি অসমত সংখ্যাগৰিষ্ঠ জাতি হিচাপে অস্তিত্ব ৰক্ষা কৰিবলৈ হ'লে বা অসমীয়া জাতিৰ সংখ্যাগৰিষ্ঠতাৰ নিশ্চয়তা প্ৰতিপন্ন কৰিবলৈ হ'লে 'কা' আইনৰ ষড়যন্ত্ৰ পৰাজিত কৰিবই লাগিব। আজিৰ প্ৰজন্মই মাতৃভাষা দিৱস পালনতকৈ ভেলেণ্টাইন ডে', কিচ্ ডে', হাগ ডে', নিউ ইয়াৰ্ছ ডে' আদি পালনত বেছিকৈ মত্ত হোৱা দেখা যায়। উল্লিখিত 'গণশক্তি' কাকতখনৰে ২০১৬ ৰ ১৭ ফেব্ৰুৱাৰীত প্ৰকাশ পোৱা মন্দাক্ৰান্ত সেনৰ 'বাংলাৰ কথা বাপু' নামৰ এক নিবন্ধ পঢ়ি খুব ভাল লাগিল। মাতৃভাষাৰ প্ৰতি ভালপোৱা কেনে হ'ব লাগে সুন্দৰভাৱে প্ৰকাশ কৰিছে। বাংলাভাষীসকলৰ পৰা অসমীয়াই শিকিব লাগে মাতৃভাষাক কেনেধৰণে ভাল পাব লাগে। প্ৰবন্ধটোৰ সেই বিশেষ স্তৱকটো বাংলাভাষাতে উদ্ধৃত কৰিলো, 'একুশে ফেব্ৰুয়াৰিৰ গভীৰ আবেগে আমাৰ প্ৰাণেৰ ভাষা বাংলাকে আমৰণ ভালোবেসে ধন্য হয়ে যাই। ভাষাৰ জন্যে লড়াইয়ে শামিল হয়েছিল একটা দেশ। হৰফেৰ কান পাশে হৰফ বসানোৰ দাবিতে উত্তাল এক সংগ্ৰাম। ভাবলে গায়ে কাটা দেয়। যে ভাষাৰ জন্যে এই ৰোখ, সেই ভাষাতে আমিও কথা বলি, একি কম গৰ্ব? আমাৰ মাতৃভাষা সাৰা পৃথিবীৰ মাতৃভাষা দিবসেৰ অনুপ্ৰেৰণা, ভাবলে গৌৰবে মাথা উচু হয়ে ওঠে।' হিন্দুত্ববাদীসকলৰ প্ৰৰোচনাৰ বলি নহৈ সাম্প্ৰদায়িক ৰাজনীতিৰ নাগ পাশৰ পৰা মুক্ত হ'ব পাৰিলেহে ভাষিক অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা পৰিব।

*ফোন ঃ ৯৪৩৫০৪১২০৩*

# খোলা মঞ্চ

## সীমা সমস্যাৰ বাবে কেৱল অসমেই দায়ীনে?



**বৰ** অসমৰ বৰ চোতালৰ পৰা এজনী এজনীকৈ সাতভনী আঁতৰি গ'ল। নিজৰ নিজৰ দুখ, ক্ষোভ, হতাশাত। ওপজা ভূমি অৰ্থাৎ শিপা এৰি গ'লেও তেওঁলোকে সমূলঞ্চে পাহৰা নাই অসমক, অসমীয়াক। কিন্তু সেই যে নিজৰ ঘৰখন এৰি নিলগে থকাৰ সিদ্ধান্ত ল'লে বা বেলেগ হ'বলৈ মন কৰিলে সেই তেতিয়াই আঁতৰি যোৱাসকলক সম্পত্তিৰ, মাটি-বাৰীৰ ভাগ কৰি বাপেকে যেনেদৰে সীমা বান্ধি দিয়ে তদ্ৰূপ চুবুৰীয়া ৰাজ্যসমূহৰ সীমা তেতিয়াই ঠিক কৰিব লাগিছিল। কিন্তু এলাহত, হ'ব দে, থাকক বুলি গা এৰা দিওঁতে দিওঁতে এতিয়া জোঁৰ পুৰি হাত পালেহি। চুবুৰীয়া ৰাজ্যসমূহে এডেও-দুডেও লোটা নিয়াৰ ছেও ধৰি তেওঁলোকৰ সীমা অসমৰ ভূমিলৈ ক্ৰমাৎ প্ৰসাৰিত কৰি আনিছে। তেওঁলোক আগ্ৰাসী। এইখন অসমৰে যে তেওঁলোক বাসিন্দা আছিল, এই অসমতে তেওঁলোকৰ মূল শিপা লালিত-পালিত সেই কথা পাহৰি যায়। আমাৰ অসমলৈ আহিবলৈ তেওঁলোকক অনুমতিৰ প্ৰয়োজন নাই। কিন্তু তেওঁলোকৰ ৰাজ্যলৈ যাবলৈ হ'লে আমি সীমান্তত বোন্দা পৰ দি অনুমতি ল'ব লাগে। চুবুৰীয়া ৰাজ্যসমূহৰ দুৱাৰমুখ হ'ল গুৱাহাটী। আমাৰ যে কথিত ভাষাত কয় বোলে 'নগাৰ চাং তলে বাট' বহিঃবিশ্বলৈ যাবলৈ হ'লে তেওঁলোকে গুৱাহাটী অবিহনে যাব নোৱাৰে। সেই কথা তেওঁলোকে পাহৰি যায়। নিজৰ নিজৰ ৰাজ্যত তেওঁলোক এক। কিন্তু আমাৰ মানুহবোৰৰ ভিন্ন মত। জাতীয় স্বাৰ্থত, জাতীয় প্ৰশ্নতো আমি মতপাৰ্থক্য পাহৰি একগোট হ'ব নোৱাৰো।

**জুৰি শইকীয়া, লেখিকা**

আজোককাই কৰি যোৱা ভুলৰ পৰিনাতিয়ে শাস্তি ভুগিব লাগিব বুলি মূৰ্খইহে কয়। অতীতত যি হ'ল হৈ গ'ল। তাৰ বাবে আমি মৈদাম বা শ্মশান খুচৰি পূৰ্ব পুৰুষক দোষাৰোপ কৰি নিজৰ দায়িত্ব পালনৰ পৰা পলায়ন কৰাৰ মনোভাৱ ত্যাগ কৰিব লাগিব। সম্প্ৰতি নেডাৰ মুখ্য নেতাজন অসমৰে। ৰাজনৈতিক স্বাৰ্থত যদি অসম, অৰুণাচল, নগাৰাজ্য আদি এক হ'ব পাৰে তেনেহ'লে সীমা সমস্যা সমাধানৰ বেলিকাও আলোচনাৰ প্ৰক্ৰিয়াৰে ঐক্যমতত উপনীত হ'ব নোৱাৰাৰ কোনো কাৰণ নাই। চুবুৰীয়া ৰাজ্যৰ বাসিন্দাসকল আঁকোৰ-গোঁজ হ'লেও তেওঁলোক সহজ-সৰল। আচল কথা হ'ল অসমৰ ৰাজনৈতিক নেতাসকলৰ চূড়ান্ত দায়িত্বহীনতা, আওকণীয়া মনোভাৱৰ বাবেই সীমা সমস্যা সমাধান হোৱা নাই। কাৰণ সমস্যাবোৰ যদি শেষেই হয় তেতিয়াহে লেতেৰা ৰাজনীতি কেনেকৈ কৰিব? সেই কাৰণে সমস্যাবোৰ জীয়াই থাকিব লাগে। ৰাজনৈতিক নেতাবোৰ তেহে জীয়াই থাকিব। অসমত ইমান দক্ষ, সাহসী ৰাজনৈতিক নেতা থাকোতেও সমস্যা সমাধান নোহোৱাটো আমাৰে দুৰ্ভাগ্য।

# ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আৰু আমাৰ কিছু চিন্তা

**মুনীন্দ্ৰ পেগু**




**২৮** ফেব্ৰুৱাৰী দিনটো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস। উক্ত দিনটোত সমগ্ৰ ভাৰতবৰ্ষৰ সকলো শিক্ষানুষ্ঠানকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰিব। চৰকাৰীভাৱেও উক্ত কাৰ্যসূচী উদ্‌যাপন কৰিব; কিন্তু এইখিনিতে প্ৰশ্ন হ'ল যে আমি কিমানে বিজ্ঞান ভাল পাওঁ নাইবা বিজ্ঞানৰ প্ৰতি আকৰ্ষিত হ'ব পাৰিছো বা ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানমুখী কৰিব পাৰিছো?

আমি প্ৰত্যেকেই এটা সাংস্কৃতিক পৰিৱেশত বাস কৰো য'ত দুই ধৰণৰ ব্যক্তিত্বৰ লোক দেখিবলৈ পোৱা যায়। এচামে বিজ্ঞানে ঢুকি নোপোৱা বিমূৰ্ত বস্তুক বিশ্বাস কৰি আধ্যাত্মিক বাট অনুসৰণ কৰে আৰু আনচামৰ আকৌ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই কৰি দিয়া সুবিধাবোৰৰ প্ৰতি আকৰ্ষণ বৃদ্ধি হৈছে, যি সকলে প্ৰযুক্তিবিদ্যাৰ মূৰ্ত মৰীচিকাক বিশ্বাস কৰি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ দৰে অনুষ্ঠান উদ্‌যাপন কৰি আনন্দ উপভোগ কৰে।

মানুহৰ দৈনন্দিন জীৱনত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই প্ৰদান কৰা সা-সুবিধাবোৰৰ বিশেষত্বৰ বিষয়ে সাধাৰণ লোকৰ মাজত জনপ্ৰিয়তা আৰু বাৰ্তা প্ৰেৰণ কৰাৰ উদ্দেশ্যে ভাৰত গৌৰৱ, আন্তৰ্জাতিক খ্যাতি সম্পন্ন বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকট ৰমণৰ 'ৰমণ পৰিঘটনা' সৃষ্টিৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। ১৯২৭ত কৰা তেওঁৰ সৃষ্টিৰ বাবে ১৯৩০ত তেওঁক পদাৰ্থ বিজ্ঞানৰ ন'বেল বটা প্ৰদান কৰিছিল। এইখিনিতে ৰমণ পৰিঘটনাৰ বিষয়ে চমুকৈ উল্লেখ কৰিলো। ৰমণৰ মতে-কিছুমান জুলীয়া বা তৰল পদাৰ্থৰ মাজেদি দৃশ্যপোহৰ বা ফ'টন কণা অগ্ৰসৰ হ'লে তৰল মাধ্যমৰ অণুবিলাকৰ স'তে সংঘাত হয়। আনহাতে, তৰল পদাৰ্থ মাধ্যমৰ অণুবোৰ সকলো অৱস্থাতে নানা ধৰণেৰে কঁপি থাকে। এই মাধ্যমৰ অণুবোৰ ভিন ভিন শক্তি স্তৰত থাকে বাবে ৰমণে ধাৰণা কৰে যে অণুবোৰৰ শক্তি অৱস্থাভেদে সংঘাত হোৱা বিচ্ছুৰিত পোহৰ ৰশ্মিৰ কম্পনাংক সামান্য পৰিমাণে বাঢ়ে বা কমে। ইয়াৰ ফলত পোহৰৰ বিকিৰণ ঘটে। আচলতে তৰল পদাৰ্থৰ অণুবিলাকৰ কম্পন আৰু ঘূৰ্ণন শক্তিয়ে কৰা আন্তঃক্ৰিয়াত ফ'টনবোৰৰ শক্তি সামান্য সালসলনি হয় বাবে বিচ্ছুৰিত হয়। ফ'টনৰ শক্তি সলনি হ'লে পোহৰৰ বৰণো সলনি হয়। উদাহৰণ স্বৰূপে হালধীয়া পোহৰত থকা ফ'টন কণিকাতকৈ সেউজীয়া পোহৰত থকা ফ'টন কণিকাৰ শক্তি বেছি। মূলতঃ আপতিত ৰশ্মি আৰু বিচ্ছুৰিত ৰশ্মিৰ ৰং একে নহয়। আপতিত ৰশ্মিৰ ৰং সেউজীয়া হোৱাৰ বিপৰীতে বিচ্ছুৰিত ৰশ্মিৰ ৰং ৰঙা বা নীলা হয়। এনে দ্বিমুখী পৰিঘটনাই হ'ল 'ৰমণ পৰিঘটনা'।

ভাৰতৰ বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰণালয়ৰ কেন্দ্ৰীয় মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে ২০২২ বৰ্ষৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল বিষয় বস্তু ঘোষণা কৰিছে। সেইটো হৈছে — 'বহনক্ষম ভৱিষ্যতৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত সংহত দৃষ্টিভংগী'। তেওঁ উল্লেখ কৰিছে যে দেশত থকা বিভিন্ন বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ অনুষ্ঠান- প্ৰতিষ্ঠানবোৰে উক্ত বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি সহযোগিতাৰে কাৰ্য সম্পাদন কৰিব, যাতে বিজ্ঞানৰ ক্ষেত্ৰখনত ভাৰতবৰ্ষই আৰু অধিক বৰঙণি যোগাব পৰা যায়।

মানৱ সমাজৰ কল্যাণৰ অৰ্থে বিজ্ঞানৰ ক্ষেত্ৰখনত হোৱা প্ৰত্যেকটো কাৰ্যকলাপ, প্ৰচেষ্টা আৰু সফলতাবোৰ প্ৰদৰ্শন কৰা। বিজ্ঞানৰ উন্নতিৰ বাবে নতুন প্ৰযুক্তিৰ প্ৰয়োগ আৰু সকলো বৈজ্ঞানিক বিষয় বা সমস্যাৰ ওপৰত আলোচনা কৰা। দেশৰ বিজ্ঞানমনস্ক নাগৰিকসকলক উপযুক্ত সুযোগ আৰু মঞ্চ দিয়া। মানুহৰ দৈনন্দিন জীৱনত বিজ্ঞানৰ ব্যৱহাৰৰ গুৰুত্বৰ বিষয়ে সকলো শ্ৰেণীৰ লোকলৈ বাৰ্তা প্ৰেৰণ কৰা। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জনপ্ৰিয়তাৰ বাবে সকলো জনগণক বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ প্ৰদান কৰা ইত্যাদি কথাবোৰ আমি প্ৰত্যেকেই গুৰুত্ব সহকাৰে চিন্তা কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। বিজ্ঞান নহ'লে আমি বৰ্তমান এখোজো আগবাঢ়িব নোৱাৰো। প্ৰত্যেকেই এই বিষয়ত উপলব্ধি কৰিব লাগিব। তেতিয়াহে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপনৰ সাৰ্থকতা থাকিব।

*ফোন ঃ ৭০০২৫৯৯৫০৭*

# সকলো বিভাগৰ কাৰ্যালয় একে স্থানত উপলব্ধ হোৱাৰ সুবিধা

**বিভাগীয় সৰু সৰু কাৰ্যালয় উপায়ুক্তৰ কাৰ্যালয় চৌহদত হ'লে টেবুলৰ তলেদি চলা কাৰ্যসমূহো নিশ্চয়কৈ বন্ধ হ'ব। কাৰণ সকলো বিষয়া-কৰ্মীয়ে নিজৰ নিজৰ টেবুলৰ ফাইলসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰেৰণ কৰিবই লাগিব।**

**গোপাল জালান**

**মুখ্যমন্ত্ৰী** ড° হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াভাৱে ঘোষণা কৰিছে যে সৰু সৰু কাৰ্যালয় (বিভিন্ন বিভাগৰ)সমূহ জিলা উপায়ুক্তৰ কাৰ্যালয় চৌহদত স্থাপন কৰিব। নিঃসন্দেহে এয়া এক আদৰণীয় পদক্ষেপ। কাৰণ সাধাৰণ ৰাইজে কেতিয়াবা সাধাৰণ কাম এটা— যিটো এঘণ্টামানৰ ভিতৰতে সম্পাদন কৰাটো সম্ভৱ তেনে কামৰ বাবে বিভাগীয় কাৰ্যালয়ৰ দুৱাৰে দুৱাৰে তাঁত-বাটি কাঢ়িবলগীয়া হয়। এটা বিভাগৰ কাৰ্যালয়ৰ পৰা আন এটালৈকে যাবলৈ বহু সময়ৰ প্ৰয়োজন হয়। তদুপৰি এটা বিভাগৰ পৰা সামান্য কাম এটাৰ ফাইল বা কাগজ এখন উপায়ুক্তৰ কাৰ্যালয় পাবলৈ এমাহ-দুমাহ বাদেই, কেতিয়াবা এবছৰ-দুবছৰ পৰ্যন্ত লাগে। যদি এগৰাকী ব্যক্তিৰ ক্ষেত্ৰতে এনে অৱস্থাৰ সৃষ্টি হয় তেনেহ'লে হেজাৰ হেজাৰ লোকৰ কাম সম্পাদন কৰিবলৈ কিমান সময়ৰ প্ৰয়োজন হ'ব সেয়া ভাবিলেই আচৰিত লাগে। বিগত সময়ছোৱাত এনেদৰেই কাম সম্পাদন হৈ আহিছে। ইয়াৰ ফলত ব্যক্তিগত কামৰ কথা বাদেই, ৰাজহুৱা কামসমূহো বিলম্ব হোৱাত উন্নয়নত ব্যাঘাত জন্মে। এখন সমাজৰ উন্নয়নৰ বাবে ৰাইজৰ লগতে সমাজখনৰ প্ৰতিগৰাকী ব্যক্তিৰ উন্নতি হ'ব লাগিব। এতিয়াৰে পৰা বিভাগীয় সৰু সৰু কাৰ্যালয় উপায়ুক্তৰ কাৰ্যালয় চৌহদত হ'লে টেবুলৰ তলেদি চলা কাৰ্যসমূহো নিশ্চয়কৈ বন্ধ হ'ব। কাৰণ সকলো বিষয়া-কৰ্মীয়ে নিজৰ নিজৰ টেবুলৰ ফাইলসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰেৰণ কৰিবই লাগিব।

উপায়ুক্তই সদায় এক নিৰ্দিষ্ট সময়ত বিভিন্ন বিভাগৰ ফাইলসমূহ নিজৰ টেবুলত দিবলৈ নিৰ্দেশনা জাৰি কৰিলে সকলোৱে এনে কৰিবলৈ বাধ্য হ'ব। প্ৰায়সংখ্যক বিভাগৰ সৰু সৰু কাৰ্যালয়সমূহত দীৰ্ঘদিন ধৰি কাম নকৰাকৈ থৈ দিয়াটো ইমান দিনে এক পৰম্পৰা হিচাপে চলি আহিছিল। এদিনত কৰিব পৰা কামটোও দুই-তিনিমাহ লগোৱাৰ কোনো প্ৰয়োজন নাই। কৰ্মীসকলৰ এলাহ নে আন কোনো কাৰণ থাকে, সেয়া সহজে অনুমান কৰিব নোৱাৰি। তদুপৰি সৰু সৰু কাৰ্যালয়সমূহৰ মাজত যদি দূৰত্ব বেছি থাকে, তেনেহ'লে এটাৰ পৰা আনটোলৈ ফাইল এটি যাবলৈ কে'বামাহ, বছৰৰ প্ৰয়োজন হয়। ক'ৰবাত যদি মানুহ কম থকা বুলি কয়, আন ক'ৰবাত আকৌ কৰ্মচাৰীৰ উপস্থিতি সেৰেঙা বাবে এনেবোৰ কাম সময়মতে কৰিব নোৱাৰা হয়।

জিলা পৰ্যায়ত সম্পাদন কৰিব পৰা কামখিনি যদি সময়মতে উপায়ুক্তৰ টেবুল গৈ পায় তেনেহ'লে সকলোৱেই উপকৃত হ'ব পাৰে। এতিয়াৰে পৰা যদি উপায়ুক্তৰ কাৰ্যালয়ৰ চৌহদতে এইবোৰ কাৰ্যালয় থাকে, তেনেহ'লে উপায়ুক্তয়ো যিকোনো সময়তে এইবোৰ বিচাৰিব পাৰিব। তদুপৰি উপায়ুক্তৰ টেবুললৈ যদি সদায় এক নিৰ্দিষ্ট সময়ত প্ৰতিটো বিভাগৰ ফাইলবোৰ আহে, তেনেহ'লে সেইবোৰ ভালদৰে পৰীক্ষা কৰাটো সম্ভৱ হ'ব। উপায়ুক্তয়ো কঠোৰ নিৰ্দেশনা জাৰিৰে বিভিন্ন বিভাগৰ পৰা প্ৰয়োজনীয় তথা গুৰুত্বপূৰ্ণ ফাইলসমূহ সদায় নিৰ্দিষ্ট সময়ত জমা দিবলৈ ক'লে প্ৰতিগৰাকী কৰ্মীয়ে নিজৰ কাৰ্য সম্পাদন কৰিবলৈ বাধ্য হ'ব।

যিহেতু উপায়ুক্তই সকলোবোৰ তদাৰক কৰিব লাগিব, সেয়েহে তেওঁৰ বাসগৃহও এই কাৰ্যালয়ৰ সমীপতে হ'লে বেছি লাভ হ'ব। কাৰণ যদি উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা বাসগৃহৰ মাজত দূৰত্ব বেছি হয়, তেনেহ'লে অহা-যোৱা কৰোতে বেছি হ'লে প্ৰয়োজন হ'লেও কাৰ্যালয়ত অধিক সময় থকাটো সম্ভৱ নহ'ব। তদুপৰি কৰ্মচাৰীসকলৰ বাবেও সমস্যাৰ সৃষ্টি নোহোৱাকৈ নাথাকিব।

যদিহে উপায়ুক্তৰ কাৰ্যালয় চৌহদত প্ৰায়সংখ্যক কাৰ্যালয় উপলব্ধ হয়, তেনেহ'লে ৰাইজৰ আটাইতকৈ বেছি লাভ হ'ব। কাৰণ যাতায়াতৰ ক্ষেত্ৰত লাভান্বিত হয়। যদি কোনো এগৰাগী ব্যক্তিয়ে কোনো এটা কামৰ বাবে তিনিটা বিভাগৰ কাৰ্যালয়লৈ বেলেগে বেলেগ পথেৰে যাবলগীয়া হয় তেনেহ'লে অৰ্থৰ লগতে সময়ৰো প্ৰয়োজন হ'ব। দুখীয়া ৰাইজে এটা কামৰ বাবে যেতিয়া বেলেগ বেলেগ কাৰ্যালয়লৈ যাবলগীয়া হয়, তেতিয়া তেওঁৰ অৰ্থ-ব্যয়ো হ'ব। তদুপৰি যাতায়াত কৰোতে অপ্ৰয়োজনীয়ভাৱে ব্যয় কৰা সময়ো ৰাহি হ'ব। এনেদৰে যদি হেজাৰ হেজাৰ ব্যক্তিৰ সময় আৰু অৰ্থ ৰাহি হয়, তেনেহ'লে সমাজৰ সামগ্ৰিক উন্নতিত সহায়ক হ'ব। আনহাতে, একেলগে আটাইবোৰ কাৰ্যালয় হ'লে সৌন্দৰ্যবোধো হ'ব। পৰিপাটি আৰু সৌন্দৰ্যবোধ সমানে যেতিয়া ৰাইজৰ দৃষ্টিত পৰিব, তেতিয়া ঠাইখনো দেখাত ভাল হ'ব। সেইবাবে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এই পদক্ষেপক সকলোৱে আদৰণি জনাইছে।

*ফোন ঃ ৯৪৩৫১-০৩৯৭৭*

দৈনিক অগ্ৰদূত

# দেশ-দেশান্তৰ



## অ'মিক্ৰনত আক্ৰান্ত হোৱাৰ ফলতে দিল্লীত ৮০ শতাংশৰ মৃত্যু ঃ প্ৰতিবেদনৰ তথ্য



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰী ঃ** দেশৰ অন্যান্য ৰাজ্যৰ লগতে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীতো ক'ভিড-১৯ৰ সংক্ৰমণ যথেষ্ট হ্ৰাস পাইছে। ক'ভিড সংক্ৰমণ হ্ৰাস পোৱাৰ লগে লগে পূৰ্বে আৰোপ কৰা ক'ভিড বিধিও ৰাজধানী চহৰখনত শিথিল কৰা হৈছে। শেহতীয়াভাৱে প্ৰকাশিত ক'ভিড বিষয়ক এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি যোৱা ২২ ফেব্ৰুৱাৰীলৈকে দিল্লীত যিমান সংখ্যক লোকৰ কৰ'নাত মৃত্যু হৈছিল, তেওঁলোকৰ ৮০ শতাংশৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ প্ৰত্যক্ষ হৈছিল। ৰাজধানীত মৃত্যু হোৱা ২৩৯ ক'ভিড মৃতকৰ নমুনা পৰীক্ষা কৰি লাভ কৰা তথ্য অনুসৰি এইসকল মৃতকৰ ১৯১ জনে অ'মিক্ৰনত সংক্ৰমিত হৈছিল। উল্লেখ্য যে কিছুদিন পূৰ্বে বৃহনমুম্বাই পৌৰ নিগমৰ দ্বাৰা প্ৰকাশিত এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি মুম্বাইত শেহতীয়াভাৱে কৰ'নাত মৃত্যু হোৱা লোকসকলৰ ৯৫ শতাংশৰ শৰীৰত অ'মিক্ৰনৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল।

## সুৰাপানত দেশৰ ভিতৰতে শীৰ্ষত চত্তিছগড়, উত্তৰ-পূবৰ দুই ৰাজ্যও তালিকাত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰী ঃ** ক্ৰিছিল নামৰ সংস্থাটোৱে প্ৰকাশ কৰা এক প্ৰতিবেদনৰ তথ্য অনুসৰি ভাৰতৰ প্ৰায় ১৬ কোটি লোকে নিয়মীয়াকৈ সুৰাপান কৰি আহিছে। এইসকল সুৰাপায়ীৰ ৯৫ শতাংশই হৈছে পুৰুষ আৰু তেওঁলোকৰ বয়স হৈছে ১৮ৰ পৰা ৪৯ বছৰৰ ভিতৰত। ক্ৰিছিলৰ এই প্ৰতিবেদনত উল্লেখ কৰা মতে, ২০২১ বৰ্ষত ভাৰতৰ পাঁচখন ৰাজ্যৰ বাসিন্দাই মুঠ ৪৫ শতাংশ সুৰা পান কৰিছিল। দেশৰ ভিতৰতে সৰ্বাধিক সুৰা পান কৰা লোক চত্তিছগড়ত আছে। প্ৰায় ৩০ নিযুত জনসংখ্যাৰ ৰাজ্যখনৰ ৩৫.৬ শতাংশ লোকে নিয়মীয়াকৈ সুৰাপান কৰি আহিছে। আনহাতে, সুৰাপানৰ তালিকাত দেশৰ ভিতৰতে দ্বিতীয় স্থানত থকা ত্ৰিপুৰাত ৩৪.৭ শতাংশ লোকে সুৰাপান কৰে। এইসকল লোকৰ ১৩.৭ শতাংশ নিয়মিত সুৰাপান কৰি আহিছে। তৃতীয় স্থানত থকা অন্ধ্ৰপ্ৰদেশত ৩৪.৫ শতাংশ লোকে সুৰাপান কৰে। একেদৰে তালিকাত চতুৰ্থ স্থানত আছে পঞ্জাৱ। ৩০ নিযুত জনসংখ্যাৰ পঞ্জাৱত ২৮.৫ শতাংশ লোকে সুৰাপান কৰি আহিছে। এইসকল সুৰাপায়ীৰ ৩৫ শতাংশ হৈছে নিয়মীয়া সুৰাপায়ী। অৰুণাচল প্ৰদেশৰ ২৮ শতাংশ লোকে সুৰাপান কৰে আৰু তালিকাত ৰাজ্যখন পঞ্চম স্থানত আছে।

## ৰাছিয়া-ইউক্ৰেইন সংঘাতৰ মাজতে পুনৰ ক্ষেপণাস্ত্ৰ নিক্ষেপ উত্তৰ কোৰিয়াৰ



**নিউজ ব্যুৰ', পিয়ংইয়ং, ২৭ ফেব্ৰুৱাৰী ঃ** উত্তৰ কোৰিয়াই প্ৰায় এমাহ বিৰতিৰ পাছতে আজি পুনৰ সমুদ্ৰলৈ নিক্ষেপ কৰিলে বেলিষ্টিক ক্ষেপণাস্ত্ৰ। ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ অব্যাহত ৰখাৰ সময়তে কীম জং উনৰ দেশখনে দেওবাৰে সমুদ্ৰত বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ সম্পূৰ্ণ কৰিলে। উল্লেখ্য যে চলিত বৰ্ষত উত্তৰ কোৰিয়াই অষ্টমবাৰৰ বাবে আৰু যোৱা ৩০ জানুৱাৰীৰ পাছত প্ৰথমবাৰৰ বাবে যুদ্ধাস্ত্ৰৰ পৰীক্ষণ সম্পন্ন কৰিলে। উত্তৰ কোৰিয়াৰ প্ৰতিবেশী ৰাষ্ট্ৰ দক্ষিণ কোৰিয়াই আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি উত্তৰ কোৰিয়াই নিক্ষেপ কৰা এই বেলিষ্টিক ক্ষেপণাস্ত্ৰই তিনিশ কিলোমিটাৰ উচ্চতালৈকে উৰণ মৰাৰ পাছত প্ৰায় ৬০০ কিলোমিটাৰ দূৰত্বত থকা সমুদ্ৰৰ লক্ষ্যস্থানত আঘাত হানিছিল।

## ইউক্ৰেইনৰ মন্ত্ৰীৰ আহ্বানত ষ্টাৰলিংকৰ সেৱা সক্ৰিয় কৰিলে মাস্কে



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৭ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ আক্ৰমণৰ বিৰুদ্ধে অকলে যুঁজ দিয়া ইউক্ৰেইনক সহায়ৰ হাত আগবঢ়ালে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কে। স্পেচ এক্সৰ মুখ্য কাৰ্যবাহী বিষয়া মাস্কে তেওঁৰ কোম্পানী ষ্টাৰলিংকৰ ছেটেলাইট ব্ৰ'ডবেণ্ড সেৱা ইউক্ৰেইনত সক্ৰিয় কৰি দিলে। উল্লেখ্য যে ইউক্ৰেইনৰ উপ-প্ৰধানমন্ত্ৰী মিখাইল' ফেড'ৰ'ভই ষ্টাৰলিংকৰ ইণ্টাৰনেট সেৱা ইউক্ৰেইনত উপলব্ধ কৰিবলৈ মাস্কক অনুৰোধ জনাইছিল আৰু মন্ত্ৰীজনৰ এই অনুৰোধ ৰক্ষা কৰি আজি ষ্টাৰলিংকে ইউক্ৰেইনত ষ্টাৰ লিংকৰ সেৱা সক্ৰিয় কৰি দিলে।

### ইণ্ডিয়ান ইনষ্টিটিউট অব্ টেকন'লজি কানপুৰৰ গৱেষকৰ দাবী ঃ পূৰ্বে দুবাৰকৈ হৈছিল সত্য প্ৰমাণিত

# দেশত জুনত আগমন ঘটিব ক'ভিডৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰী ঃ** বিশ্বৰ লগতে ভাৰততো ক'ভিডৰ সংক্ৰমণ সম্প্ৰতি নিয়ন্ত্ৰণত আছে। এনে সময়তে বিজ্ঞানীসকলে ঘোষণা কৰা অনুসৰি ভাৰতত ক'ভিডৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ আগমন ঘটাটো নিশ্চিত। ইণ্ডিয়ান ইনষ্টিটিউট অব্ টেকন'লজি (আই আই টি) কানপুৰৰ বিজ্ঞানীয়ে এই কথা প্ৰকাশ কৰি দাবী কৰা অনুসৰি ভাৰতত ক'ভিডৰ চতুৰ্থটো ঢৌৰ আগমন অহা ২২ জুনৰ আশে-পাশে ঘটিব আৰু ইয়াৰ প্ৰভাৱ ২৪ অক্টোবৰলৈকে থাকিব। উল্লেখ্য যে আই আই টি কানপুৰৰ গৱেষকে পূৰ্বে ভাৰতত ক'ভিডৰ সংক্ৰমণৰ সন্দৰ্ভত কৰা আটাইকেইটা ভৱিষ্যদ্বাণী সত্য প্ৰমাণিত হৈছিল। এইবাৰ আই আই টিৰ গৱেষকে সংক্ৰমণ সন্দৰ্ভত পুনৰ গাণিতিক পদ্ধতিৰে অধ্যয়ন চলাই ঘোষণা



কৰিলে যে জুনতে দেশত কৰ'নাৰ চতুৰ্থ ঢৌৰ আগমন ঘটিব আৰু ইয়াৰ প্ৰভাৱ দেশত প্ৰায় চাৰি মাহ থাকিব। অ'মিক্ৰনৰ পাছত আগমন ঘটিব লগা ক'ভিডৰ নতুন প্ৰজাতি কিমান মাৰাত্মক হ'ব সেয়া টিকাকৰণৰ দিশটোৱে নিৰ্ণয় কৰিব বুলিও আই আই টি গৱেষকসকলে জানিবলৈ দিয়ে।

আই আই টিৰ গৱেষকৰ তথ্য অনুসৰি দেশত ক'ভিডৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৱে ১৫ আগষ্টৰ পৰা ৩১ আগষ্টৰ সময়ছোৱাত শীৰ্ষত আৰোহণ কৰিব। স্মৰ্তব্য যে আই আই টি কানপুৰৰ গৱেষকে পূৰ্বে দাবী কৰি কৈছিল যে ভাৰতত ক'ভিডৰ সংক্ৰমণৰ তৃতীয় ঢৌৰ প্ৰভাৱ দীৰ্ঘ দিন নাথাকিব আৰু অতি কম সময়ৰ ভিতৰতে সংক্ৰমণে শীৰ্ষত আৰোহণ কৰি নিয়ন্ত্ৰণলৈ আহিব।

## বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জীতনৰাম মাঝি চিকিৎসাধীন



**নিউজ ব্যুৰ' পাটনা, ২৭ ফেব্ৰুৱাৰী ঃ** বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা হিন্দুস্তানী অৱাম মৰ্চাৰ মুৰব্বী জীতনৰাম মাঝি গুৰুতৰভাৱে অসুস্থ হৈ পাটনাৰ মেদান্তা চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। প্ৰকাশিত বাতৰি অনুসৰি, মাঝি যোৱা নিশা 'ব্ৰেইন হেম'ৰেজ'ত আক্ৰান্ত হৈছিল আৰু তেওঁৰ স্বাস্থ্যৰ অৱস্থা সংকটজনক। কিন্তু মাঝিৰ ঘনিষ্ঠ মহলে দাবী কৰা অনুসৰি, প্ৰাক্তন মুখ্যমন্ত্ৰীজন সম্পূৰ্ণ সুস্থ হৈ আছে আৰু তেওঁ দৰাচলতে চিকিৎসালয়লৈ নিয়মীয়া স্বাস্থ্য পৰীক্ষণৰ বাবেহে গৈছিল। মাঝিৰ শৰীৰত ৰক্তশৰ্কৰা যথেষ্ট কম হোৱা হেতুকে চিকিৎসকে তেওঁক চিকিৎসাধীন কৰে বুলি মাঝিৰ ঘনিষ্ঠ মহলে ৰাষ্ট্ৰীয় সাংবাদিক মাধ্যমৰ আগত প্ৰকাশ কৰিছিল।

## পেছোৱাৰত বিস্ফোৰণত দুজন পাকিস্তানী সৈনিকৰ মৃত্যু



**নিউজ ব্যুৰ' পেছোৱাৰ, ২৭ ফেব্ৰুৱাৰী ঃ** পাকিস্তানৰ খাইবাৰ পখতুনখৱা প্ৰদেশত এক বৃহৎ বিস্ফোৰণ সংঘটিত হ'ল। এই বিস্ফোৰণত ফ্ৰণ্টিয়াৰ ক'ৰৰ দুজন সৈনিকৰ মৃত্যু হ'ল। এই ঘটনাত আন কেইবাজনো লোক আহত হৈছে। ফ্ৰণ্টিয়াৰ ক'ৰ বাহিনীৰ গাড়ীক লক্ষ্য হিচাপে লৈ বিস্ফোৰণটো সংঘটিত কৰা হৈছিল। উল্লেখ্য যে খাইবাৰ পখতুনখৱা প্ৰদেশত শেহতীয়াভাৱে সন্ত্ৰাসবাদী অধিক সক্ৰিয় হৈ আহিছে।

## পুনৰ আতংক সৃষ্টি কৰিব পাৰে অ'মিক্ৰনৰ নতুন প্ৰজাতিয়ে ঃ হুৰ সকীয়নি



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰী ঃ** বিশ্বজুৰি কৰ'নাৰ সংক্ৰমণ সম্প্ৰতি হ্ৰাস পাইছে যদিও বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ মতে এতিয়াও বিশ্বৰ পৰা ক'ভিডৰ আতংকই বিদায় লোৱা নাই। কৰ'না ভাইৰাছে সঘনে স্বৰূপ সলনি কৰি অহাৰ প্ৰতি লক্ষ্য ৰাখি হুৱে কয় যে এই বিশ্বত যিকোনো মুহূৰ্ততে পুনৰ ক'ভিডৰ বিশেষকৈ অ'মিক্ৰন প্ৰজাতিৰ নতুন সংস্কৰণৰ আগমন ঘটিব পাৰে। অ'মিক্ৰনৰ একাধিক নতুন উপপ্ৰজাতিৰ আগমন ইতিমধ্যে ঘটিছে আৰু ভৱিষ্যতে অ'মিক্ৰনৰ নতুন অধিক ভয়াৱহ উপপ্ৰজাতিৰ সৃষ্টি হ'ব পাৰে বুলি বিশ্ব স্বাস্থ্যসংস্থাই সকীয়াই দিয়ে। এক অধ্যয়নৰ তথ্য অনুসৰি অ'মিক্ৰনৰ উপপ্ৰজাতি বিএ.২ কেৱল দ্ৰুতগতিত সংক্ৰমিত হোৱাই নহয়, এই প্ৰজাতিৰ অ'মিক্ৰন ভাইৰাছ গভীৰ ৰোগ সৃষ্টিৰো অন্যতম কাৰক হিচাপে পৰিচিত হৈছিল। আগন্তুক সময়ত এনে উপপ্ৰজাতিৰ অধিক স্বৰূপ পৰিৱৰ্তনৰ শংকা আছে বুলি হুৱে জানিবলৈ দি কয় যে বিশ্ববাসীয়ে এতিয়াই ক'ভিড বিধি ত্যাগ কৰাটো উচিত নহয়। কৰ'নাৰ সংক্ৰমণৰ তৃতীয় ঢৌৰ দৰে আগন্তুক সময়ত চতুৰ্থ ঢৌৰ আগমনৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৱে কয় যে সকলো লোকে বৰ্তমানৰ সময়ত ক'ভিড বিধি মানি চলা জৰুৰী।

## আমেৰিকাৰ লাছ ভেগাছৰ হুক্কাবাৰত বন্দুকধাৰীৰ আক্ৰমণত নিহত এজন

**নিউজ ব্যুৰ', লাছ ভেগাছ, ২৭ ফেব্ৰুৱাৰী ঃ** পুনৰ বন্দুকধাৰীৰ আক্ৰমণ সংঘটিত হ'ল আমেৰিকাত। এইবাৰ লাছ ভেগাছত এখন হুক্কাবাৰত বন্দুকধাৰীয়ে জধে মধে গুলিবৰ্ষণ কৰি আতংকৰ সৃষ্টি কৰিলে। যোৱা নিশা হুক্কাবাৰত এটা পাৰ্টি চলি থকাৰ সময়তে গুলিবৰ্ষণৰ ঘটনা সংঘটিত হৈছিল। এই ঘটনাত ১৪ জন লোক গুলিবিদ্ধ হয়। ইতিমধ্যে এজন লোকৰ মৃত্যু হৈছে। আহতসকলৰ দুজনৰ অৱস্থা সংকটজনক। লাছ ভেগাছৰ আৰক্ষী বিভাগে প্ৰকাশ কৰা অনুসৰি



শনিবাৰে পুৱতি নিশা ৩-১৫ বজাত হুক্কাবাৰত বন্দুকধাৰীয়ে এই আক্ৰমণ সংঘটিত কৰিছিল। আক্ৰমণ সংঘটিত কৰিয়ে বন্দুকধাৰীয়ে পলায়ন কৰিছিল।


## ৰুছ আক্ৰমণত ভাগিল নিজৰ বাসগৃহ, টিভিৰ শ্ব'ত কান্দিলে সাংবাদিকে

**নিউজ ব্যুৰ', লণ্ডন, ২৭ ফেব্ৰুৱাৰী ঃ** 'এই যে ঘৰটো দেখা পাইছে, এই ঘৰতে মই আছিলো। ঘৰৰ চেহেৰা দেখিলে বিশ্বাস কৰিব নোৱাৰো যে কেইটা ঘণ্টা পূৰ্বে ময়ো উক্ত ঘৰতে আছিলো।' ৰাছিয়াৰ ক্ষেপণাস্ত্ৰৰ আঘাতত কাৰ্যত চূৰ্ণ বিচূৰ্ণ হোৱা নিজৰ বাসগৃহক টেলিভিছনৰ পৰ্দাত প্ৰদৰ্শন কৰি এইদৰে ষ্টুডিঅ'ত হুকহুকাই কান্দি উঠিল বিবিচিৰ ইউক্ৰেইনৰ সাংবাদিক অলগা মালছেভস্কাই। শেহতীয়াভাৱে ইউক্ৰেইনৰ এইগৰাকী মহিলা সাংবাদিকৰ এক ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। সাংবাদিকতাৰ পেছাত জড়িত এজন মানুহ কিমান অসহায় পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়, ইয়াৰে শেহতীয়া এক উদাহৰণ হ'ল বিবিচিৰ সাংবাদিক অলগা। ভাইৰেল বাতৰিত প্ৰত্যক্ষ হোৱা



অনুসৰি, লণ্ডনৰ ষ্টুডিঅ'ত সহকৰ্মী সাংবাদিকৰ স'তে বাৰ্তালাপ কৰাৰ সময়তে অলগাৰ ম'বাইললৈ এক ভিডিঅ' বাৰ্তা আহিছিল। এই ভিডিঅ' চোৱাৰ লগে লগে চকুলো টুকিবলৈ ধৰা অলগাই কয়, 'আমাৰ ঘৰত ৰকেট বিস্ফোৰণৰ পূৰ্বে মাই আন এটি ঘৰৰ বেচমেণ্টত আশ্ৰয় লৈছিল। সেয়েহে তেওঁ জীৱিত আছে। এই কথাকে মায়ে মোক এছ এম এছ কৰি জনালে। ভাগ্য ভাল বিস্ফোৰণৰ পূৰ্বে মায়ে বেচমেণ্টত আত্মগোপন কৰিছিল। আজি যেতিয়া ঘৰৰ পৰা মই ষ্টুডিঅ'লৈ আহিছিলো সেই সময়ত এবাৰো কল্পনা কৰা নাছিলো যে আমাৰ ঘৰটোও এইদৰে বোমাত ছাৰখাৰ হ'ব।' টেলিভিছনৰ পোনপটীয়া সম্প্ৰচাৰত এইদৰে নিজৰ মৰমৰ বাসগৃহৰ চূৰ্ণ বিচূৰ্ণ ৰূপ প্ৰত্যক্ষ কৰি কান্দি উঠিছিল বিবিচিৰ ইউক্ৰেইনত কৰ্মৰত এইগৰাকী মহিলা সাংবাদিকে।


## ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণত ৩৭০ প্ৰাৰ্থীৰ ২৫৩ জনেই কোটিপতি



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৭ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণত মুঠ ৬৭৬ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। এইসকল প্ৰাৰ্থীৰ ৬৭০ জনৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰিলে এছ'চিয়েচন ফ'ৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ (এডিআৰ) নামৰ সংস্থাটোৱে। ষষ্ঠ পৰ্যায়ৰ ৰাজ্যখনত ৫৭ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। প্ৰতিদ্বন্দ্বিতাৰ অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ সমাজবাদী পাৰ্টিৰ ৮৩ শতাংশই, বিজেপিৰ ৪৪ শতাংশই, কংগ্ৰেছৰ ৩৯ শতাংশ, বিএছপিৰ ৩৯ শতাংশ আৰু আপৰ ১৪ শতাংশই নিজৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ থকা বুলি শপতনামাত উল্লেখ কৰিছে। আঠজন প্ৰাৰ্থীৰ বিৰুদ্ধে নাৰীজনিত অপৰাধৰ গোচৰ আছে আৰু ইয়াৰে দুজন ধৰ্ষণত অভিযুক্ত। শপতনামাত তথ্য দাখিল কৰা ৬৭০ প্ৰাৰ্থীৰ ৩৫৩ জনে কোটিপতি বুলি স্বীকাৰ কৰিছে। অৰ্থাৎ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ ৩৮ শতাংশই হৈছে কোটিপতি প্ৰাৰ্থী।

## ইণ্ডিয়া মাৰ্টসহ ৪২ অনলাইন, ৩৫ ভাৰতীয় বজাৰত বিক্ৰী নিম্নমানৰ মাৰ্কিন সামগ্ৰী

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ একাংশ বজাৰত বিক্ৰী হৈ আহিছে বিশ্বখ্যাত ব্ৰেণ্ডৰ নামত নকল আৰু নিম্নমানৰ সামগ্ৰী। আমেৰিকাৰ 'ট্ৰেড অথ'ৰিটী' নামৰ সংস্থাটোৱে ভাৰতৰ তিনিখন বহু পৰিচিত বজাৰক ক'লা তালিকাভুক্ত কৰিলে। মাৰ্কিন ক'লা তালিকাভুক্ত বজাৰৰ তালিকাত স্থান লাভ কৰিলে দিল্লীৰ পালিকা বজাৰ, মুম্বাইৰ হীৰাপন্না বজাৰ আৰু কলকাতাৰ কিছৰপুৰ বজাৰ। মাৰ্কিন বাণিজ্যিক সংস্থাটোৰ অভিযোগ অনুসৰি ভাৰতৰ এই তিনিখন বজাৰত আমেৰিকাৰ বিখ্যাত ব্ৰেণ্ডৰ নকল সামগ্ৰী বিক্ৰী কৰা হৈছে। এই সন্দৰ্ভত একাধিক অভিযোগ লাভৰ পাছত আমেৰিকাই ভাৰতৰ উক্ত তিনিখন বজাৰক ক'লা তালিকাভুক্ত কৰিলে। উল্লেখ্য যে ভাৰতৰ বজাৰক এইদৰে ক'লা তালিকাভুক্ত কৰা মাৰ্কিন প্ৰতিষ্ঠানটোৱে ইণ্ডিয়া মাৰ্টসহ ৪২ টা অনলাইন শ্ব'পিং প্ৰতিষ্ঠানকো ক'লা তালিকাৰ অন্তৰ্ভুক্ত কৰিলে। ট্ৰেড অথ'ৰিটীৰ অভিযোগ অনুসৰি ভাৰতৰ ৪২ টা অনলাইন শ্ব'পিং প্ৰতিষ্ঠানে আমেৰিকাৰ জনপ্ৰিয় ব্ৰেণ্ডৰ সামগ্ৰীৰ নকল উৎপাদন ১০ গুণ কম মূল্যত বিক্ৰী কৰি আহিছে। এইসমূহ প্ৰতিষ্ঠানে সৰ্বাধিক পৰিমাণত আমেৰিকান ব্ৰেণ্ডৰ ইলেক্ট্ৰনিক আৰু সাজ-পোছাকৰ নকল সামগ্ৰী বিক্ৰী কৰি আহিছে। ৪২ টা অনলাইন শ্ব'পিং প্ৰতিষ্ঠানৰ লগতে ৩৫ খন বজাৰে আমেৰিকাৰ উৎপাদিত ব্ৰেণ্ডৰ ট্ৰেড মাৰ্ক আৰু কপিৰাইট উলংঘন কৰা বুলিও ট্ৰেড অথ'ৰিটীয়ে অভিযোগ উত্থাপন কৰিছে। বাণিজ্যিক প্ৰতিষ্ঠানটোৰ তথ্য অনুসৰি বিশ্বজুৰি ২.৫ শতাংশ নকল মাৰ্কিন সামগ্ৰী




বজাৰত বিক্ৰী হৈ আহিছে আৰু এই ব্যৱসায়ৰ পৰিমাণ হৈছে ৩৭ লাখ কোটি টকা। মাৰ্কিন ব্ৰেণ্ডৰ নামত এইদৰে সৰ্বাধিক সামগ্ৰী তৈয়াৰ কৰা হয় চীনত। চীনৰ ব্যৱসায়ীয়ে হংকং হৈ এইসমূহ নকল মাৰ্কিন সা-সামগ্ৰী ভাৰতৰ বজাৰলৈ প্ৰেৰণ কৰে।

## অধিক নিমখীয়া, মিঠা, চৰ্বিযুক্ত খাদ্যত বৃদ্ধি পাব পাৰে কৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰী ঃ** ভাৰতীয়সকলৰ মাজত মেদবহুলতা অৰ্থাৎ শৰীৰৰ চৰ্বি বৃদ্ধিৰ সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ভাৰতীয়সকলক মেদবহুলতাৰ পৰা সকাহ দিবলৈ কেন্দ্ৰীয় চৰকাৰে অত্যাধিক নিমখ, চেনিযুক্ত আৰু চৰ্বি থকা খাদ্যত অধিক কৰ আৰোপ কৰাৰ সম্ভাৱনা আছে। নিটি আয়োগে এই সন্দৰ্ভত সম্প্ৰতি চিন্তা-চৰ্চা অব্যাহত ৰাখিছে। আয়োগৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ভাৰতত শিশু, কিশোৰ-কিশোৰী আৰু মহিলাৰ মাজত চৰ্বি বৃদ্ধিৰ সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এই সমস্যাৰ পৰা দেশবাসীক মুক্ত কৰিবলৈ নিটি আয়োগে অত্যধিক মিঠা, নিমখীয়া আৰু চৰ্বিযুক্ত খাদ্যৰ প্ৰচলন ভাৰতত হ্ৰাস কৰিবলৈ এনেবোৰ খাদ্যত অধিক কৰ আৰোপৰ কথা বিবেচনা কৰিছে। অৱশ্যে এই বিষয়ত এতিয়াও আয়োগে কোনো সিদ্ধান্তত উপনীত হোৱা নাই। ২০১৯-২০ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাৰ তথ্য অনুসৰি ভাৰতৰ ২৪ শতাংশ মহিলা আৰু ২২.৯ শতাংশ পুৰুষ মেদবহুলতাত আক্ৰান্ত হৈছে।

## বক্স অফিচত কম্পন 'গংগুবাই কাথিয়াৱাড়ী'ৰ, প্ৰথম দিনতে ১০ কোটিৰ ব্যৱসায়




**নিউজ ব্যুৰ', মুম্বাই, ২৭ ফেব্ৰুৱাৰী ঃ** নানা বিতৰ্ক, সমালোচনা আৰু একাধিক আইনী জটিলতাৰ পাছতো যোৱা শুকুৰবাৰে দেশৰ চিত্ৰগৃহত মুক্তি লাভ কৰা 'গংগুবাই কাথিয়াৱাড়ী' ছবিখনে বক্স অফিচত আলোড়ন সৃষ্টি কৰিবলৈ সফল হ'ল। সঞ্জয় লীলা বঞ্চালীৰ দ্বাৰা পৰিচালিত 'গংগুবাই কাথিয়াৱাড়ী' ছবিৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে আলিয়া ভাটে। বক্স অফিচত মুক্তিৰ দিনাই শুকুৰবাৰে এইখন ছবিয়ে দেশজুৰি ১০.৫০ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সফল হ'ল। একেদৰে শনিবাৰে দ্বিতীয়দিনা আলিয়া অভিনীত ছবিখনে পুনৰ ১৩ কোটি টকাৰ ব্যৱসায় কৰিলে। ক'ভিডৰ দুৰ্দিনৰ মাজতো 'গংগুবাই কাথিয়াৱাড়ী' ছবিখনে মাত্ৰ দুদিনত বক্স অফিচত ২৩ কোটি ৫০ লাখ টকাৰ ব্যৱসায় কৰি এক আশাৰ সঞ্চাৰ কৰিছে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষক তৰণ আদৰ্শই প্ৰকাশ কৰা অনুসৰি অহা শনিবাৰৰ ভিতৰত ছবিখনে বক্স অফিচত ৪০ কোটি টকাৰ অধিক ব্যৱসায় কৰাৰ সম্ভাৱনা আছে।

## আগ্নেয়াস্ত্ৰ হাতত লৈ ৰাছিয়াক হুংকাৰ ইউক্ৰেইনৰ সাংসদৰ



**নিউজ ব্যুৰ', কীভ, ২৭ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ সেনা আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ নিজৰ হাতত আগ্নেয়াস্ত্ৰ তুলি ল'লে ইউক্ৰেইনৰ সাংসদে। দেশৰ হৈ যুঁজত অৱতীৰ্ণ হ'বলৈ সংকল্পবদ্ধ হোৱা ৰুডিক নামৰ এইগৰাকী ইউক্ৰেইনৰ সাংসদে শেহতীয়াভাৱে সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। দেশ এতিয়া চৰম সংকটত। চাৰিওপিনে মুক্ত বিচৰণ শত্ৰু ৰুছ সৈনিকৰ। এনে পৰিস্থিতিত স্বদেশক ৰক্ষা কৰিবলৈ হ'লে হাতত অস্ত্ৰ তুলি লোৱাৰ বিকল্প নাই। এই কথা অনুভৱ কৰাৰ পাছতে ৰুডিকে তেওঁৰ হাতত তুলি ল'লে অত্যাধুনিক কালাছ'নিক'ভ বন্দুক। নিজৰ টুইটাৰ হেণ্ডেলত এই কথা প্ৰকাশ কৰি ৰুডিকে কয় যে তেওঁ অস্ত্ৰচালনাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি দেশৰক্ষাৰ বাবে হাতত কালাছ'নিক'ভ বন্দুক তুলি ল'লে। 'আমি কালাছ'নিক'ভ চলাবলৈ শিকিলো আৰু হাতত অস্ত্ৰ তুলি লোৱাৰ প্ৰশিক্ষণ ল'লো। পুৰুষৰ দৰেই আমি নাৰীসকলো দেশভূমিক ৰক্ষা কৰিবলৈ প্ৰস্তুত। এই যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে আমাৰ তীব্ৰ খং উঠিছিল আৰু এতিয়াও আমি ক্ষুব্ধ। কিন্তু কোনো কাৰণতে এই যুদ্ধৰ সূত্ৰপাত ঘটোৱা শত্ৰুক আমাৰ ভূমি এৰি নিদিও।' টুইটাৰত এইদৰে কয় ৰুডিকে।

## ৰুছ আক্ৰমণৰ মাজতে সম্পন্ন বিবাহ ঃ মধুচন্দ্ৰিকাৰ পৰিৱৰ্তে দম্পতীয়ে ল'লে এ কে ৪৭



**নিউজ ব্যুৰ', কীভ, ২৭ ফেব্ৰুৱাৰী ঃ** বিবাহৰ পাছতে সৰহসংখ্যক দম্পতীয়ে হনীমুন অৰ্থাৎ মধুচন্দ্ৰিকাৰ আনন্দ গ্ৰহণ কৰে। কিন্তু বিবাহ সম্পন্ন হোৱাৰ পাছত মধুচন্দ্ৰিকাৰ পৰিৱৰ্তে হাতত আগ্নেয়াস্ত্ৰ তুলি ল'লে ইউক্ৰেইনৰ সদ্য বিবাহিত এক দম্পতীয়ে। য়াৰানা আৰু চাভিয়াটতচলাব নামৰ প্ৰেমিক যুগলে ৰাছিয়াৰ আক্ৰমণৰ মাজতে নিজৰ বিবাহ সম্পন্ন কৰিছিল। কিন্তু বিবাহৰ পাছত য়াৰানা আৰু চাভিয়াটতচলাবে মধুচন্দ্ৰিকালৈ যোৱাৰ পৰিৱৰ্তে দুৰ্দিনত ইউক্ৰেইনক ৰক্ষা কৰিবলৈ হাতত এ কে ৪৭ বন্দুক তুলি ল'লে। য়াৰানা আৰু চাভিয়াটতচলাবে ইতিমধ্যে এই আগ্নেয়াস্ত্ৰ চালনাৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছে। ৰুছ বাহিনীক বাধা দিবলৈ সদ্য বিবাহিত দম্পতীয়ে অলপতে ইউক্ৰেইনৰ সেনা বাহিনীত যোগদান কৰিছিল। বিবাহ সম্পন্ন হোৱাৰ মাত্ৰ ২৪ ঘণ্টাৰ পাছতে য়াৰানা আৰু চাভিয়াটতচলাবে এইদৰে দেশ ৰক্ষাৰ বাবে হাতত অস্ত্ৰ তুলি সকলোকে দেশপ্ৰেমৰ বিৰল পাঠ দিলে।

# আনন্দৰাম বৰুৱা একাডেমিত ন-পুৰণি শিক্ষাৰ্থী সন্মিলন



বিশেষ সংবাদদাতা

**পাঠশালা, ২৭ ফেব্ৰুৱাৰী ঃ** সাংস্কৃতিক জগতত আজি জুবিন গাৰ্গ আৰু অংগৰাগ পাপন মহন্তই এক সুকীয়া স্থান দখল কৰিছে। সকলোৰে তেওঁলোকৰ গান শুনি ভাল পায়। কিন্তু কেতিয়াবা কেতিয়াবা ৰাজকুমাৰে ও গান গায় বা অভিনয় কৰে মানুহে সেয়াও চাই। ৰাজকুমাৰক সাংস্কৃতিক জগতখনত মানুহে যিদৰে ভাবে ঠিক তেনেদৰেই ভূপেন বৰা আজি অসমৰ ৰাজনীতিত কৌতুক অভিনেতা ৰাজকুমাৰ হৈ পৰিছে । ভূপেন বৰাই অসমৰ ৰাজনীতিত আজি ৰাজকুমাৰৰ দৰেই থাকি ভাল পাইছে । তেওঁৰ হাতত এতিয়া সময়ে সময় । সেই বাবে তেওঁ কবিতা লিখি সময় অতিবাহিত কৰিছে । ভূপেন বৰাৰ কবিতা ৰাজকুমাৰৰ গানৰ দৰেই- এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ। আজি পাঠশালাৰ আগশাৰীৰ শিক্ষানুষ্ঠান আনন্দৰাম বৰুৱা একাডেমীৰ এক অনুষ্ঠানত উপস্থিত থাকি সাংবাদিকৰ সৈতে মুখামুখি হৈ এই মন্তব্য কৰে বৰুৱাই। আনহাতে, মাজুলীত অসম জাতীয় পৰিষদে কংগ্ৰেছৰ সমৰ্থনত প্ৰাৰ্থীত্ব প্ৰদান কৰা সম্পৰ্কত সাংবাদিকে সোধা এক প্ৰশ্নত বৰুৱাই লুৰিণজ্যোতি গগৈক আক্ৰমণৰ লক্ষ্য কৰি কয় ৮৫৫ জন ছহিদৰ স্মৃতি বিজৰীত এটি জাতীয় সংগঠনৰ পৰা ওলাই আহি আজি কংগ্ৰেছৰ সমৰ্থনত নিৰ্বাচন খেলিব লগা হোৱাটো আটাইতকৈ দুৰ্ভাগ্যজনক। তেওঁক ইতিমধ্যে দুটা সমষ্টিত ৰাইজে প্ৰত্যাখ্যান কৰিছে তেওঁ এতিয়া অসমৰ ৰাজনীতিত অসমৰ সমাজ জীৱনত অপ্ৰাসংগিক হৈ পৰিছে।' তেওঁ পুনৰ কয় যে লুৰিণজৌতি গগৈৰ কথা এতিয়া কোনেও গুৰুত্ব নিদিয়ে, দুদিন টিভিত নোলালেই মানুহে পাহৰি যাব। মাজুলীত আমিয়েই লাভ কৰিম বুলি মত ব্যক্ত কৰে। ইফালে, অসমৰ বৌদ্ধিক জগতৰ চিৰনমস্য প্ৰবাদপুৰুষ আনন্দৰাম বৰুৱাৰ নামেৰে প্ৰতিষ্ঠাপিত পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমিৰ এই বৰ্ষৰ ন-পুৰণি শিক্ষাৰ্থী সন্মিলন, গ্ৰন্থ আৰু মুখপত্ৰ উন্মোচন অনুষ্ঠান আনন্দৰাম বৰুৱা একাডেমি ডিগ্ৰী কলেজ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানত জয়ন্ত মল্ল বৰুৱাই কয় যে যি কৰ্ম কৰে সেইজনে সেই ধৰ্ম পালন কৰিব লাগিব। তেতিয়াহে সমাজ এখন, দেশ এখন প্ৰগতিৰ দিশত আগুৱাব পাৰিব। আমাৰ জাতি স্বাৱলম্বী হ'লেহে দেশৰ, সমাজৰ প্ৰগতি সম্ভব হ'ব। আনন্দৰাম বৰুৱা একাডেমিৰ ৰেক্টৰ তথা পৰিচালন সঞ্চালক ড° ৰঞ্জিত ডেকাৰ সভাপতিত্বত আৰু উৎপল মেধিয়ে আঁত ধৰা অনুষ্ঠান উদ্বোধন কৰা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই পুনৰ কয় যে আমাৰ উঠি অহা যুৱক-যুৱতীসকল আৰু ভাই-ককাইসকল উৎপাদনমুখী হব লাগিব। এটা সময়ত আমাৰ ঘৰৰ চৌহদৰ পাচলিৰে পৰিয়াল চলিছিল কিন্তু আজি সেই পৰিৱেশ নোহোৱা হৈছে। আমি সেই পৰিৱেশ ঘূৰাই আনি আমি স্বাৱলম্বী হব লাগিব বুলিও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। আনন্দৰাম বৰুৱা একাডেমিয়ে অসমৰ শিক্ষা জগতত এক বিশেষ স্থান দখল কৰি আহিছে আৰু ভৱিষ্যতেও শিক্ষাৰ ক্ষেত্ৰখনত বিশেষ অৰিহণা যোগাই আহিব বুলি তেওঁ আশা ব্যক্ত কৰে। আনন্দৰাম বৰুৱা একাডেমিৰ মুখ্য শৈক্ষিক উপদেষ্টা ৰত্নেশ্বৰ দাসে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোত অতিথিসকলক গামোছা, চেলেং চাদৰ, ফুলৰ তোৰা, শৰাই আৰু প্ৰতীকপটেৰে আদৰণি জনায় শিক্ষানুষ্ঠানখনৰ ছিনিয়ৰ ছেকেণ্ডাৰী শাখাৰ অধ্যক্ষ নন্দিতা বৰ্মণ ডেকাই। অনুষ্ঠানত কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ লাইশ্ৰাম লাডু সিঙে উপস্থিত থকাৰ লগতে আনন্দৰাম বৰুৱা একাডেমিৰ সহকাৰী অধ্যাপক কল্যাণ কলিতা আৰু তপন কুমাৰ হাজৰিকাৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা আনন্দৰাম বৰুৱা একাডেমীৰ বাৰ্ষিক মুখপত্ৰ 'অনুৰণন'ৰ উনবিংশ সংখ্যাটি আৰু কটন বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপিকা ড° ফুনু দাস শৰ্মা আৰু আনন্দৰাম বৰুৱা একাডেমীৰ সহকাৰী অধ্যাপক ড° ছেহনাজ চুলতানাৰ সম্পাদনাত ক্টইমাৰজিং ইচ্ছুচ এণ্ড ৰিচেণ্ট ট্ৰেণ্ডচ ইন ইণ্ডিয়ান এডুকেশ্বনক্ট গ্ৰন্থখন উন্মোচন কৰে। অনুষ্ঠানত কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° আৰ এন সিনহাই বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ছাত্ৰ ছাত্ৰীসকলক বিভিন্ন প্ৰেৰণাদায়ক ভাষণ প্ৰদান কৰে। অনুষ্ঠানত আনন্দৰাম বৰুৱা একাডেমীয়ে প্ৰয়াত শৰৎ ডেকাৰ সোঁৱৰণত সদৌ অসম ভিত্তিত আয়োজন কৰা অনলাইন চিত্ৰাংকণ প্ৰতিযোগিতাৰ পুৰস্কাৰপ্ৰাপ্তসকলক নগদ ধন, মানপত্ৰ আৰু মুখপত্ৰ প্ৰদান কৰে উপাধ্যক্ষ অমূল্য কলিতাই।

## বড়ো জাতি-জনগোষ্ঠীৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত কোকৰাঝাৰত ইণ্ডিজিনিয়াছ বড়ো য়ুথ অৰ্গেনাইজেছন

অগ্ৰদূত বাৰ্তা

**ফকিৰাগ্ৰাম, ২৭ ফেব্ৰুৱাৰী ঃ** বড়ো জাতি-জনগোষ্ঠীৰ বিভিন্ন সমস্যা সমাধানৰ দাবী উত্থাপন গণতান্ত্ৰিকভাৱে উত্থাপন কৰিবলৈ বিটিআৰৰ হাৰ্টলেণ্ড কোকৰাঝাৰত জন্ম দিয়া হৈছে ইণ্ডিজিনিয়াছ বড়ো য়ুথ অৰ্গেনাইজেছন' নামৰ সংগঠনৰ। সংগঠনৰ সভাপতিৰূপে কৰ্নেলিয়াছ বসুমতাৰী আৰু সাধাৰণ সম্পাদকৰূপে মিজিং মুছাহাৰীক বাছনি কৰা হয়। সমিতি গঠনৰ অন্তত আজি কোকৰাঝাৰত এক সংবাদমেল অনুষ্ঠিত কৰি আত্মপ্ৰকাশ কৰে।

## গহপুৰৰ কনকলতা ভৱনত অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাৰ অধিবেশন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৭ ফেব্ৰুৱাৰী ঃ** গহপুৰৰ কনকলতা ভৱনত অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাৰ নৱম বাৰ্ষিক অধিবেশন আজি সম্পন্ন হয়। অধিবেশনত অসম আৰু অৰুণাচল প্ৰদেশৰ প্ৰায় ২৯ গৰাকী ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত এবিএমপিৰ কেন্দ্ৰীয় সভাপতি ৰমেশ কুমাৰ চৌহান, সম্পাদক, গহপুৰৰ বিধায়ক উৎপল বৰা, এবিএমপিৰ অসম প্ৰদেশৰ সভাপতি ড° কুকিল বৰুৱা, সম্পাদক প্ৰকাশ পুৰকায়স্থৰ লগতে বহু ব্যক্তি উপস্থিত থাকে। বিশ্বনাথৰ পৰা কমেও ছয়খনকৈ ভিডিঅ' এলবাম নিজে পৰিচালনা কৰি উলিওৱা আৰু ইয়াৰে ভিতৰত 'হাম্ৰো আসাম ৰাম্ৰো আসামে' উত্তৰ-পূৰ্বাঞ্চলৰ উপৰি নেপালতো সমাদৰ লাভ কৰা তথা অসম, অৰুণাচল, পশ্চিমবংগতো গীত পৰিৱেশন কৰাৰ লগতে সাংবাদিকতাৰ সমান্তৰালকৈ সংগীত ক্ষেত্ৰতো এখোজ আগুৱাই যোৱাৰ বাবে অহৰহ চেষ্টা চলাই থকা অসম নেপালী সাহিত্য সভা, তামাং সাহিত্য সভাৰ দৰে অনুষ্ঠানেও সম্বৰ্ধনা জনোৱা সাংবাদিক আৰু সংগীত শিল্পীৰূপে গোৰ্খা সমাজত পৰিচিত নৰপতি খনালৰ পুত্ৰ বিশ্বনাথ পানীভঁৰালৰ গোপাল খনালক সম্বৰ্ধনা জনোৱা হয়।

## সদৌ বড়োলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তামুলপুৰ জিলা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলিত আজি অনুষ্ঠিত সদৌ বড়োলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ এখন সাধাৰণ সভাত সদৌ বড়োলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তামুলপুৰ জিলা সমিতিখন গঠন কৰা হয়। এই উপলক্ষে নাগ্ৰীজুলিৰ ভাওৰাগুৰি প্ৰাথমিক বিদ্যালয়ত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ নাগ্ৰীজুলি গোট আৰু পূব ডেফেলী গোটৰ শতাধিক ক্ষুদ্ৰ চাহ খেতিয়কৰ উপস্থিতিত অনুষ্ঠিত সভাখনত পৌৰোহিত্য কৰে নাগ্ৰীজুলি অঞ্চলৰ চাহ খেতিয়ক চক্ৰ বাহাদুৰ চৌহানে। উক্ত সভাত উপস্থিত থাকি সদৌ বড়োলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ উপ-সভাপতি তথা নাগ্ৰীজুলি অঞ্চলৰ ক্ষুদ্ৰ চাহ খেতিয়ক খেম বাহাদুৰ থাপাই ক্ষুত্ৰ চাহ খেতিয়কসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে সভাত আলোকপাত কৰি সদৌ বড়োলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তামুলপুৰ জিলা সমিতি গঠনৰ আৱশ্যকতা সম্পৰ্কে ব্যাখ্যা কৰে। উক্ত সভাত পূৰ্ণেশ্বৰ বড়োক সভাপতি আৰু খেম বাহাদুৰ থাপাক সাধাৰণ সম্পাদকৰূপে লৈ ২১ জনীয়াকৈ সদৌ বড়োলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তামুলপুৰ জিলা সমিতিখন গঠন কৰা হয়। আজিৰ এই সভাতেই ক্ষুত্ৰ চাহ খেতিয়কসকলৰ কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# আধ্যাত্মিকতাই মন-মগজু পৰিষ্কাৰ কৰে ঃ ডেকা

## ■ আঠঘৰিয়াত সমাজকৰ্মী অবিনাশ ভট্টাচাৰ্যৰ প্ৰথম মৃত্যু বাৰ্ষিকীত সোঁৱৰণী গ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৭ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ আঠঘৰিয়াৰ সমাজসেৱক অবিনাশ ভট্টাচাৰ্যৰ আজি প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে তেওঁৰ জন্ম গাঁৰৰ বাসভৱনত সোঁৱৰণী গ্ৰন্থ সম্পাদনা সমিতিয়ে পৰিয়ালৰ সহযোগত সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভা আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠিত কৰে। আজি দুপৰীয়া সোঁৱৰণী গ্ৰন্থ সভাপতি মহেশ্বৰ ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰে পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নিৰঞ্জন চন্দ্ৰ ডেকাই। গ্ৰন্থ উন্মোচন কৰি কয় যে অবিনাশৰ মৃত্যু হোৱা নাই। তেওঁ আমাৰ মাজত জীয়াই আছে। হিন্দু শাস্ত্ৰত উল্লেখ আছে আত্মাৰ মৰণ নাই অবিনাশো আমাৰ মাজত সদায় জীয়াই থাকিব। তেওঁক জীয়াই ৰাখিবলৈ সোঁৱৰণী গ্ৰন্থ প্ৰকাশ কৰা হৈছে। এই গ্ৰন্থই অবিনাশক আমাৰ মাজত সদায় ৰাখিব। তেওঁ কয় যে আমি আধ্যাত্মিকতাৰ উত্তৰ পুৰুষ। আধ্যাত্মিকতাই আমাৰ মন মগজুক পৰিষ্কাৰ কৰে। সোঁৱৰণী গ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদক দেৱকান্ত ভট্টাচাৰ্যই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সভাত বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কনক চন্দ্ৰ লহকৰে কয় যে অবিনাশৰ নিচিনা এজন সমাজ সচেতন যুৱকক হেৰুওৱা বাতৰিটো পায়ে মৰ্মাহত হৈছিলো। পৰিয়ালক সান্তনা দিবলৈ ভাষাহীন হৈ পৰিছিলোঁ। বাৰে বাবে দৃশ্যমান হয় তেওঁৰ সমাজ সচেতনতাৰ নিদৰ্শন। তেওঁৰ কৰ্মস্পৃহাৰ আদৰ্শ আমি পাহৰিব নোৱাৰো। উক্ত সভাত আন এজন বক্তা ধুৰকুছি সিদ্ধি শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বীৰেন্দ্ৰ নাথ শৰ্মাই অবিনাশ শৰ্মাৰ জীৱন কৃতি বিশ্লেষণ কৰি কয় যে সোঁৱৰণী গ্ৰন্থ প্ৰকাশ কৰা মানে এখন দলিল প্ৰস্তুত কৰা। এই গ্ৰন্থই এসময়ত ইতিহাসৰ স্বাক্ষৰ বহন কৰিব। সভাখনত নলবাৰী মহাবিদ্যালয়ৰ অধ্যাপক ড° প্ৰবোধ শৰ্মাই কয় যে অবিনাশৰ মৃত্যুৰ বাতৰি আটাইতকৈ দুখৰ বাতৰি আছিল। তেওঁ কয় যে বেদনাটো আচলতে আমাৰ এটা প্ৰকৃতি। বেদনাই সকলোকে মৰ্মাহত কৰে। উক্ত সভাত বাহাৰঘাট আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি ৰজত চন্দ্ৰ শৰ্মা, নলবাৰী মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অধ্যাপক ড° কৌশিক ডেকা, শিক্ষক মুকুল লহকৰ, পৰিয়ালৰ জ্যেষ্ঠ ভ্ৰাতৃ অমিয় কুমাৰ ভট্টাচাৰ্য, বিউতি গোস্বামী আদি কৰি কেইবাজনো গুনমুগ্ধই ভট্টাচাৰ্যৰ জীৱন কৃতিৰ সম্পৰ্কে বক্তব্য আগবঢ়াই সভাখনত।

## প্ৰবল প্ৰতিৰোধত

*এক পৃষ্ঠাৰ পৰা* প্ৰতিৰোধ গঢ়ি তুলিবলৈ সাধাৰণ মানুহক আহ্বান জনাইছিল। আনহাতে, ৰুছ বাহিনীৰ খাৰকীভ দখল স্থায়ী নহ'ল বুলি ইউক্ৰেইনে দাবী কৰিছে। খাৰকীভৰ গৱৰ্ণৰৰ উলেগ ছিনেগুবভেই জনোৱা মতে, ৰুছ বাহিনীয়ে প্ৰাণপণ চেষ্টা চলাই কিছু সফল হ'লেও কিছুঘণ্টাৰ ভিতৰতে ইউক্ৰেইন সেনাই ইয়াৰ দখল পুনৰ হস্তগত কৰিবলৈ সক্ষম হয়।

ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ চতুৰ্থ দিনা ইউক্ৰেইনৰ প্ৰধান নগৰী কিয়েভ আৰু দেশখনৰ দ্বিতীয় বৃহত্তম চহৰ খাৰকীভত তীব্ৰ প্ৰতিৰোধৰ সন্মুখীন হয় ৰুছ বাহিনী। কিয়েভৰ লগতে খাৰকীভৰো পথত যুদ্ধৰ তীব্ৰতা বৃদ্ধি পায়। এই যুদ্ধকালীন কমেও তিনি লাখ ৭০ হেজাৰ লোকে নিজ গৃহ ত্যাগ কৰি পলায়ন কৰিছে বুলি তথ্য প্ৰকাশিত হৈছে।

গৱৰ্ণৰৰ মতে, সম্প্ৰতি ৰাজপথৰ যুদ্ধৰ পাছত খাৰকীভ এতিয়া তেওঁলোকৰ সম্পূৰ্ণ নিয়ন্ত্ৰণত আছে। টেলিগ্ৰাম বাৰ্তাক ছিনেগুবভে কয় যে 'ক্লিন আপ' অপাৰেছনত ৰুছ বাহিনীক খেদি পঠিয়ালে ইউক্ৰেইন সেনাই। আনহাতে, এক বাৰ্তাত আজি ৰাষ্ট্ৰপতি ভ্লাডিমি জেলেন'স্কীয়ে কিয়েভ ত্যাগ নকৰাৰ কথা দোহাৰে। তদুপৰি তেওঁ কৰা দাবী অনুসৰি এই পৰ্যন্ত প্ৰায় তিনি হেজাৰ পাঁচশ ৰুছ সেনা নিহত অথবা আঘাতপ্ৰাপ্ত হৈছে। ইপিনে, মাৰ্কিন প্ৰতিৰক্ষা বিষয়াৰ মতে, ইউক্ৰেইনৰ বাহিনীৰ অনাকাংক্ষিত প্ৰৱল প্ৰতিৰোধৰ সন্মুখীন হৈ ৰুছ দখলদাৰী বাহিনী হতাশ হৈছে।

আনহাতে, যুদ্ধৰ তীব্ৰতা বৃদ্ধি পোৱাত কিয়েভৰ বাসিন্দাক সোমবাৰ পৰ্যন্ত ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকিবলৈ নিৰ্দেশ দিয়ে কিয়েভ প্ৰশাসনে।

### বিদ্যালয়তো আক্ৰমণ ৰাছিয়াৰ

ৰাষ্ট্ৰপতি জেলেন'স্কীয়ে আজি কয় যে মস্কোৱে ইউক্ৰেইনৰ আৱাসী অঞ্চলত বোমাবৰ্ষণ কৰিছে। তেওঁ কয়, 'ইউক্ৰেইনৰ বাবে যোৱা নিশাটো বৰ নৃশংস আছিল। আৱাসী অঞ্চলত বোমাবৰ্ষণ কৰা হৈছিল। নাগৰিকৰ আন্তঃগাঁথনিতো বোমা পেলাইছে। দখলদাৰী বাহিনীয়ে আজি দেশখনৰ সকলো ক্ষেত্ৰতে লক্ষ্য কৰি লৈছে। স্কুলবোৰ, মানুহৰ ঘৰ আনকি এম্বুলেন্সতো ৰুছ বাহিনীয়ে বোমাবৰ্ষণ কৰিছে।' তেওঁ কয় যে সামৰিক বাহিনীৰ কাহানিও আন্তঃগাঁথনি নথকা অঞ্চলতো ৰুছ বাহিনীয়ে ৰকেট-ক্ষেপণাস্ত্ৰ বৰ্ষণ কৰিছে।

### ৰাছিয়াত যুদ্ধবিৰোধী প্ৰতিবাদ

মস্কোত তিনি সহস্ৰাধিক যুদ্ধ বিৰোধী প্ৰতিবাদকাৰীক বিগত তিনিদিনত গ্ৰেপ্তাৰ কৰা হৈছে। এই সম্পৰ্কীয় এক পৰ্যবেক্ষণ গোটে টুইটাৰত প্ৰকাশ কৰে যে প্ৰায় চাৰি হেজাৰ লাকক যুদ্ধ বিৰোধী প্ৰতিবাদ কৰাৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছে। আজিও পুটিনে পাৰমাণৱিক শক্তি বাহিনীক সাজু কৰিবলৈ সেনাৰ মুৰব্বীক নিৰ্দেশ দিয়াৰ পাছত প্ৰতিবাদকাৰীসকল সৰৱ হৈ পৰে আৰু ৰাজপথত কে'বা হেজাৰ লোকে ৰাছিয়াৰ বিভিন্ন স্থানত প্ৰতিবাদ সাব্যস্ত কৰে।

## বিদেশী বিতাৰণ কম ঃ পুঁজি

*এক পৃষ্ঠাৰ পৰা* একেবাৰে নগণ্য। মাত্ৰ ৩২৯ জন ঘোষিত বিদেশীকহে বাংলাদেশলৈ বিতাৰণ কৰা হৈছে। দিছপুৰৰ সূত্ৰই সদৰী কৰে যে বিতাৰণৰ নামমাত্ৰ সংখ্যাৰ বিপৰীতে ব্যয়ৰ পৰিমাণৰ বহু বেছি হোৱা বুলি গৃহ মন্ত্ৰণালয়ে আপত্তি কৰিছে। যাৰ বাবে আগন্তুক দিনত আবণ্টিত পুঁজিৰ পৰিমাণ অধিক হ্ৰাসৰ ইংগিত মন্ত্ৰণালয়ে দিছে। বিদেশী ন্যায়াধিকৰণত বিচাৰাধীন গোচৰৰ সংখ্যাও অত্যধিক হৈ থকাটোৱেও গৃহ মন্ত্ৰণালয়ক ক্ষুণ্ণ কৰিছে। সেই সংখ্যা হ'ল প্ৰায় ১.২৪ লাখ।

সূত্ৰটোৱে উল্লেখ কৰে যে বিত্তীয় বৰ্ষ হিচাপত গৃহ মন্ত্ৰণালয়ে অবৈধ বিদেশী চিনাক্তকৰণৰ বাবদ পুঁজি আবণ্টন দি আহিছে। যোৱা দুটা বিত্তীয় বৰ্ষত আবণ্টিত পুঁজিৰ পৰিমাণ ৬৯ কোটি টকা। প্ৰধানকৈ বিদেশী ন্যায়াধিকৰণসমূহ পৰিচালনাৰ বাবদ এই পুঁজি আবণ্টন দিয়া হয়। ইয়াৰ বিপৰীতে চিনাক্ত বিদেশী বিতাৰণৰ সংখ্যা হ'ল একেবাৰে নগণ্য। সেয়েহে গোটেই প্ৰক্ৰিয়াটো অতি ব্যয়বহুল হোৱা বুলি গৃহ মন্ত্ৰণালয়ে মন্তব্য কৰি পুঁজি আবণ্টনৰ ক্ষেত্ৰত আগন্তুক দিনত কঠোৰ হ'ব বুলি জনাইছে।

দিছপুৰৰ সূত্ৰটোৱে লগতে উল্লেখ কৰে যে বৰ্তমান সক্ৰিয় হৈ থকা এশখন বিদেশী ন্যায়াধিকৰণৰ সংখ্যা বৃদ্ধিও অসম চৰকাৰে সদ্যহতে স্থগিত ৰাখিবলৈ বাধ্য হৈছে। প্ৰথমতে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্ত নোহোৱা প্ৰায় ১৯ লাখ লোকৰ গোচৰ নিষ্পত্তি খৰতকীয়া কৰিবলৈ অতিৰিক্ত এশখন ন্যায়াধিকৰণ স্থাপনৰ সিদ্ধান্ত সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী থকা সময়ত সিদ্ধান্ত লোৱা হৈছিল। এন আৰ চিৰ বিষয়টো আগনবঢ়াত প্ৰক্ৰিয়াটো তাতেই ৰৈ যায় যদিও বিচাৰাধীন গোচৰৰ সংখ্যা অত্যধিক হৈ থকাত নতুন ন্যায়াধিকৰণ স্থাপনৰ পুনৰ বিবেচনা কৰা হয়। কিন্তু গৃহ মন্ত্ৰণালয়ৰ শেহতীয়া স্থিতিয়ে অসম চৰকাৰকো পিছুৱাবলৈ বাধ্য কৰিছে। তথ্য অনুসৰি সম্প্ৰতি বিদেশী ন্যায়াধিকৰণত বিচাৰাধীন আৰু বিচাৰ নোহোৱাকৈ থকা গোচৰৰ সংখ্যা ১,২৩,৮২৯ টা। অৱশ্যে অসম চৰকাৰে কেন্দ্ৰক যুক্তি দিছে যে প্ৰত্যৰ্পণ নীতি নথকা আৰু ঘোষিত বিদেশীক বাংলাদেশে নিজৰ বুলি সহজতে মানি ল'ব নিবিচৰাৰ বাবেই বিতাৰণত জটিলতা আছে।

## বৈদেশিক নীতি সলনি কৰি

*এক পৃষ্ঠাৰ পৰা* ফুৰে। এই পৰিস্থিতিত ৰাষ্ট্ৰখনে সদায়ে সংঘৰ্ষকালীন বিশ্ব মঞ্চতে নীৰৱ ভূমিকা পালন কৰি আহিছে। কিন্তু এইবাৰ ইউক্ৰেইনৰ বেলিকা বহু দশকজোৰা নীতি সলনি কৰিলে বিশ্বৰ অন্যতম শক্তিশালী অৰ্থনৈতিক দেশ জাৰ্মানীয়ে। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ পৰিস্থিতত আজি জাৰ্মানী সংসদৰ এক জৰুৰীকালীন বৈঠক অনুষ্ঠিত কৰা হয়। চেঞ্চেলৰ ওলাফ শ্ব'লছে কয়, 'ইউক্ৰেইন আগ্ৰাসনৰ পৰিপ্ৰেক্ষিতত আমি এক নতুন যুগত উপনীত হ'লো। সংঘৰ্ষপীড়িত অঞ্চললৈ যুদ্ধাস্ত্ৰ প্ৰেৰণৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা নাটকীয়ভাৱে পৰিহাৰৰ কথা ঘোষণা কৰাৰ পাছত বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ ইউক্ৰেইনলৈ প্ৰেৰণ কৰে ৰাষ্ট্ৰখনে। ২০২২ তে সেনাবাহিনীত ব্যয়ৰ বাবে এশ বিলিয়ন ইউৰ' ধাৰ্য কৰাৰ বিষয়েও জাৰ্মানীয়ে সদৰী কৰে। তেওঁ কয়, 'ইউৰোপৰ বৃহত্তম অৰ্থনীতি এতিয়াৰে পৰা দেশৰ প্ৰতিৰক্ষাৰ বাবে মুঠ ঘৰুৱা উৎপাদন (জিডিপি) ৰ দুই শতাংশৰ অধিক ব্যয় কৰিব। পুটিনৰ আগ্ৰাসনৰ বাবেই জাৰ্মানীয়ে দেশৰ সুৰক্ষাত অধিক বিনিয়োগ কৰাটো স্পষ্ট হ'ল বুলি ৰাষ্ট্ৰখনৰ চেঞ্চেলৰজনে প্ৰকাশ কৰে। তেওঁ কয়, 'আমাৰ লক্ষ্য হৈছে আমাক নিৰ্ভৰযোগ্যভাৱে সুৰক্ষিত ৰাখিব পৰা এক শক্তিশালী অত্যাধুনিক সেনাবাহিনীৰ নিৰ্মাণ।' শ্ব'লছে তদুপৰি কয়, 'ইউক্ৰেইনত ৰাছিয়াৰ আগ্ৰাসনে ইতিহাসত নতুন মোৰ দিলে। আমাৰ সমগ্ৰ যুদ্ধোত্তৰ নীতিলৈ এই ভাবুকি কঢ়িয়াইছে। এই পৰিস্থিতিত আমাৰ কৰ্তব্য হৈছে ইউক্ৰেইনক সৰ্বোতো প্ৰকাৰে পুটিনৰ আগ্ৰাসী সেনাৰ পৰা প্ৰতিৰক্ষাৰ বাবে সহায় কৰাটো। আমি ইউক্ৰেইনৰ পক্ষত থিয় দিছো। তথ্য অনুসৰি বাৰ্লিনে এহেজাৰ কামান প্ৰতিৰোধী অস্ত্ৰ আৰু পাঁচশ ক্ষেপণাস্ত্ৰ ইউক্ৰেইনলৈ প্ৰেৰণ কৰিছে। তদুপৰি চাৰিশ কামান প্ৰতিৰোধী ৰকেট লঞ্চাৰ নেদাৰলেণ্ডৰ ভূমিৰে ইউক্ৰেইনলৈ প্ৰেৰণত অনুমোদন জনাইছে। বাৰ্লিনৰ পৰা এই ৰকেট লঞ্চাৰসমূহ নেদাৰলেণ্ডে ক্ৰয় কৰিছে আৰু এইবোৰ কিয়েভলৈ প্ৰেৰণৰ বাবে জাৰ্মানীৰ অনুমোদনৰ প্ৰয়োজন নেদাৰলেণ্ডৰ। ইয়াৰ উপৰি ইষ্ট'নিয়াই ক্ষুদ্ৰ কামান প্ৰেৰণৰ ক্ষেত্ৰতো জাৰ্মানীয়ে অনুমোদন দিছে। কিয়নো এই কামানসমূহ পূব জাৰ্মানীৰ পৰা এসময়ত ক্ৰয় কৰা হৈছিল। অস্ত্ৰৰ উপৰি ১৪ খন সুৰক্ষামূলক সশস্ত্ৰ বাহন প্ৰেৰণ কৰা হ'ব। একেদৰে পোলেণ্ডৰ পৰা ইউক্ৰেইনলৈ ১০ হেজাৰ টন ইন্ধন প্ৰেৰণ কৰাৰ তথ্যও প্ৰকাশিত হৈছে।

## জিএমচিএইছৰ শৌচালয়ত

*এক পৃষ্ঠাৰ পৰা* শৌচালয়ৰ পৰা আজি পুৱা প্ৰায় আঠ বাজি ১০ মিনিটত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মহানগৰীৰ ভঙাগড় আৰক্ষী থানাৰ এক সূত্ৰই 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়া মতে তিনি বছৰীয়া সন্তানৰ মাতৃ তথা প্ৰায় ২৪ বছৰীয়া আয়েছা খাতুনক তেওঁৰ স্বামী হাজেৰ আলীয়ে হত্যা কৰি পেলাই থৈ যোৱা বুলি সন্দেহ কৰা হৈছে।

ভঙাগড় আৰক্ষী থানাৰ সূত্ৰই কয় যে আয়েছা খাতুনৰ মূৰৰ পিছফালে আঘাতৰ চিন স্পষ্ট হৈ আছিল আৰু মূৰ ফাটি ৰক্তাক্ত হৈ পৰি থকা মৃতদেহৰ প্ৰতি লক্ষ্য ৰাখি এয়া এক হত্যাকাণ্ড বুলিয়েই ধাৰণা কৰা হৈছে। সূত্ৰটোৱে কয়, 'আয়েছা খাতুনৰ তিনি বছৰীয়া সন্তান জিএমচিএইছত ভৰ্তি হৈ আছে। চিকিৎসাধীন সন্তানৰ চোৱা-চিতা কৰি গিৰিয়েক হাজেৰ আৰু আয়েছা দুয়োটাই হাস্পতালতেই আছিল বুলি আমাক জনাইছে। কিন্তু অজ্ঞাত কাৰণত আজি পুৱাৰ পৰা গিৰিয়েক হাজেৰ অনুপস্থিত আছে আৰু এই মুহূৰ্তলৈ তেওঁৰ ম'বাইল ফোন বন্ধ হৈ আছে। গতিকে যোগাযোগ স্থাপন কৰিব পৰা নাই।'

উল্লেখ্য যে যোৱা নিশা ১০ বজা পৰ্যন্ত হাজেৰ আলীক চিকিৎসাধীন সন্তানৰ কাষত উপস্থিত থকা দেখা পাইছিল বুলিও প্ৰত্যক্ষদৰ্শীয়ে আৰক্ষীক জানিবলৈ দিছে। বিপৰীতে আজি পুৱা আয়েছা খাতুনৰ ৰক্তাক্ত মৃতদেহ উদ্ধাৰ কৰাৰ সময়ত গিৰিয়েক হাজেৰ আলী অনুপস্থিত থকাত তেওঁৰ ওপৰতেই সন্দেহ ঘনীভূত হৈছে। 'দৈনিক অগ্ৰদূত'ৰ আগত আৰক্ষীৰ সূত্ৰটোৱে কয়, 'গিৰিয়েক হাজেৰ আলীৰ পলায়ন আৰু আয়েছা খাতুনৰ ৰক্তাক্ত মৃতদেহলৈ চাই এয়া এক হত্যাকাণ্ড বুলি আমি সন্দেহ কৰিছো যদিও মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনেহে সকলো কথা স্পষ্ট কৰিব।'

আয়েছা খাতুনৰ তিনি বছৰীয়া সন্তানটো এতিয়াও জিএমচিএইছতে চিকিৎসাধীন হৈ আছে আৰু বৰ্তমান আইতাকে চোৱা-চিতা কৰি আছে বুলিও সূত্ৰটোৱে প্ৰকাশ কৰে। পূৰ্বে আয়েছাই 'মতলিব' নামেৰে এজন ব্যক্তিৰ লগত বিয়া হৈ সংসাৰ চলাই আছিল যদিও যোৱা কিছুছিনৰ পৰা হাজেৰ আলীৰ লগত নতুন সম্পৰ্ক গঢ়ি তুলি একেলগে থাকিবলৈ লৈছিল। আয়েছাৰ ঘৰ ধুবুৰী জিলাৰ গোলকগঞ্জত যদিও শেহতীয়াকৈ মহানগৰীৰ মালিগাঁৱত ভাড়াঘৰত থাকিবলৈ লৈছিল। আয়েছা আৰু হাজেৰ আলী দুয়োটাই দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰিছিল।

# ৰাজনৈতিক পৃষ্ঠপোষকতাতে বাৰ্মিজ

*এক পৃষ্ঠাৰ পৰা* চুপাৰি মাফিয়াই জেৰাত স্বীকাৰ কৰিছে। তাৰ মাজতে আজি বৰাকৰ পাঁচজন চুপাৰি মাফিয়াক তদন্তকাৰী সংস্থাটোৱে পুনৰ জিম্মাত লৈছে। এই চক্ৰটোৰ পৰা এই ছিণ্ডিকেটৰ অধিক তথ্য লাভ কৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে তদন্তকাৰী আৰক্ষীয়ে। আজি জিম্মাত লোৱা ধৃত চুপাৰি মাফিয়া কেইজন হৈছে ক্ৰমে আলতাফ হুছেইন, অঞ্জল পাল, জাকিৰ হুছেইন, ৰাজ শ্বাহ, জাকিৰ হুছেইন লস্কৰ। উল্লেখ্য যে এই চুপাৰি মাফিয়া কেইজনক ইতিমধ্যে কাছাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি নিজৰ জিম্মাত ৰাখিছিল আৰু শেহতীয়াকৈ এইসকলৰ বিৰুদ্ধে অপৰাধ শাখাই গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। তাৰ পাছতে অপৰাধ শাখাৰ এটা দল আজি কাছাৰত উপস্থিতি হৈ তেওঁলোকক নিজৰ জিম্মাত লয়। নিশাই গুৱাহাটী উপস্থিতত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰে তদন্তকাৰী বিষয়াই।

উল্লেখ্য যে বাৰ্মিজ চুপাৰি ছিণ্ডিকেটৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ১২০(বি)/৩৭৯/৪১১/৪৬৫/৪৬৮/৪৭১/ ধাৰাত যোৱা ২৫ জানুৱাৰীত ০১/২০২২ নম্বৰ এক গোচৰ ৰুজু কৰিছিল মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই। এই গোচৰৰ ছিণ্ডিকেট চক্ৰৰ এজন মূল মাফিয়া বিদ্যুৎ সিন্‌হাক গ্ৰেপ্তাৰৰ পাছতে আন্তঃৰাষ্ট্ৰীয় বাৰ্মিজ চুপাৰি ছিণ্ডিকেটৰ এক বৃহৎ অধ্যায় পোহৰলৈ আহে; য'ত কাছাৰ আৰক্ষীৰে বহু কেইজন আৰক্ষী বিষয়াৰ লগতে জিলাখনত কাৰ্যনিৰ্বাহ কৰি অহা কে'বাজনো প্ৰাক্তন আৰক্ষী বিষয়া জেৰাৰ সন্মুখীন হয়। ইয়াৰ পাছতে কাছাৰ আৰক্ষীয়েও বাৰ্মিজ চুপাৰি ছিণ্ডিকেটৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলে। উল্লেখ্য যে ইতিমধ্যে অপৰাধ শাখাৰ গোচৰত সিনহা, ৰিংকু বড়ো, তিৱাৰী, দীপাংকৰ দে, কাৰ্তিক পালকে ধৰি ছজনক মাৰাথন জেৰাৰ অন্তত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে। এইকেইজনে জেৰাত বাৰ্মিজ চুপাৰি ছিণ্ডিকেটৰ বহু গুৰুত্বপূৰ্ণ তথ্য তদন্তকাৰী আৰক্ষীৰ আগত স্বীকাৰ কৰিছে। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি, এই ছিণ্ডিকেটৰ ধন মিজোৰাম আৰু অসমৰ বহু ৰাজনৈতিক নেতাই লাভ কৰাৰ তথ্য পোৱা গৈছে। ইয়াৰ উপৰি বহু আৰক্ষী বিষয়াৰ জেপলৈও বাৰ্মিজ চুপাৰি ছিণ্ডিকেটৰ ধন যোৱাৰ তথ্য লাভ কৰিছে তদন্তকাৰী সংস্থাটোৱে। সমান্তৰালভাৱে কাইলৈৰ পৰা জেৰা চলাবলগীয়া পাঁচ চুপাৰি মাফিয়াৰ পৰা আৰু অধিক তথ্য লাভৰ সম্ভাৱনা আৰক্ষীয়ে প্ৰকাশ কৰিছে যদিও চুপাৰি ছিণ্ডিকেটৰ দীঘলীয়া তালিকাত নাম অহা ৰাজনৈতিক নেতা-আৰক্ষী বিষয়াসকল জেৰাৰ সন্মুখনী হ'ব নে নাই সাম্প্ৰতিক সময়ত এক ডাঙৰ প্ৰশ্ন।

## যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ পৰা স্বগৃহত

*এক পৃষ্ঠাৰ পৰা* পৰাশৰ, চিয়া দাস, হিমাশ্ৰী কাকতি আৰু ডেইজী বসুমতাৰী। তন্ময়ী আৰু চিয়া দুয়োগৰাকীৰ ঘৰ ৰাজধানী মহানগৰীত। যোৱা শনিবাৰে মুম্বাইৰ অসম ভৱনত আহি পোৱা দুয়োগৰাকী ছাত্ৰী আজি পুৱা ইণ্ডিগ' বিমানেৰে বৰঝাৰ বিমানকোঠত অৱতৰণ কৰেহি। উল্লেখযোগ্য যে ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয় আৰু ইউক্ৰেইনস্থিত ভাৰতীয় দূতাৱাসৰ সহযোগত আজি আবেলি পৰ্যন্ত পাঁচশৰো অধিক ভাৰতীয়ক, গৰিষ্ঠ সংখ্যকেই ছাত্ৰ-ছাত্ৰী, যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ পৰা উদ্ধাৰ কৰি দিল্লী আৰু মুম্বাই বিমানকোঠ পায়হি। তাৰে ভিতৰত ১০ গৰাকী অসমৰ ছাত্ৰ-ছাত্ৰী। ইতিমধ্যে ইউক্ৰেইনৰ পৰা ঘূৰি আহি দিল্লী আৰু মুম্বাইস্থিত অসম ভৱনত আশ্ৰয় লৈ থকা অসমীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আছে নগাঁৱৰ শ্বামান্য কুমাৰ শৰ্মা আৰু ছাজাহান হাজৰিকা, নলবাৰীৰ অংশুমান শৰ্মা, মহানগৰীৰ কামাখ্যা ধামৰ গুণজিত কাশ্যপ, কৃতিকা বসন্ত, গহপুৰৰ অনুৰাগ ভূঞা, কামৰূপ জিলাৰ শুৱালকুছিৰ হীমাশ্ৰী কাকতি আৰু মহানগৰীৰ মালিগাঁৱৰ ডেইজী বসুমতাৰী। আজি পৰ্যন্ত দেশলৈ ঘূৰি অহা অসমৰ ১০ গৰাকী যাত্ৰীয়েই ইউক্ৰেইনৰ বিভিন্ন চহৰত অধ্যয়ন কৰি থকা চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী। আজি পুৱা বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠ আহি পোৱা মহানগৰীৰ ডাউন টাউন নিবাসী তন্ময়ী পৰাশৰে কয়, 'ইউক্ৰেইনৰ ৰাজধানী কিয়েভৰ অৱস্থা অতি সংকটজনক। বাংকাৰেই এতিয়া কিয়েভবাসীৰ একমাত্ৰ আশ্ৰয়স্থল। প্ৰতি দুঘণ্টাৰ মূৰে মূৰে চকুৰ আগতে মিছাইলেৰে প্ৰকাণ্ড প্ৰকাণ্ড ঘৰ ভাঙি চূৰ্ণ-বিচূৰ্ণ হোৱা দেখিছো। এক প্ৰকাৰ ক'বলৈ গ'লে কথমপি প্ৰাণ ৰক্ষা কৰি ঘৰলৈ ঘূৰি আহিছো। আহি পাই মনটো কেনেকুৱা লাগিছে তাক ভাষাৰে বুজাব নোৱাৰো।'

বোমা-বাৰুদেৰে আবৃত্ত ইউক্ৰেইনৰ পৰা উদ্ধাৰ কৰি অনা কাৰ্যত অসম চৰকাৰ তথা ভাৰত চৰকাৰলৈ কৃতজ্ঞতা স্বীকাৰ কৰাৰ লগতে অশেষ ধন্যবাদ জ্ঞাপন কৰি মহানগৰীৰ আন এগৰাকী ছাত্ৰী চিয়া দাসে কয়, 'পুনৰ উদ্ধাৰ কাৰ্যসূচী যথেষ্ট জটিল হৈছে। আমাক ইউক্ৰেইনৰ পশ্চিম দিশেৰে ৰোমানীয়া হৈ ভাৰতলৈ ঘূৰাই আনিছে। দেশখনৰ পূব প্ৰান্ত আটাইতকৈ বেছি ক্ষতিৰ সন্মুখীন হৈছে। ৰাজধানী কিয়েভ, চুমি আদিকে ধৰি বহুকেইখন চহৰত অসমকে ধৰি ভাৰতৰ হেজাৰ হেজাৰ লোক এতিয়াও আবদ্ধ হৈ আছে। প্ৰাৰ্থনা কৰিছো, তেওঁলোকো কুশলে নিজ গৃহলৈ উভতি আহক।'

শেহতীয়াকৈ দিন বাগৰাৰ লগে লগে সমগ্ৰ ইউক্ৰেইনত তীব্ৰ খাদ্য সংকটে দেখা দিছে বুলি চিয়াই গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু কয় যে পুনৰুদ্ধাৰ কাৰ্য ক্ষিপ্ৰতৰ কৰা উচিত। উল্লেখ্য যে দেওবাৰৰ সন্ধিয়া পৰ্যন্ত ইউক্ৰেইনত অধ্যয়নৰত ২৭ গৰাকী অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ নিয়ন্ত্ৰণ কক্ষত দিয়া 'টল ফ্ৰি' নম্বৰত যোগাযোগ কৰি উদ্ধাৰ কৰি অসমলৈ ঘূৰাই আনিবলৈ আবেদন জনোৱা বুলি জিলা প্ৰশাসনে 'দৈনিক অগ্ৰদূত'ক জনায়। আনহাতে, সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাই ২৬ জনীয়া ছাত্ৰ-ছাত্ৰীৰ এক তালিকা প্ৰকাশ কৰি ৰাজ্য চৰকাৰৰক এইসকলক উদ্ধাৰৰ বাবে আহ্বান জনায়।

## সাম্যবাদৰ কথা শিকাই গৈছে শংকৰদেৱে

*এক পৃষ্ঠাৰ পৰা* অতিক্ৰম কৰা প্ৰতিটো অঞ্চলত অসমৰ ৰাইজে উপস্থিত হ'বলৈ পোৱা নাই অথবা উপস্থিত হ'লেও শংকৰদেৱৰ আদৰ্শৰ কোনো চিনমোকাম পাবলৈ নাই। সেয়ে শংকৰদেৱে ধৰ্ম প্ৰচাৰ কৰাৰ সময়ত উপস্থিত হোৱা, জিৰণী লোৱা প্ৰতিটো অঞ্চল চিনাক্ত কৰি বৰদোৱাৰ পৰা কোচবিহাৰলৈ সকলো স্থানতে এটাকৈ বিশাল নামঘৰ নিৰ্মাণ কৰা হ'ব আৰু নামঘৰসমূহত হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ থাকিব, যাতে এই যাত্ৰাপথত যোৱা প্ৰতিজনেই শংকৰদেৱৰ আদৰ্শক সজীৱভাৱে প্ৰত্যক্ষ কৰিব পাৰিব।'

কে'বা লক্ষাধিক ভক্তৰ সমাগম ঘটা শংকৰদেৱ সংঘৰ ৯১সংখ্যক অধিবেশনৰ আজি ওৰ পৰে। তৃতীয় তথা অন্তিম দিনৰ কাৰ্যসূচী উপলক্ষে আজি পুৱাৰে পৰা আগমন ঘটে লক্ষ লক্ষ ভকত বৈষ্ণৱৰ। গণশিল্পী সূৰ্য দাসৰ 'মানুহ দেখিছো আজি বহুত মানুহ' শীৰ্ষক চিৰযুগমীয়া গীতটোৰে যেন পুনৰাবৃত্তি ঘটিল বাগ্মীবৰ ককা নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত। নাহৰকটীয়া নগৰৰ মৰাণ তিনিআলিৰ পৰা অধিবেশনস্থলীলৈ যোৱা প্ৰায় তিনি কিলোমিটাৰ পথত মানুহৰ নিৰবিচ্ছিন্ন গতি পৰিলক্ষিত হয়। সেইদৰে মৰাণ ৰাজগড় টিংখাং হৈ অধিবেশনস্থলী সংযোগী পথটোৰেও আগমণ ঘটে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰৰ অগণন ভকত বৈষ্ণৱৰ। উল্লেখ্য যে পুৱা পাঁচ বজাত পৰিৱেশ নিকাকৰণ কাৰ্যসূচীৰে তৃতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হয়। পৰৱৰ্তী প্ৰাতঃ প্ৰসংগ, নাম-প্ৰসংগৰে আগবঢ়া কাৰ্যসূচীৰ পুৱা ন বজাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে উত্তোলন কৰে সংঘৰ পৱিত্ৰ ধৰ্মধ্বজ্জা। পতাকা উত্তোলন কৰি বাগ্মীবৰ নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত সমবেত লাখ লাখ ভকত বৈষ্ণৱক উদ্দেশ্যি গুৰু ভতিমাৰে নিজৰ ভাষণ আৰম্ভ কৰি পদাধিকাৰে কয়, 'এই স্থান আজি যথাৰ্থতে দ্বিতীয় বৈকুণ্ঠ আৰু মহামিলনৰ মহাস্থানত পৰিণত হৈছে।' কীৰ্তন-ঘোষাৰ উদ্ধৃতি দি পদাধিকাৰে পুনৰ কয়, 'কীৰ্তনৰ বেদস্তুতিত ঈশ্বৰ ভক্তসকলে ঈশ্বৰ চিন্তাত নিমগ্ন হৈ তেৰাৰ অমৃত কথা প্ৰৱাহিত কৰি ৰখা মহাস্থানক পুণ্য তীৰ্থ বুলি অভিহিত কৰিছে। ঈশ্বৰৰ পৰম মঙ্গলময় নাম আৰু গুৰুজনাৰ গুণ-যশৰ ধ্বনিয়ে এই স্থানক মহিমামণ্ডিত কৰিছে।' তেওঁ লগতে কয়, 'শংকৰ সংঘৰ অধিবেশনত যি আধ্যাত্মিক আৰু সাংস্কৃতিক পৰিৱেশ ৰচনা হয়, এই পৰিৱেশে এখন সুন্দৰ সমাজ আৰু পৃথিৱী নিৰ্মাণৰে আগলি বতৰা দিয়ে। যিখন সমাজ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিবেশনত মূৰ্তিমন্ত হৈ উঠে, তেনে এখন সমাজেই গঢ়ি তোলাৰ বিৰাট বিপ্লৱ আৰম্ভ কৰিছিল পঞ্চদশ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। গুৰুজনাই সাম্য, মৈত্ৰী আৰু ভ্ৰাতৃত্ববোধৰ আধাৰত যিখন প্ৰগতিশীল মানৱতাবাদী সমাজ নিৰ্মাণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল, সকলো প্ৰকাৰৰ সংকীৰ্ণতা দূৰ কৰি উদাৰতাৰ আধাৰত বৈজ্ঞানিক দৃষ্টিভংগীৰে সু-সমৃদ্ধ এখন সমাজ নিৰ্মাণৰ প্ৰক্ৰিয়া শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই আৰম্ভ কৰিছিল।' পদাধিকাৰে লগতে কয় যে বাগ্মীবৰ নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত ৯১সংখ্যক বাৰ্ষিক অধিবেশনে মানুহক আধ্যাত্মিক উন্নতিৰ মূল পথলৈ যোৱাৰ সোণালী বাট নিৰ্মাণ কৰিলে। গুৰুজনাৰ সমগ্ৰ বিপ্লৱটোৱেই ৰূপান্তৰকামী আছিল বুলিও পদাধিকাৰে নিজৰ ভাষণত উল্লেখ কৰে। পদাধিকাৰৰ ভাষণৰ পাছতে আৰম্ভ হয় দিনটোৰ অন্যতম আকৰ্ষণীয় কাৰ্যসূচী ভাগৱত ভ্ৰমণ আৰু বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা। পুৱা ১০-৩০ বজাত মূল তোৰণৰ পৰা আৰম্ভ কৰা প্ৰায় দুই লক্ষ ভক্তৰ অংশগ্ৰহণৰে হৰিনামৰ ধ্বনিত মুখৰিত হোৱা শোভাযাত্ৰাত ভাগৱত ভ্ৰমণৰ বাবে গৰুড় পক্ষীৰ আৰ্হিত সাজু কৰি তোলা মূল বাহনখনে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। নাহৰকটীয়া চহৰেদি চাচনী হৈ প্ৰায় ১৮ কিলোমিটাৰ পথ পৰিভ্ৰমণ কৰা ভাগৱত যাত্ৰাত ২০খন বাহনত অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ ঠাইৰ প্ৰতীক পটেৰে এক ইতিহাস ৰচনা কৰাৰ লগতে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ শতাধিক সাংস্কৃতিক দলে অংশগ্ৰহণ কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। হস্তীৰে আগুৱাই নিয়া গায়ন-বায়ন, নাহৰকটীয়াৰ ইছলাম সমাজৰ জিকিৰ জাৰি, শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি ভাওনাৰ প্ৰতিকী, শুকমুনিৰ ভাগৱত ব্যাখ্যা, তেম্বুৰানী নদীৰ প্ৰতীক, নৌকা, বিষ্ণু অৱতাৰ, অসমীয়া জন-জীৱনৰ লগত সংপৃক্ত ঢেঁকীশাল তথা অন্যান্য প্ৰতীক, বিহুৰ উপৰি খ্ৰীষ্টান সমাজ, চাহ জনগোষ্ঠী, মেছ কছাৰীকে প্ৰমুখ্য কৰি অন্যান্য জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলৰে পৰিবেষ্টিত এই সাংস্কৃতিক শোভাযাত্ৰাৰ সময়ত পদূলিয়ে পদূলিয়ে চাকি ধূপ-ধূনা আৰু অৰিহণাৰে সেৱা জনালে ভক্তপ্ৰাণ লোকে। শুভাযাত্ৰাৰ পাছতে শংকৰদেৱ সংঘৰ মুখ্য উপদেষ্টা ভৰেন্দ্ৰ নাথ ডেকাই ১১-৩০ বজাত উদ্বোধন কৰে মুকলি সভা। পদাধিকাৰ গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত এই সভাত বৃহত্তৰ নাহৰকটীয়া মুছলিম সমাজে পদাধিকাৰ আৰু মুখ্য সম্পাদক বাবুল বৰাক সম্বৰ্ধনা জনায়। এই সভাতে মুখ্য অতিথিৰূপে উপস্থিত থাকে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণৰ মাজতে শংকৰদেৱ বিশ্ববিদ্যালয়লৈ প্ৰতি বছৰে ছয় কোটিকৈ টকা দিয়াৰ কথা ঘোষণা কৰাৰ লগতে অধিবেশন অনুষ্ঠিত হোৱা বাগ্মীবৰ নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত সুন্দৰকৈ এটা নামঘৰ প্ৰতিষ্ঠাৰ বাবে এক কোটি টকা দিয়াৰ ঘোষণা কৰে।

ইফালে, মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিবিচিৰ নতুন দিল্লীস্থ সাংবাদিক শচীন গগৈ। তেওঁ শ্ৰীমন্ত শংকৰদেৱ সংঘই শংকৰদেৱৰ আদৰ্শক সম্প্ৰসাৰিত কৰাত যি ধৰনৰ ব্যৱস্থা গ্ৰহণ কৰিছে, সেয়া প্ৰশংসনীয় বুলি উল্লেখ কৰে। গগৈয়ে লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘই পৰৱৰ্তী পৰ্যায়ত ভাগৱত যাত্ৰা কেৱল অসমতে সীমাবদ্ধ নাৰাখি বিশ্বৰ বিভিন্ন প্ৰান্তলৈ বিয়পাই দিবলৈ অনুৰোধ জনায়। সভাত উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই কয়, 'গুৰুজনাই ১৪-১৫ শতিকাতে নাটক, গীত-মাতেৰে অসমীয়া জাতিক সমৃদ্ধ কৰিছিল যদিও ১৯ শতিকাত নাটক ৰচনা কৰা উইলিয়াম শ্বেইক্সপীয়েৰ আজি বিশ্বৰ নাটকৰ জনক বুলি জনাজাত।' ছাত্ৰ নেতাজনে লগতে অসমৰ দুয়োখন বিশ্ববিদ্যালয়ত আজি পৰ্যন্ত শংকৰদেৱৰ নামত এখনো আসন প্ৰতিষ্ঠা নোহোৱা বিষয়টোত দুখ প্ৰকাশ কৰে আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘই এইক্ষেত্ৰত এককভাৱে পদক্ষেপ গ্ৰহণ কৰি শ্ৰীমন্ত শংকৰদেৱৰ নামত এখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰি যি বৌদ্ধিক আন্দোলন আৰম্ভ কৰিছে, তাৰ শলাগ লয়। আনহাতে, সভাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকি অসম চৰকাৰৰ যুৱ কল্যাণ আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বড়াই শংকৰদেৱ সংঘই এক সামাজিক মূল্যবোধ প্ৰদান কৰাৰ ক্ষেত্ৰত গ্ৰহণ ভূমিকাক প্ৰশংসা কৰে আৰু শ্ৰীমন্ত শংকৰদেৱৰ গুনানুকীৰ্তন কৰে। সভাত মন্ত্ৰীজনে শ্ৰীমন্ত শংকৰদেৱ সংঘলৈ এখন এম্বুলেন্স প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। মুখ্য অতিথি আৰু সন্মানীয় অতিথিৰ ভাষণৰ পাছতে সংঘই শশীচন্দ্ৰ বৰবৰুৱা বঁটা অধ্যাপক কৈলাশ দাসক আৰু ৰমাকান্ত মুক্তিয়াৰ আতা বঁটা মৰনোত্তৰভাৱে চন্দ্ৰ কিশোৰ ভগতক প্ৰদান কৰে। মুকলি সভাত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, অসম চৰকাৰৰ যোগান মন্ত্ৰী যোগেন মহন, নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, উদ্যোগী শ্যামকানু মহন্ত, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱা, অসম কলেজ শিক্ষক সন্থাৰ সভাপতি হিমাংশু মৰল, সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপদেষ্টা বাসৱ চন্দ্ৰ কলিতা, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, নিৰ্দিষ্ট বক্তা ড° মানস প্ৰতিম বৰা , শিশু বক্তা বিশ্বজিত নেওগ, যুৱ বক্তা মৃগাংক কলিতা আৰু আই মাতৃ বক্তা চুমী চহৰীয়া উপস্থিত থাকে। সভাৰ অন্তত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পৱিত্ৰ ধৰ্মধ্বজ্জাখনি অৱনমন কৰাৰ লগতে ৯২সংখ্যক বাৰ্ষিক অধিবেশনৰ বাবে আয়োজনৰ দায়িত্বপ্ৰাপ্ত জোনাই জিলা শাখাক পতাকা অৰ্পণ কৰে। পাছত সমূহীয়া প্ৰাৰ্থনাৰে অধিবেশনৰ অন্ত পৰে।

### অধিবেশনৰ গ্ৰন্থৰ বিপণীত ৰাইজৰ বিপুল সঁহাৰি ঃ ১৫ লক্ষাধিক টকাৰ গ্ৰন্থ বিক্ৰীৰে অভিলেখ

তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ২৫ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিবেশনত গ্ৰন্থ বিপণী আৰু বাণিজ্য মেলায়ো ৰাইজৰ বিপুল সঁহাৰি লাভ কৰে। মূল অধিবেশন আৰম্ভ হোৱাৰ দুদিন পূৰ্বেই অৰ্থাৎ ২৩ ফেব্ৰুৱাৰীৰ পৰাই ১২শ বিঘাৰ বিস্তীৰ্ণ বাগ্মীবৰ নীলমণি ফুকন সমন্বয় ক্ষেত্ৰৰ চেঙেলীজানৰ পথাৰত মুকলি কৰা হৈছিল গ্ৰন্থ বিপণী আৰু বাণিজ্য মেলা। প্ৰথম দুদিনত গ্ৰাহকৰ বিশেষ সঁহাৰি লাভ নকৰাত ব্যৱসায়ীসকল হতাশ হৈছিল। অৱশ্যে মূল অনুষ্ঠান আৰম্ভ হোৱা দিনধৰি কালিলৈকে ব্যৱসায়ীসকলে ৰাইজৰ বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হয়। বিশেষকৈ গ্ৰন্থ বিপণীত বিগত চাৰি দিনত ১৫ লাখ টকাৰ গ্ৰন্থ ইতিমধ্যে বিক্ৰী হৈছে বুলি ব্যৱসায়ীসকলে জনাইছে। উল্লেখ্য যে অনুৰাধা শৰ্মা পূজাৰীৰ 'ইয়াত এখন অৰণ্য আছিল', ড° ৰুবুল মাউটৰ গ্ৰন্থ 'মোৰ এটা সপোন আছিল' আৰু ৰূপম দত্তৰ 'লাইফ অৱ এ ড্ৰাইভাৰ' গ্ৰন্থই বিপুল সঁহাৰি লাভ কৰা পৰিলক্ষিত হয়। ইয়াৰ উপৰি ভাগৱত, কীৰ্তন ঘোষাকে ধৰি বিভিন্ন ধৰ্মীয় গ্ৰন্থ আৰু সেইসমূহৰ অনুবাদ গ্ৰন্থও সৰ্বাধিক বিক্ৰী হোৱা বুলি ব্যৱসায়ীসকলে জনাইছে। ইফালে, বাণিজ্য মেলাৰ ক্ষেত্ৰতো নাৰ্হাৰীকে ধৰি যোৰহাট কৰঙাৰ কুটীৰ শিল্প আৰু থলুৱা বাদ্যযন্ত্ৰৰ বিপণীয়ে সমাদৰ লাভ কৰে। আজি অন্তিমটো দিনত অধিবেশনস্থলীত সমবেত লক্ষ লক্ষ ভক্তৰ উপস্থিতিয়ে ব্যৱসায়ীসকলক আৰু অধিক লাভৱান্বিত কৰে বুলি তেওঁলোকে জনাইছে।

### ■ ১০৮ সেৱাৰ বাহনৰ অভাৱত মৰিয়নিত এজনৰ মৃত্যু ■ব্যৱস্থা গ্ৰহণৰ দাবী

# ছমাহে গেৰেজত আৱদ্ধ মৰিয়নিৰ ১০৮ সেৱাৰ বাহন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৭ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ ৰাজ্যতে ১০৮ মৃত্যুঞ্জয় সেৱাই গুৰুত্বপূৰ্ণ ব্যৱস্থা হাতত লৈ বহু লোকৰ জীৱন ৰক্ষা কৰাৰ সময়তে মৰিয়নিত ১০৮ সেৱাৰ বাহনৰ অভাৱৰ বাবেই এজন লোকৰ মৃত্যু হোৱাৰ অভিযোগ উত্থাপিত হৈছে। সমান্তৰালভাৱে উন্মোচিত হয় মৰিয়নিত ১০৮ মৃত্যুঞ্জয় সেৱাৰ পয়ালগা ব্যৱস্থাৰো। এই সন্দৰ্ভত মৰিয়নি আৰক্ষী থানাৰ অন্তৰ্গত নিউ সোণোৱাল চাহ বাগিচাৰ গণেশ চবৰ নামৰ এজন লোক গুৰুতৰভাৱে অসুস্থ হৈ পৰে। স্থানীয় লোকে তেওঁক ততাতৈয়াকৈ নাগাজাংকাৰ সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ যায় যদিও চিকিৎসকে সোনকালে উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ নিবলৈ পৰামৰ্শ দিয়ে। লোকজনক নিউ সোণোৱাললৈ উভতাই লৈ যায় আৰু পাছত ১০৮ সেৱাৰ স'তে যোগাযোগ কৰে। কিন্তু প্ৰায় চাৰি ঘন্টালৈকে কোনো বাহন নাহিল। পাছত প্ৰায় চাৰে চাৰি ঘন্টাৰ অন্তত তিতাবৰৰ পৰা ১০৮ মৃত্যুঞ্জয় সেৱাৰ বাহন আহি লোকজনক যোৰহাটলৈ নিয়ে যদিও পথতে লোকজনৰ মৃত্যু হয়। স্বাভাৱিকতে ঘটনাটোৱে অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ১০৮ মৃত্যুঞ্জয় সেৱাৰ বাহনখন কিছু সোনকালে আহি পোৱা হ'লে লোকজনৰ জীৱন ৰক্ষা পৰিলহেঁতেন বুলি সকলোৱে মতপোষন কৰিছে। ইফালে, স্থানীয় ৰাইজে নিউ সোণোৱাল চাহ বাগিচাৰ কৰ্তৃপক্ষৰ স'তেও যোগাযোগ কৰিছিল যদিও তেওঁলোকৰ পৰাও কোনো উপযুক্ত সঁহাৰি নাপালে। উল্লেখ্য যে নিউ সোণোৱাল চাহ বাগিচাত চিকিৎসক আৰু এম্বুলেন্সৰ ব্যৱস্থা নাই। ইয়াকে লৈ বিভিন্ন সময়ত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈ আহিছে যদিও কোনো গুৰুত্ব নাই বাগিচা কৰ্তৃপক্ষৰ। একেদৰে বাগিচা কৰ্তৃপক্ষৰ শ্ৰুতলিপি আওৰাই বছৰ বছৰ ধৰি একেটা পদবীতে খামোচ মাৰি থাকি শ্ৰমিকৰ কল্যাণৰ বাবে কাম কৰা বুলি ফিতাহি পৰা বাগিচা সংঘৰ তথাকথিত নেতাসকলেও এনেবোৰ ক্ষেত্ৰত কোনো কাণসাৰ নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

ইফালে, মৰিয়নি আৰক্ষী থানাত থকা এ এচ ০১ জেচি ৯০১৭ নম্বৰৰ ১০৮ মৃত্যুঞ্জয় সেৱাৰ বাহনখন দীৰ্ঘদিন ধৰি কামৰ পৰা বহি থাকিবলগীয়া হৈছে। পূৰ্বতে মৰিয়নি আৰক্ষী থানাৰ চৌহদতে এই বাহনখন আছিল যদিও ক'ভিড সৃষ্ট পৰিস্থিতিৰ সময়ত বাহনখন নাগাজাংকাৰ সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ যোৱা হয়। কিন্তু শেহতীয়াকৈ বাহনখনৰ বিজুতিৰ বাবে গেৰেজলৈ নিবলগীয়া হয়। উক্ত বাহনখনৰ এটা মাত্ৰ সামান্য বিজুতিৰ বাবেই প্ৰায় ছমাহ মাহ দিন ধৰি শিৱসাগৰ জিলাৰ এটা গেৰেজত পৰি আছে। পূৰ্বতেও এইদৰে সামান্য বিজুতিতে মাহ মাহ ধৰি পেলাই থোৱা হৈছিল মৰিয়নিৰ ১০৮ মৃত্যুঞ্জয় সেৱাৰ বাহনখন। ফলত মৰিয়নিত জৰুৰীকালীন সেৱাৰ বাবে বাহনৰ অভাৱৰ সন্মুখীন হ'বলগীয়া হৈছে জনসাধাৰণ ।



বঙাইগাঁৱত পৌৰসভাৰ নিৰ্বাচনৰ প্ৰচাৰ সভাত ফণীভূষণ চৌধুৰী, দেওবাৰে।

## মৰাণত বৰফুকন আলি বন্ধ হৈ থকাত ৰাইজৰ ক্ষোভ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৭ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ অন্তৰ্গত মৰাণত বৰফুকন আলিটো যোৱা দুদিন ধৰি বন্ধ হৈ থকাত ৰাইজৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ঠিকাদাৰৰ মইমতালিৰ বাবে এনে অৱস্থা হৈছে বুলি ৰাইজে অভিযোগ কৰিছে। খোৱাং আজাৰগুৰীৰ পৰা নিতাইপুখুৰীলৈকে অৰ্ধশতাধীক গাঁৱৰ যোগাযোগৰ প্ৰধান তথা একমাত্ৰ পথটো হ'ল এই বৰফুকন আলিটো। আলিটোৰ সমুখভাগতে খোৱাং আজাৰগুৰীত থকা এটা কালভাৰ্ট নিম্ন মানদণ্ডৰে নিৰ্মাণ কৰাৰ ফলত কিছুদিন পূৰ্বে এটা অংশ বহি গৈছিল। পুনৰ কালভাৰ্টটো উন্নতভাৱে নিৰ্মাণ কৰিবলৈ দাবী জনাই অহাৰ পাছত যোৱা শুক্ৰবাৰে ঠিকাদাৰে পথটো খান্দি পেলায়। কোনো পূৰ্ব জাননী নিদিয়াকৈ কালভাৰ্ট থকা অংশত গোটেই পথটো খান্দি পেলোৱাত চৰম সমস্যাৰ সমুখীন হৈছে বৃহত্তৰ অঞ্চলৰ ৰাইজ। কাষত কোনো উপ-পথৰ ব্যৱস্থা নকৰাকৈ পথটো খান্দি পেলোৱাত বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি বিভিন্ন কৰ্মক্ষেত্ৰলৈ যোৱা লোকসকল ব্যাপক সমস্যাৰ সমুখীন হৈছে। বিশেষকৈ বিদ্যালয়-মহাবিদ্যালয়সমূহত পৰীক্ষা চলি থকাৰ সময়তে ঠিকাদাৰৰ এনে অবিবেচক কাণ্ডৰ ফলত সময়মতে পৰীক্ষাগৃহত উপস্থিত হোৱাৰ পৰাও বঞ্চিত হৈছে। স্থানীয় ৰাইজে কালভাৰ্টো উন্নতভাৱে নিৰ্মাণৰ দাবী জনোৱাৰ লগতে নিৰ্মাণ সম্পূৰ্ণ নোহোৱা পৰ্যন্ত এটা উপ-পথৰ ব্যৱস্থা কৰিবলৈ গড়কাপ্তানী বিভাগক দাবী জনাইছে।

## অসমৰ ৰাইজে জানে কেনেকৈ বিহু পাতিব লাগে

### বিধায়ক পৰমানন্দ ৰাজবংশীৰ বিহু বিষয়ক মন্তব্যৰ বিৰোধিতা ঃ বিহু কৃষ্টি পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**কনিহা, ২৭ ফেব্ৰুৱাৰী ঃ** কেৱল বিহুৰ বিষয়ে অজ্ঞতা প্ৰকাশ কৰাই নহয়, অসমীয়া জাতিৰ বাবে তুচ্ছ মন্তব্য প্ৰকাশ কৰা বিধায়ক পৰমানন্দ ৰাজবংশীৰ বক্তব্যক বিহু কৃষ্টি পৰিষদ, অসমে তীব্ৰ বিৰোধিতা কৰিছে। এক বিবৃতিত বিহু কৃষ্টি পৰিষদ, অসমৰ মুখপাত্ৰ ড° দীপেন দাস আৰু প্ৰচাৰ সম্পাদক নৰকান্ত ডেকাই কয় যে অসমত তিনিটা বিহুৰ পৰম্পৰাগত ৰূপ আছে। ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু, এই তিনিটা বিহুৰ সুকীয়া পৰম্পৰা আৰু ৰূপ আছে। ব'হাগত পৰিৱেশ্য কলা হিচাপে হুঁচৰি, বিহুনাম পৰিৱেশন কৰা হয়। কাতি বিহু আৰু মাঘ বিহুত বিহুগীত পৰিৱেশন নকৰে। যিবিলাক নামত বিহুবাদ্য ব্যৱহাৰ কৰা হয় সেয়ে বিহুনাম। বিহুনাম বুলি ক'লে মুকলি বিহু, গাভৰু বিহু, হুঁচৰি বিহু। এইবোৰতহে বিহুনাম পৰিৱেশন কৰা হয়, য'ত থাকে মনৰ হেঁপাহ-মনৰ আনন্দ। য'ত নাথাকে কোনো বিষাদৰ চিন। মাঘৰ বিহুত কোনো বিহুনাম পৰিৱেশন কৰা নহয়। মাঘৰ বিহুত কেৱল মেজি জ্বলোৱা, মঁহ যুঁজ, কুকুৰা যুঁজ, হাজোৰ বুলবুলি চৰাইৰ যুঁজ আদি পৰিৱেশন কৰা হয়। কাতি বিহু কঙালী বিহু। এই বিহুত পথাৰসমূহ গৰ্ভৱতী অৱস্থাত থাকে। গৰ্ভৱতী সময়ত কোনো ধৰণৰ ঢোল, তাল নবজায়। কেৱল চাকি, ধূপ জ্বলাই ভাল ফলাফল কামনা কৰা হয়। কাতি বিহু, মাঘ বিহুত কোনো কাৰণতে বিহু নচা নহয়। মুখপাত্ৰ আৰু প্ৰচাৰ সম্পাদক গৰাকীয়ে ৰাজবংশীক তীব্ৰ প্ৰত্যাহ্বান জনাই পুনৰ কয় যে অসমৰ ৰাইজে জানে কেনেদৰে বিহু পাতিব লাগে। বিহু নামত, কেৱল ব'হাগৰ বিহুতহে প্ৰতিযোগিতাৰ ভিত্তিত বিহু নাচ প্ৰযোগিতা হয়। ই এক আধ্যাত্মিক পৰম্পৰা। বিহু কৃষ্টি পৰিষদে জন্মলগ্নৰে পৰা মাঘত বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বিৰোধিতা কৰি আহিছে। বিহু গীতসমূহ অধ্যয়ন কৰা দেখা যায়। ব'হাগ বিহুৰ কাৰণেই গীতসমূহৰ প্ৰয়োজন আছে। যেনে— চ'তে গৈয়ে ব'হাগে পালেহি.......। কাতি বিহুত বিহুগীতৰ তাৎপৰ্য আছে, কিন্তু ব'হাগ বিহুত বিহু গীতৰ বিশেষ প্ৰয়োজন নাই। কাতি বিহুতহে বিহুগীতৰ তাৎপৰ্য আছে- বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ টুলুঙা, তাচ্ছিল্য মন্তব্যৰ কোনো ঐতিহাসিক ভিত্তি নাই। আমি বিহু কৃষ্টি পৰিষদে বিধায়কগৰাকীক তীব্ৰ প্ৰত্যাহ্বান জনাইছো, গৰিহণা দিছো। লগতে অসমবাসীৰ ওচৰত এনেকুৱা মন্তব্যৰ বাবে ক্ষমা খুজিবলৈ দাবী জনাইছো।

## ক্ৰীড়া সংগঠক, প্ৰাক্তন খেলুৱৈ দুলাল দত্তৰ মৃত্যুত শোক

বিশেষ সংবাদদাতা,

**শিৱসাগৰ, ২৭ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ নগৰৰ ফুকন নগৰ অঞ্চলৰ জ্যেষ্ঠ নাগৰিক, ক্ৰীড়া সংগঠক, প্ৰাক্তন খেলুৱৈ সৰ্বৰহী দুলাল দত্ত (92)ৰ যোৱা ২৫ ফেব্ৰুৱৰীৰ নিশা বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। শিৱসাগৰ ক্ৰীড়া সন্থাৰ প্ৰাক্তন উপ-সভাপতি জন আছিল শিৱসাগৰ ক্ৰিকেটৰ বাটকটীয়া। তেওঁ টেবুল টেনিচ খেলুৱৈ হিচাপেও স্বীকৃতি লাভ কৰিছিল। দত্তই অনানুষ্ঠানিক ভাৱে টেবুল টেনিচ খেলুৱৈ হিচাপে ভাৰতক প্ৰতিনিধিত্ব কৰি শ্ৰীলংকাৰ টুৰ্ণামেণ্টত অংশগ্ৰহণ কৰিছিল। শিৱসাগৰ ক্ৰীড়াৰ অন্যতম বাটকটীয়া দত্তই ক্ৰিকেট, ফুটবল আৰু টেবুল টেনিচ খেলত জিলাখনক প্ৰতিনিধিত্ব কৰি সুনাম কঢ়িয়াবলৈ সক্ষম হৈছিল। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ, তিনিগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত জিলা ক্ৰীড়া সন্থা, জংগম ক্লাৱ, ফিনিক্স ক্লাৱ, শিৱসাগৰ সাই বাবা ট্ৰাষ্ট, স্পিৰ্নাচ টেবুল টেনিচ কচিং ক্লাৱ, তৰুণ সংঘ ৰিডিং ক্লাৱ, জিলা বাস্কেটবল সন্থা আৰু বৰ্ডিং ফিল্ড টেবুল টেনিচ ক্লাৱ আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে ।

## শ্ৰীৰামপুৰত আদালতৰ নিৰ্দেশত প্ৰশাসনৰ উদ্যোগত জব্দকৃত ম'হৰ নিলাম সম্পন্ন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৭ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-পশ্চিমবংগ সীমান্তৰ শ্ৰীৰামপুৰত কালি গোসাঁইগাঁও মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতৰ নিৰ্দেশত আৰু মহকুমা প্ৰশাসনৰ উদ্যোগত বহিঃৰাজ্যৰ পৰা অবৈধভাৱে অসমত প্ৰৱেশ কৰা জব্দকৃত ম'হৰ এক নিলাম প্ৰক্ৰিয়া সম্পন্ন হয়। বিগত বৰ্ষৰ ৩১ ডিচেম্বৰত বহিঃৰাজ্যৰ পৰা অবৈধভাৱে ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথেৰে বাহন যোগে অসমত প্ৰৱেশ কৰা মুহূৰ্তত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় ৰায়ৰ নেতৃত্বত আৰক্ষীৰ এটি দলে ৰাষ্ট্ৰীয় পথত অভিযান চলাই নথিপত্ৰ বিহীনভাৱে চোৰাংকৈ লৈ অনা ২২ টা ম'হ জব্দ কৰাৰ পাছত গোসাঁইগাঁও আৰক্ষী থানাত ১০ নম্বৰ গোচৰ পঞ্জীয়নভুক্ত কৰা হয়। পৰৱৰ্তী সময়ত গোসাঁইগাঁও মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতে সমগ্ৰ বিষয়টো চালিজাৰি চাই মহকুমা প্ৰশাসনক নিলাম প্ৰক্ৰিয়াৰ জৰিয়তে জব্দকৃত উক্ত ২২টা ম'হ বিক্ৰী কৰাৰ নিৰ্দেশ প্ৰদান কৰে। সেই মৰ্মে যোৱা ২৫ ফেব্ৰুৱাৰীত স্থানীয় এছ ডি লাইভ ষ্ট'ক এণ্ড চেল্টাৰ হাউচৰ সমীপত নিবিদা আহ্বান কৰা হয়। নিবিদা কাৰ্যসূচীত গোসাঁইগাঁও মহকুমাৰ সহকাৰী আয়ুক্ত তথা নিৰ্বাচনী বিষয়া আহমেদুল্লাহ ঠাকুৰীয়া, কোকৰাঝাৰ জিলাৰ উপ-আৰক্ষী অধীক্ষক (সদৰ) পুনম পেগু, কচুগাঁও আৰক্ষীৰ চক্ৰ বিষয়া নৰজিত দাস বাগৰি, গোসাঁইগাঁও মহকুমা পশু চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ মুনীন্দ্ৰ তালুকদাৰৰ লগতে শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় ৰায় উপস্থিত থাকি সমগ্ৰ নীলাম প্ৰক্ৰিয়াৰ বিভিন্ন দিশসমূহ চোৱাচিতা কৰি নিলাম প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰে। নীলামৰ সমগ্ৰ অনুষ্ঠানৰ আঁত ধৰে মহকুমা পশু চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ মুনীন্দ্ৰ তালুকদাৰে। সাত লাখ পয়ত্ৰিশ হেজাৰ টকাৰ সৰ্বোচ্চ নিৰিখ প্ৰদান কৰি মহকুমাটোৰ দামৰাপাৰা গাঁৱৰ জাহাংগীৰ আলমে উক্ত ২২টা ম'হ ক্ৰয় কৰে।

## ওদালগুৰিত কাঠভৰ্তি বাহন, যন্ত্ৰসহ গ্ৰেপ্তাৰ চাৰি

বিশেষ সংবাদদাতা

**ওদালগুৰি, ২৭ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ গোলন্দী নদীৰ সমীপত পৰহি এখন অবৈধ কাঠভৰ্তি বাহনসহ চাৰিজন লোকক গ্ৰেপ্তাৰ কৰে এছএছবি আৰু বন বিভাগে। এছএছবিৰ ২৩ নম্বৰ লালপুল বেটেলিয়নৰ অন্তৰ্গত ফুলবাৰী আৰু কালাঝাৰ শাখাই ওদালগুৰি ধনশিৰি বন বিভাগৰ স'তে আজি পুৱা ১১.৩০ বজাত গোলন্দী নৈৰ সমীপত এখন এএছ২৭চি-১২৪০ নম্বৰৰ পিকআপ বাহনত অবৈধভাৱে কঢ়িয়াই অনা কাঠৰ কুণ্ডা জব্দ কৰে। আনহাতে, বাহনখনত থকা চাৰিজন লোককো অভিযানকাৰী দলটোৱে গ্ৰেপ্তাৰ কৰে। লোক কেইজন হ'ল ৰঞ্জন বসুমতাৰী (৪০), মিঠু দৈমাৰী (২৫), মিথিংগা দৈমাৰী (২৫) আৰু কোপলা বসুমতাৰী (৪২)। ধৃত লোক কেইজনৰ পৰা এটা গছ কটা যন্ত্ৰ, এখন খুকুৰি আৰু চাৰিটাকৈ ম'বাইল ফোন উদ্ধাৰ কৰে।

## গ্ৰাম্য পুথিভঁৰালক গ্ৰন্থ বিতৰণ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** পুথিভঁৰাল সঞ্চালকৰ তৰফৰ পৰা লখিমপুৰ জিলা পুথিভঁৰালৰ জৰিয়তে কালি গ্ৰাম্য পুথিভঁৰালসমূহলৈ গ্ৰন্থ বিতৰণ কৰা হয়। লখিমপুৰ জিলা পুথিভঁৰালৰ অন্তৰ্গত ১০টা গ্ৰাম্য পুথিভঁৰালক মুঠ ১,২৯০খন গ্ৰন্থ বিতৰণ কৰা হৈছে বুলি জিলা পুথিভঁৰাল কৰ্তৃপক্ষই সদৰী কৰে।

## চিনামৰাত পথ দূৰ্ঘটনাত মহিলাৰ মৃত্যু

অগ্ৰদীত বাৰ্তা,

**চিনামৰা, ২৭ ফেব্ৰুৱাৰী ঃ** কালি সন্ধিয়া চিনামৰাত সংঘটিত এক পথ দূৰ্ঘটনাত এগৰাকী মহিলাৰ মৃত্যু হয়। কাইলা নামৰ প্ৰায় ২৫ বছৰীয়া মহিলাগৰাকী এখন চাইকেলৰ কেৰিয়াৰত যোৰহাটৰ দিশত আহি থকা অৱস্থাত চিনামৰা ৰেলৰে ক্ৰছিঙত পৰি যায় আৰু পাছতে আহি থকা এএছ০৫বি৫৫২৫ নম্বৰৰ মিক্সাৰ মেচিন কঢ়িয়াই অনা ট্ৰাকখনৰ চকাৰ তলত সোমাই থিতাতে মৃত্যু হয়। যোৰহাটত থাকি চিনামৰাত পকা মিস্ত্ৰিৰ লগত যোগালি কাম কৰা মহিলাগৰাকীৰ ঘৰ জাগীৰোডত।



তেজপুৰত স্বচ্ছ ভাৰতৰ বিপৰীত ছবি, দেওবাৰে।

## প্ৰাথমিক বিদ্যালয়ত পুষ্টি বাগিচা স্থাপনৰ বাবে তৎপৰ

### 'দৈনিক অগ্ৰদূত'ৰ বাতৰিৰ প্ৰভাৱ ■ অধিকাংশ বিদ্যালয়ত স্থাপনৰ পৰিকল্পনা

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৭ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত 'অধিকাংশ বিদ্যালয়ত স্থাপন নহ'ল বাগিচা-ফুলনি' শীৰ্ষক বাতৰি যোৱা২১ ফেব্ৰুৱাৰীত 'দৈনিক অগ্ৰদূত'ত প্ৰকাশ হোৱাৰ পাছতে শিক্ষা খণ্ডটোৰ একাংশ বিদ্যালয়ে ইতিমধ্যে পুষ্টি বাগিচা স্থাপনৰ বাবে তৎপৰতা আৰম্ভ কৰিছে। উল্লেখ্য যে একাংশ শিক্ষানুষ্ঠাৰ সোনালী জয়ন্তী বৰ্ষ গৰকিছে যদিও ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ অভাৱ হোৱা বিপৰীতে শিক্ষা খণ্ডটোৰ অন্তৰ্গত অধিকাংশ বিদ্যালয়তে সম্প্ৰতি শাক-পাচলিৰ বাগিচা-ফুলনি স্থাপন নোহোৱাৰ ৰাজহুৱা অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে শিক্ষা খণ্ডটোৰ অন্তৰ্গত পি. বি আঞ্চলিক এম ই মাদ্ৰাছাৰ নামৰ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন অনিশ্চিত ভৱিষ্যতৰ দিশে অগ্ৰসৰ হৈছে। আল্লিয়াৰ-গড়গৰী-নাৰায়ণ গাঁও (তিনিপুখুৰী)ত ১৯৭৫তে স্থাপিত বিদ্যালয়খনত সম্প্ৰতি কে'বাটাও পদ খালী হৈ থকা বিষয়টোৱে সচেতন মহলকো চিন্তিত কৰিছে। পি. বি আঞ্চলিক



এম ই মাদ্ৰাছা নামৰ বিদ্যালয়খনৰ অতি গুৰুত্বপূৰ্ণ তিনিটাকৈ পদসহ আন্যান্য পদো খালী হৈ থকাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল বিপাঙত পৰিছে। আনহাতে, শিক্ষা খণ্ডটোৰ অন্তগত ১৭৩ খন নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ অধিকাংশতে শাক-পাচলিৰ বাগিচা আৰু ফুলনি স্থাপন নকৰাত জাঙুৰ খাই উঠিছে আমছু'ৰ নলবাৰী জিলা সমিতি আৰু নলবাৰী জিলা অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে। লগতে সংগঠন দুয়োটাই উক্ত বিদ্যালয়খনৰ শিক্ষকৰ সমস্যাকে ধৰি শিক্ষা খণ্ডটোৰ সংশ্লিষ্ট বিদ্যালয়সমূহত আজিলৈ চৰকাৰে আগবঢ়োৱা ফুলনি আৰু শাক-পাচলি বাগিচাৰ ধনৰ সদব্যৱহাৰ নোহোৱা ৰহস্য ক'ত বুলি প্ৰশ্ন উত্থাপন কৰিছে। ইফালে শিক্ষা খণ্ডটোৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ-বিলপাৰ প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক ইমৰান হুছেইন আৰু পৰিচালনা সমিতিৰ তৎপৰতাত কালি বিদ্যালয়খনত এখন পুষ্টি বাগিচা স্থাপন কৰাৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিভিন্ন ৰঙৰ ফুলৰ পুলি ৰোপণ কৰে।

## বিশ্বনাথত বিজেপি প্ৰাৰ্থীৰ হৈ ঘৰে ঘৰে প্ৰচাৰ অভিনেতা নিয়ন নিৰ্বাণ বৰুৱাৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৭ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথ পৌৰসভা নিজৰ দখলত আনিবলৈ বিজেপিয়ে প্ৰচাৰ অভিযান তুংগত কৰি তুলিছে। ইতিমধ্যে বিশ্বনাথ চাৰিআলি পৌৰসভাৰ ১২ টা ৱাৰ্ডৰ ভিতৰত তিনিটা ৱাৰ্ড বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপিয়ে দখল কৰিবলৈ সক্ষম হৈছে। বাকী থকাৰ ন টা ৱাৰ্ডৰ ভিতৰত এটা ৱাৰ্ড মিত্ৰজোঁট অগপক এৰি দিছে যদিও বাকী থকা ৱাৰ্ডসমূহো বিজেপিয়ে সম্পূৰ্ণভাৱে দখল কৰিবলৈ জোৰদাৰ প্ৰচাৰ অভিযান চলাইছে। প্ৰচাৰ অভিযানৰ অংশৰূপে বিশ্বনাথ চাৰিআলি পৌৰসভাৰ চাৰি নম্বৰ ৱাৰ্ডৰ বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থী মিলন চন্দ্ৰ বৰাৰ হৈ প্ৰচাৰ চলাবলৈ উপস্থিত হয় অসমীয়া বোলছবি জগতৰ জনপ্ৰিয় অভিনেতা নয়ন নিৰ্বাণ বৰুৱা। অভিনেতাজনে চাৰি নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী মিলন চন্দ্ৰ বৰাৰ হৈ এক নিৰ্বাচনী পদযাত্ৰাত অংশগ্ৰহণ কৰি ঘৰে ঘৰে ভোট বিচাৰে।

## উত্তৰ হাজো মণ্ডল কিষাণ মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ২৭ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজোৰ জাপিয়াত উত্তৰ হাজো মণ্ডলৰ কিষান মৰ্চাৰ এখন কাৰ্যনিৰ্বাহক সভা কালি অনুষ্ঠিত হয়। হাজোৰ জাপিয়াৰ ভাস্কৰজ্যোতি কলা পৰিষদ প্ৰাংগণত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত সভাপতিত্ব কৰে উত্তৰ হাজো মণ্ডল কৃষান মৰ্চাৰ সভাপতি উদয় কলিতাই। উক্ত সভাত উপস্থিত থাকি উত্তৰ কামৰূপ জিলা কিষান মৰ্চাৰ সভাপতি ৰাজীৱ লোচন শৰ্মাই কয় যে কৃষকসকলে উৎপাদন কৰা ফচলসমূহৰ বিক্ৰীৰ বাবে উপযুক্ত বজাৰৰ অভাৱত লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। এই ক্ষেত্ৰত কৃষকসকলক সকাহ দিয়াৰ সুবিধাৰ বাবে কিষান মৰ্চাই বিভিন্ন ফলপ্ৰসু আঁচনি যুগুতাই ৰূপায়ণ কৰাৰ পোষকতা কৰিছে । অনুষ্ঠানত উপস্থিত থাকি কিষান মৰ্চাৰ উত্তৰ কামৰূপ জিলাৰ প্ৰভাৰী ভৱানী দাস, হাজো বিজেপিৰ নেতা বিষ্ণু পাঠক, উত্তৰ হাজো মণ্ডল কৃষান মৰ্চাৰ সম্পাদক দীপেন দাস, উত্তৰ কামৰূপ জিলা কৃষান মৰ্চাৰ সম্পাদক সত্যজিৎ দাস, প্ৰদীপ কলিতা, সদানন্দ দাস, ভগৱান বৈশ্য, বসন্ত বৈশ্য, অৰনী মোহন ডেকাৰ উপস্থিতত কিষান মৰ্চাৰ কাৰ্যৰ পৰ্যালোচনা দাঙি ধৰা হয় ।

## আঠ নম্বৰ ৱাৰ্ডৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ কাৰ্যালয় উদ্বোধন

বিশেষ সংবাদদাতা

**পাঠশালা, ২৭ ফেব্ৰুৱাৰী ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই প্ৰাৰ্থীসকলৰ মাজত বৃদ্ধি পাইছে ব্যাপক তৎপৰতা। পাঠশালা পৌৰসভাৰ ছয় নম্বৰ বাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী নিৰ্মল ৰয়ে কালি ছয় নম্বৰ ৱাৰ্ডৰ ইছলামপুৰ আৰু ৰায়তপাৰাত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে ক্ৰমে গাঁৱৰ বয়োজ্যেষ্ঠ নাগৰিক মফিজ আলী আৰু ৰায়তপাতা গাঁওৰ সভাপতি কৈলাশ ৰয়ে। উল্লেখ্য যে পাঠশালা পৌৰসভাৰ নিৰ্বাচনৰ কনিষ্ঠতম প্ৰাৰ্থী তথা বৃহত্তৰ বজালী অঞ্চলৰ সাংবাদিক নিৰ্মল ৰয়ে প্ৰচাৰ চলাইছে। ইপিনে পাঠশালা পৌৰ সভাৰ আঠ নম্বৰ ৱাৰ্ডৰ অগপ বিজেপিৰ প্ৰাৰ্থী ডিম্বেশ্বৰ দাসৰ নিৰ্বাচনী কাৰ্যালয় এটা যোৱা নিশা কেবিনেট মন্ত্ৰী ৰণজিত কুমাৰ দাসে উদ্বোধন কৰে।

## চামতা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত স্বাস্থ্য মেলা

অগ্ৰদূত বাৰ্তা,

**চামতা, ২৭ ফেব্ৰুৱাৰী ঃ** চামতা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত কালি খখৰিশাল উপ-স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত গদিৰাত স্বাস্থ্য মেলা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ মইনুল হক, নলবাৰীৰ ডি এম ই পলাশজ্যোতি বৰা, চামতা খণ্ড স্বাস্থ্য কেন্দ্ৰৰ বিপি ম ফণী শৰ্মা, বিচিএম হিৰণ কলিতা, মনোজ বৈশ্য আদি। দুই শতাধিক পুৰুষ-মহিলাৰ লগতে শিশুৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা সেৱা আগবঢ়ায় ক্ৰমে ডাঃ পি জে নাথ, ডাঃ জিতুমণি তালুকদাৰ, ডাঃ মেৰাজুল হক, ডাঃ বীৰেন মেধি আৰু ডাঃ ৰাজীৱ আহমেদে। আৰম্ভণিতে স্বাস্থ্যমেলা মুকলি কৰে গদিৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মইনুল আলীয়ে। স্বাস্থ্য মেলাত নলবাৰী জিলাৰ ম'বাইল মেডিকেল ইউনিটৰ কৰ্মীৰ দলৰ উপৰি খখৰিশাল উপ-স্বাস্থ্য কেন্দ্ৰৰ কৰ্মীসকলে সহায় আগবঢ়ায়।

## ছয়গাঁও সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত ৰিহাবাৰীত সাংস্কৃতিক বিনিময় অনুষ্ঠান

**ছয়গাঁও, ২৭ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ ছয়গাঁও সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত যোৱা ২৬ ফেব্ৰুৱাৰীত এক সাংস্কৃতিক বিনিময় অনুষ্ঠান ছয়গাঁৱৰ ৰিহাবাৰীত অনুষ্ঠিত হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰে কামৰূপ আৰু মৰিগাঁও জিলাৰ লোক কৃষ্টি দলে। লোকশিল্পী সুকুমাৰ মেধিয়ে আঁত ধৰা অনুষ্ঠানত কামৰূপী লোকগীত, হোলীগীত, বগেজাৰী, নাও খেলৰ গীত আৰু মৰিগাঁৱৰ বৰত আৰু লালি লাং পৰিৱেশন কৰা হয়। আৰম্ভণিতে ছয়গাঁৱৰ সাংস্কৃতিক উন্নয়ন বিষয়া অনুজ বৰুৱাই আদৰণি বক্তব্য ৰখাৰ লগতে শিল্পী পেঞ্চনাৰ কমিছন ৰাভা আৰু ৰিহাবাৰী ৰাইজ গয়ৰহৰ সভাপতি ধৰ্মেশ্বৰ ৰাভাক সম্বৰ্ধনা জনোৱা হয়। ৰিহাবাৰীৰ ৰাইজেও সাংস্কৃতিক বিষয়া অনুজ বৰুৱা আৰু কমিছন ৰাভাক ফুলাম পাজাৰেৰে সম্বৰ্ধনা জনায়।

## চাৰিঙত বেণুধৰ শৰ্মা-মণিৰাম দেৱানৰ মৃত্যুতিথি পালন

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২৭ ফেব্ৰুৱাৰী ঃ** অসমীয়া ভাষা সাহিত্যৰ অন্যতম পুৰোধা ব্যক্তি, বুৰঞ্জীবিদ, সাংবাদিক, মুক্তিযোদ্ধা বেণুধৰ শৰ্মা আৰু স্বাধীনতাৰ প্ৰথম ছহিদ মণিৰাম দেৱানৰ কালি মৃত্যু তিথি উপলক্ষে জন্মস্থান চাৰিঙত পৃথকে পৃথকে অনুষ্ঠিত হয় স্মৃতিচাৰণ সভা। চাৰিং শাখা সাহিত্যসভাৰ উদ্যোগত শাখা সাহিত্য সভা কাৰ্যালয়ৰ চৌহদত থকা বেণুধৰ শৰ্মাৰ আৱক্ষমূৰ্তিত পুৱা মাল্যাৰ্পন আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে সমাজকৰ্মী অকণ চন্দ্ৰ খনিকৰ আৰু দুৰ্বাদ্দল হাজৰিকাই। সাহিত্য সভাৰ সম্পাদক দীপক চন্দ্ৰ বড়াই আঁত ধৰা স্মৃতিচাৰণ সভাত চাৰিং জ্যেষ্ঠ নাগৰিক মঞ্চৰ সম্পাদক কেশৱ গগৈকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ উপৰি জাতীয় বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত সমাজকৰ্মী অকণ চন্দ্ৰ খনিকৰে শৰ্মাৰ



জীৱন দৰ্শনৰ ওপৰত বক্তব্য প্ৰদান কৰাৰ উপৰি কণমানি ছাত্ৰী প্ৰতিষ্ঠ খনিকৰে বক্তব্য ৰাখে। ইফালে জন্মগাঁও দুৰৱাপাৰৰ বৰনামঘৰত ছহিদ মণিৰাম দেৱানৰ মৃত্যু তিথি উপলক্ষে মণিৰাম দেৱান মহাবিদ্যালয়ৰ শিক্ষক গোট আৰু গৌৰজ্যোতি মইনা পাৰিজাতৰ উদ্যোগত আৰু দুৰৱাপাৰবাসীৰ সহযোগত উদযাপন কৰা হয় স্মৃতিচাৰণ সভা। মণিৰাম দেৱানৰ মৃত্যু তিথি উপলক্ষে পুৱা ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হয় হেৰাই যাব ধৰা টেকেলি ভঙা, চকীখেল আৰু পাৰ পানী খেল। বিয়লি ঘনকান্ত বৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰমোদ দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ আৰু বঁটা বিতৰণী সভাত ছহিদ দেৱানৰ জন্মগাঁৱত থকা পুৰণি বাৰীখন চৰকাৰী সংৰক্ষণৰ দাবী উত্থাপন কৰে।

## তিনিদিনীয়াকৈ মহাশিৱৰাত্ৰি পূজা, আয়তীৰ নাম প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ২৭ ফেব্ৰুৱাৰী ঃ** ঐতিহ্যমণ্ডিত দখলা পাহাৰস্থিত শ্ৰীশ্ৰী বুঢ়াগোহাঁই থানত পৰম্পৰাগতভাৱে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে মহাপ্ৰভু শিৱৰ মহাশিৱৰাত্ৰি পূজা আৰম্ভ হৈছে। বুঢ়াগোঁসাই থান পৰিচালনা সমিতি, ২৪ পৰগণা ৰাইজৰ সভাপতি সূৰ্যকান্ত শৰ্মা আৰু সাধাৰণ সম্পাদক শশীভূষণ তালুকদাৰে এই কথা জানিবলৈ দিছে। কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰে শ্ৰীশ্ৰী বুঢ়াগোহাঁই থান পৰিচালনা সমিতি ২৪ পৰগণা ৰাইজৰ উপদেষ্টা গজিন ঠাকুৰীয়াই। ধৰ্মধ্বজা উত্তোলন কৰে পৰগণা ৰাইজৰ সভাপতি সূৰ্যকান্ত শৰ্মাই, শিৱ পুৰাণ পাঠ কক্ষৰ দ্বাৰ উন্মোচন কৰে সমাজকৰ্মী হৰেণ চন্দ্ৰ দাসে, শিৱ পুৰাণ পাঠ উন্মোচন কৰে মুখ্য পাঠক বীৰেন তালুকদাৰে, বৃক্ষৰোপণ কৰে কৰুণাকান্ত তালুকদাৰে। ২৮ ফেব্ৰুৱাৰীত অহোৰাত্ৰি অখণ্ড শিৱ পুৰাণ পাঠ। ২৯ ফেব্ৰুৱাৰীত ১০৯ গৰাকী অকুমাৰী বালিকা সহিতে ধৰ্মীয় শোভাযাত্ৰা আৰু জলাৰোহন মুকলি কৰিব ২৪ পৰগণা ৰাইজৰ কাৰ্যকৰী সভাপতি দ্বিজেন শৰ্মা দলৈয়ে। ইয়াৰ পাছত মহাবাহু ব্ৰহ্মপুত্ৰৰ নদীৰ ঘাটত ঘট বুৰণ। শিৱ অভিষেক, মন্দিৰত বিগ্ৰহ স্নান মুকলি কৰিব পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। দিনত আয়তীসকলৰ নাম প্ৰতিযোগিতা মুকলি কৰিব অসম প্ৰদেশ বিজেপিৰ উপ-সভাপতি জয়ন্ত দাসে, লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব সমাজকৰ্মী-শুভকাংক্ষী দিগন্ত ঠাকুৰীয়া। সন্ধিয়া শিৱ পূজা আৰম্ভ। প্ৰথম প্ৰহৰ ছয় বজাৰ ৭-৩০ বজালৈ, দ্বিতীয় প্ৰহৰ আঠ বজাৰ পৰা ৯-৩০ বজালৈ, তৃতীয় লহৰ ১০-৩০ বজাৰ পৰা ১১-৩০ বজালৈ, চতুৰ্থ প্ৰহৰ ১২ বজাৰ পৰা ১-৩০ বজালৈ চলিব। নিশা দুই বজাত হোমযজ্ঞ, পুষ্পাঞ্জলি প্ৰদান আৰু পূজা সমাপন। ৩-৩০ বজাত প্ৰসাদ বিতৰণ আৰু ভক্তসকলৰ ভোজন গ্ৰহণ। আনহাতে, শিৱৰাত্ৰি পূজা উপলক্ষে আয়োজন কৰা আয়তীনাম প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ ২০০১ টকাৰ লগতে ট্ৰফী আৰু দ্বিতীয় পুৰস্কাৰ ১০০১ টকাৰ লগতে ট্ৰফী প্ৰদান কৰা হ'ব। সমূহ কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগ তথা উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

## তেজপুৰত অসম নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** অসম নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা যোৱা ২৪ ফেব্ৰুৱাৰীত তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ আৰম্ভণিতেই দেশৰ সুকণ্ঠী গায়িকা লতা মংগেশকাৰ, বাপ্পী লাহিড়ী আৰু ৰাজ্যৰ এগৰাকী প্ৰসিদ্ধ শিল্পী অপূৰ্ব বেজবৰুৱাৰ লগতে বিগত সময়ছোৱাত প্ৰয়াত শিল্পীসকলৰ স্মৰণত এক শোকপ্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ পাছতেই যোৱা আঠ আৰু ন জানুৱাৰীত কলাবাৰীত অনুষ্ঠিত নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ অধিবেশনৰ নাট প্ৰতিযোগিতা আৰু অন্যান্য প্ৰতিযোগিতাত তেজপুৰ শাখাৰ পৰা অংশগ্ৰহণকে আদি কৰি বিষয়সমূহৰ ওপৰত পৰ্যালোচনা কৰা হয়। অধিবেশনত স্বৰ্ণপীঠ মণ্ডলৰ তৰফৰ পৰা অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিলৈ উপ-সভাপতিৰূপে মৃগেন চন্দ্ৰ বড়াক নিৰ্বাচিত কৰাত সভাই সন্তোষ প্ৰকাশ কৰে আৰু অভিনন্দন জ্ঞাপন কৰে। লগতে নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ সহকাৰী অভিনেত্ৰীৰূপে অপৰূপা বৰা আৰু আৰু একক অভিনয় প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান লাভ কৰা শিল্পা বৰাক সভাই অভিনন্দন জনাই আৰু এখন সভা অনুষ্ঠিত কৰি সম্বৰ্ধনা জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেজপুৰ শাখাৰ সম্পাদক জিন্টু বৰঠাকুৰে আঁত ধৰা সভাত নব-নিৰ্বাচিত কেন্দ্ৰীয় উপ-সভাপতি মৃগেন চন্দ্ৰ বড়াই অসম নাট্য সন্মিলনৰ সংবিধানৰ কিছু দিশৰ ওপৰত সদস্যসকলৰ জ্ঞাতাৰ্থে আলোকপাত কৰে। তেজপুৰ শাখাৰ উপদেষ্টা তথা বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰী, আজীৱন সদস্য তথা তেজপুৰ শাখাৰ উপ-সভাপতি দীজেন নাথ, উপ-সভাপতি সত্যদেৱ শৰ্মা, কোষাধ্যক্ষ তিলক নাথ, উপ-সভাপতি ভূপেন বৰুৱা, প্ৰচাৰ সম্পাদক দিগন্ত কুমাৰ ভূঞা, সদস্য জ্যোতিপ্ৰসাদ গোস্বামী, অচ্যুত শৰ্মা, বিপ্লৱ শৰ্মা, গৌতম পাঠকে সাংগঠনিক দিশত আৰু তেজপুৰ শাখাৰ বাৰ্ষিক পৰিকল্পনাৰ ওপৰত বক্তব্য দাঙি ধৰে। সভাই নাট্য বিষয়ক আলোচনাচক্ৰ, বাটৰ নাট, মুক্তাংগন নাটকৰ উপৰি ৰাজ্যৰ জাতীয় উৎসৱ ব'হাগ বিহুত জ্যেষ্ঠ মঞ্চ শিল্পী আৰু ভাওনা শিল্পীক সন্মিলনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

## নীলপুৰ-মাজুশিৰালত জলচ্ছেদ উন্নয়ন সজাগতা সভা সম্পন্ন



**অগ্ৰদুত বাৰ্তা,**

**ঘগ্ৰাপাৰ, ২৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী ভুমি সংৰক্ষণ সংমণ্ডলৰ উদ্যোগত কালি ঘগ্ৰাপাৰৰ বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৫ নম্বৰ দিহজাৰী পঞ্চায়তৰ নীলপুৰ আৰু চটাইবাৰী পঞ্চায়তৰ মাজুশিৰালত দুখন জলচ্ছেদ উন্নয়ন সজাগতা সভা সম্পন্ন। দিহজাৰী পঞ্চায়তৰ সভাপতি দীপক কলিতা আৰু চটাইবাৰী পঞ্চায়তৰ সভাপতি দীপুল পাটোৱাৰীয়ে সভাপতিত্ব কৰা সভা দুখনত বিভাগটোৰ সংমণ্ডল বিষয়া আখতাৰ হুছেইন আৰু সহকাৰী সংমণ্ডল বিষয়া গিৰেন চন্দ্ৰ গোপে অংশগ্ৰহণ কৰি ভুমি সংৰক্ষণ বিভাগৰ জৰিয়তে মূলতঃ কৃষক ৰাইজ উপকৃত হ'ব পৰা আঁচনিসমূহৰ বিষয়ে বাখ্যা আগবঢ়ায়। উক্ত সভা দুখনত বিভাগটোৰ নলবাৰীৰ আঞ্চলিক বিষয়া দিলীপ বৰ্মনে অংশগ্ৰহণ কৰি উল্টাখণ্ডা জান, নৈ, বিল, জুৰি, জলাশয় আদিয়ে সৃষ্টি কৰা খহনীয়া কেনেদৰে প্ৰতিৰোধ কৰিব পাৰি সেই বিষয়েব্যাখ্যা কৰে। আনহাতে, উক্ত গাঁও পঞ্চায়ত দুখনৰ কৃষিভুমিত অচিৰেই দুটা জলচ্ছেদ প্ৰকল্প স্থাপন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও তেওঁ সদৰী কৰে। বিজয় বৰ্মন আৰু সুৰেশ কলিতাই আঁতধৰা সভা দুখনত নলবাৰী ভুমি সংৰক্ষণ সংমণ্ডলৰ কৰ্মচাৰী ৰঞ্জিত ভট্ট, দেবেন দাস, ভুবন চন্দ্ৰ মেধি, আৰিফুল হক, তাৰিকুল হক, নাজমা আহমেদ, গীতালী দেৱীৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক বুবুল দাস, মৃগেন শৰ্মা উপস্থিত থাকে।

## ছয়গাঁও স্থায়ী দোকানী সন্থাৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**ছয়গাঁও, ২৭ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ ছয়গাঁও টাউনৰ এটা অন্যতম অনুষ্ঠান ছয়গাঁও স্থায়ী দোকানী সন্থাৰ বছৰেকীয়া সাধাৰণ সভা যোৱা ২৬ ফেব্ৰুৱাৰীত ছয়গাঁও বাঢ়ন্তী পৰগণা সভাঘৰ প্ৰাংগণত অনুষ্ঠিত হয়। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা সন্থাৰ পতাকা উত্তোলন কৰে জ্যেষ্ঠ ব্যৱসায়ী ব্ৰজেন গোস্বামীয়ে। ২৮ বছৰত পদাৰ্পণ কৰা ছয়গাঁও স্থায়ী দোকানী সন্থাৰ সাধাৰণ সভাত সভাপতিত্ব কৰে মাণিক কলিতাই। সম্পাদক কমলেশ্বৰ দাসে আদৰণি ভাষণ পাঠ কৰা সভাখনত আগন্তুক বৰ্ষৰ বাবে মুকুট কলিতাক সভাপতি, ইন্দ্ৰ কলিতাক উপ-সভাপতি, দেৱজিৎ গোস্বামীক সম্পাদক, উজ্জ্বল মেধিক সহ-সম্পাদক, জয়ন্ত কলিতাক সাংগঠনিক সম্পাদক হিচাপে লৈ এখন কমিটী গঠন কৰা হয়। সভাত জ্যেষ্ঠ ব্যৱসায়ী লোহিত ঠাকুৰীয়া, মমতাজ আলী, সুখেন্দ্ৰ দেৱ, ধনীৰাম বৰা, অতুল কলিতা, উমেশ চৌধুৰী, জগদীশ গোস্বামী, প্ৰভাত দাস, গ্ৰামীণ চাহাবাৰ সচিব শৰৎ দাস আৰু সাংবাদিক বিশ্বজিৎ দাসক সম্বৰ্ধনা জনোৱা হয়।

## শালনাত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ২৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ শালনাৰ ৰেলপথৰ কাষত কালি পুৱা এটা মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হয়। মৃতদেহটো শালনা বৰঘাটৰ ছয় নম্বৰ লাইনৰ নিৰঞ্জন কুমাৰৰ পুত্ৰ চুবৰাজ কুমাৰ (২৫) বুলি চিনাক্ত কৰা হয়। দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া লোকজনৰ দেহত আঘাতৰ চিন আছে। আজি পুৱা লোকজনৰ মৃতদেহটো ৰেলপথৰ কাষত পৰি থকাত স্থানীয় লোকে শালনা টহলদাৰী আৰক্ষী চকীক খবৰ দিয়ে। পাছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ৰেল আৰক্ষীয়ে নগাঁৱলৈ নিয়ে। আৰক্ষীয়ে সন্দেহ কৰা মতে, নিশা ৰেলৰ খুন্দাত লোকজনৰ মৃত্যু হৈছে। ইপিনে, স্থানীয় ৰাইজৰ মাজত ৰেলৰ খুন্দাত যদি লোকজনৰ মৃত্যু হৈছে তেনেহ'লে গাৰ চোলাটো কেনেকৈ দেহৰ পৰা সুলকি আহিল বুলি চৰ্চা হৈছে।

## চুতীয়া জাতি সন্মিলনৰ সভা

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ২৭ ফেব্ৰুৱাৰী ঃ** সদৌ চুতীয়া জাতি সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু শিৱসাগৰ জিলা সন্মিলনৰ যুৱ দ'লত অনুষ্ঠিত হ'ব। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সভাত সকলো বিষয়ববীয়াক নিৰ্দিষ্ট সময়ত উপস্থিত থাকিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

## হাজোৰ গাঁওবুঢ়া ভৱনত বীমা পলিচি বিতৰণ

**অগ্ৰদূত বাৰ্তা,**

**হাজো, ২৮ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওবুঢ়া ভৱনত কালি জিলা কৃষি বিভাগৰ উদ্যোগত আৰু কামৰূপ জিলা প্ৰশাসনৰ সহযোগত ফচল বীমা যোজনা সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। উক্তসভাত হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৭০ জন কৃষকৰ মাজত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত বীমা পলিচি বিতৰণ কৰা হয়। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰুমী গোস্বামী, কৃষি সম্প্ৰসাৰণ সহায়ক অভিজিৎ কলিতা, প্ৰশান্ত দাস লগতে অনুপমা দাস। সভাখনত হাজো চক্ৰৰ শতাধিক কৃষকে অংশগ্ৰহণ কৰে। উক্ত সভাত কৃষি বিভাগৰ হৈ আঁতধৰে কৃষি বিষয়া ৰুমী গোস্বামীয়ে।

## তুলুঙীয়াত চিলনী চোৰৰ সন্ত্ৰাস

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৭ ফেব্ৰুৱাৰী ঃ** উত্তৰ শালমাৰা মহকুমাৰ তুলুঙীয়াত আজি দিনৰ ভাগতে অৱসৰপ্ৰাপ্ত আৰক্ষী এজনৰ পৰা চিলনী চোৰে টকাৰ বেগ এখন নিবলৈ চলোৱা চেষ্টা ব্যৰ্থ হয়। বঙাইগাঁও জিলাৰ মানিকপুৰ নোৱাপাৰাৰ মানিক দাস নামৰ আৰক্ষী বিভাগৰ অৱসৰপ্ৰাপ্ত লোকজনে অভয়াপুৰীস্থিত ভাৰতীয় ষ্টেট বেংকলৈ আহি একলাখ টকা নিজৰ একাউন্টৰ পৰা উলিয়ায়। টকাখিনি এখন বেগত লৈ ঘৰলৈ ওভোতাৰ বাবে এখন মেজিকত উঠি তুলুঙীয়ালৈ যায়। তুলুঙীয়াত তেওঁ মেজিকৰ পৰা নামি গাড়ী ভাড়া আদায় দিয়াৰ পাছতে পাছফালৰ পৰা মটৰ চাইকেলত অহা দুজন যুৱকে টকাৰ বেগখন থপিয়াই নিয়াৰ চেষ্টা কৰে যদিও বেগখন কোনোপধ্যেই এৰি নিদিয়াত যুৱক দুজনে মটৰ-চাইকেলেৰে এশমিটাৰমান পথ চোঁচৰাই নিয়াৰ পাছত পথাচাৰীয়ে চিঞৰ-বাখৰ লগায়। এনে অৱস্থাত মটৰ চাইকেলত অহা যুৱক দুজনে টকাৰ বেগখন এৰি দি উধাও হয়। লোকজনে ভৰিত আঘাত পায়।

## সমাজকৰ্মী চন্দ্ৰ ফুকনৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৭ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ নগৰৰ সমীপৰ মৰনৈকিনাৰ অঞ্চলৰ সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি কিৰণ চন্দ্ৰ ফুকন (৬৪) ৰ পৰহি নিশা ১১ বজাত মৃত্যু হয়। অমায়িক স্বভাৱৰ লোকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যু সময়ত পত্নীসহ, দুই পুত্ৰ আৰু এগৰাকী কন্যা এৰি যায়।

# বিটিচিত টে'ট উত্তীৰ্ণ অভাৱত খালী হাইস্কুল শিক্ষকৰ পদ

## ■ ৰভৰৱকুণ্ডত বড়োলেণ্ড একাডেমীক কাউন্সিলৰ পঞ্চম বাৰ্ষিক অধিবেশন সম্পন্ন

**বিশেষ সংবাদদাতা,**

**ওদালগুৰি, ২৭ ফেব্ৰুৱাৰী ঃ** 'যি সময়ত এটা চৰকাৰী চাকৰিৰ বাবে হেজাৰ হেজাৰ নিৰনুৱাই হাবাথুৰি খাবলগীয়া হৈছে সেই একেই সময়তে বিটিচিত শিক্ষক নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰাৰ পাছতো উপযুক্ত প্ৰাৰ্থীৰ অভাৱত বহু পদ এতিয়াও খালী হৈ আছে। বিশেষকৈ বড়ো মাধ্যমৰ বহু শিক্ষকৰ পদত নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশৰ পাছতো হাইস্কুল টে'ট উত্তীৰ্ণ প্ৰাৰ্থীৰ অভাৱত নিযুক্তি দিব পৰা নাই বিটিচিৰ শিক্ষা বিভাগে।' এই মন্তব্য বিটিচিৰ শিক্ষা বিভাগৰ সঞ্চালক জয় প্ৰকাশ ব্ৰহ্মৰ। কালি ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ডত এদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা বড়োলেণ্ড একাডেমীক কাউন্সিলৰ পঞ্চম বাৰ্ষিক সাধাৰণ সভাত উপস্থিত হৈ বিটিচি অঞ্চলৰ চৰকাৰী শিক্ষাখণ্ডৰ বিভিন্ন সমস্যাৰ বিষয়েআলোকপাত কৰাৰ লগতে বৰ্তমানেও বিটিচিত ৩৩৭৩ টা শিক্ষকৰ পদ খালী হৈ থকাৰ কথা ব্যক্ত কৰি উদ্বিগ্নতা প্ৰকাশ কৰে




বিটিচিৰ শিক্ষা বিভাগৰ সঞ্চালক ব্ৰহ্মাই। তেওঁ নিযুক্তিৰ ক্ষেত্ৰত বিজ্ঞাপন প্ৰকাশৰ পাছতো উপযুক্ত প্ৰাৰ্থীৰ অভাৱত বহু পদ থালী থকাৰ কথা উল্লেখ কৰাৰ লগতে একাংশ পদত আদালতৰ স্থগিতাদেশৰ বাবে নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব নোৱাৰা বুলিও উল্লেখ কৰে। তেওঁ বিটিচি অঞ্চলত খালী হৈ থকা শিক্ষক পদ পূৰণৰ বাবে বিশেষ টে'ট পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবেও ৰাজ্য চৰকাৰৰ স'তে আলোচনা অব্যাহত ৰখা বুলিও কয়। ইপিনে, নতুন শিক্ষা নীতিৰ ওপৰতো বিটিচিৰ শিক্ষা বিভাগৰ সঞ্চালকজনে আলোকপাত কৰি নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰাটো সকলোৰে বাবে এক প্ৰত্যাহ্বান যদিও নতুন শিক্ষা নীতিৰ সফল ৰূপায়নে শিক্ষা ব্যৱস্থাত এক আমুল পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব বুলিও মন্তব্য কৰে। ওদালগুৰি জিলাৰ একাডেমী কাউন্সিলৰ সাধাৰণ সম্পাদক গায়ত্ৰী ভট্টৰায়ে আঁতধৰা সভাত ওদালগুৰিৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জয়পাল সিং ব্ৰহ্ম, বাগসা বিদ্যালয়সমূহৰ পৰিদৰ্শক ভবেন দেউৰী, চিৰাঙৰ বিদ্যালয়ৰসমূহৰ পৰিদৰ্শক, বড়োলেণ্ড একাডেমী কাউন্সিলৰ নৱনিৰ্বাচিত কাৰ্যকৰী সভাপতি আব্দুল হাকিম তপাদাৰ আদি কে'বাজনো বিশিষ্ট লোকে ভাষণ প্ৰদান কৰি চৰকাৰী শিক্ষাখণ্ডৰ উন্নীতকৰণ তথা নতুন শিক্ষানীতিৰ সফল ৰূপায়নৰ আলোকপাত কৰে। উক্ত সভাত বড়োলেণ্ড একাডেমী কাউন্সিলৰ পুৰণি সমিতি ভংগ কৰি বিটিচিৰ শিক্ষাবিভাগৰ সঞ্চালক জয়প্ৰকাশ ব্ৰহ্মক সভাপতি, আব্দুল হাকিম তপাদাৰক কাৰ্যকৰী সভাপতি আৰু গায়ত্ৰী ভট্টৰায়ক সাধাৰণ সম্পাদকৰূপে লৈ এখন বড়োলেণ্ড একাডেমিক কাউন্সিল গঠন কৰা হয়।

## বঙাইগাঁৱত ভোটাৰক ভাবুকি দিয়াৰ অভিযোগ মন্ত্ৰী পাটোৱাৰীৰ

### পৌৰসভাৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ

**অগ্ৰদূত ব্যুৰ ,**

**বঙাইগাঁও , ২৭ ফেব্ৰুৱাৰী ঃ** পৌৰসভা নিৰ্বাচনক কেন্দ্ৰ কৰি বঙাইগাঁও চহৰত ৰাজনৈতিক দলসমূহৰ প্ৰস্তুতি তথা প্ৰচাৰ অভিযান তুংগত হৈ উঠিছে। চহৰখনত ভোটাৰক ভয়-ভাবুকি প্ৰদান কৰা বুলিও বিজেপিৰ পৰা উত্থাপন কৰা হৈছে।পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কালি এই অভিযোগ উত্থাপন কৰে উল্লেখ্য যে বিজেপিৰ প্ৰচাৰ কাৰ্যসূচীৰ উদ্দেশ্যে বঙাইগাঁৱত কালি হয় মন্ত্ৰী পাটোৱাৰীয়ে। কয় যেবঙাইগাঁৱত কেইজনমান ঠিকাদাৰে ভোটাৰসকলক ভয়-ভাবুকি প্ৰদান কৰিছে বিজেপিৰ প্ৰাৰ্থীক ভোট নিদিবলৈ কোন দলৰ নিদিবলৈ তেওঁ উল্লেখ কৰা নাই যদিও কিন্তু এনে কাৰ্যত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে মন্ত্ৰীজনে। ইপিনে বঙাইগাঁও চহৰৰ বিকাশৰ প্ৰশ্নত তেওঁ ক্ষোভ প্ৰকাশ কৰি কয় যে বঙাইগাঁৱৰ দৰে গুৰুত্বপূৰ্ণ চহৰ এখনত ইমান দিনে মাষ্টৰপ্লেন নথকা এক আশ্চৰ্যৰ বিষয় বুলি কয়। লগতে তেওঁ জনায় যে বিজেপি দলৰ নেতৃত্বত বঙাইগাঁও পৌৰসভা গঠন হ'লে প্ৰথমতে চহৰখনত মাষ্টৰপ্লেন বনোৱা হ'ব। নলা আৰু পাৰ্কিঙৰ সমস্যা দূৰ কৰা হ'ব । এইবাৰ বঙাইগাঁও পৌৰসভা বিজেপিৰ নেতৃত্বত গঠন হ'ব বুলি মন্ত্ৰী পাটোৱাৰীয়ে আশাবাদী বুলি ব্যক্ত কৰে। কালি আবেলি মন্ত্ৰীজনে বঙাইগাঁও জিলা বিজেপি কাৰ্যালয়ত বিজেপিৰ পৌৰসভা নিৰ্বাচনৰ ইস্তাহাৰ প্ৰকাশ কৰে।

উক্ত অনুষ্ঠানত বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে, বঙাইগাঁও জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী সহ কে'বাজনো নেতা উপস্থিত থাকে।

## ঢেকিয়াজুলি তিনি নম্বৰ ৱাৰ্ডত বিজেপিৰ পদযাত্ৰা

**অগ্ৰদূত বাৰ্তা,**

**শিঙৰী, ২৭ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত ঢেকিয়াজুলি পৌৰসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে দলীয় আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। দলীয় প্ৰাৰ্থীসকলে নিজা প্ৰচেষ্টাৰে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সমান্তৰালকৈ দলীয় নেতা-কৰ্মীসকলেও দলৰ প্ৰাৰ্থীসকলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। বিজেপিৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বিজেপিৰ ঢেকিয়াজুলি নগৰ মণ্ডল কমিটীয়ে কালি তিনি নম্বৰ ৱাৰ্ডত পদযাত্ৰা উলিয়ায় । আবেলি ৩-৩০ বজাত মনজুলিৰ পৰা উলিওৱা পদযাত্ৰাত অংশগ্ৰহণকাৰীসকলে ঘৰে ঘৰে গৈ ভোটদাতাসকলক সাক্ষাৎ কৰি ভোট ভিক্ষা কৰে । অহা ছয় মাৰ্চত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত বিজেপি প্ৰাৰ্থীৰ সপক্ষে ভোটদান কৰিবলৈ তেওঁলোকে ভোটাৰ ৰাইজক আহ্বান জনায়। এই পদযাত্ৰা কাৰ্যসূচীত বিজেপিৰ শোণিতপুৰ জিলা কমিটীৰ সভাপতি বাটাচ ওৰাং, ঢেকিয়াজুলি পৌৰসভাৰ প্ৰাক্তন পৌৰপতি জন শইকীয়া, তুলিকা শইকীয়া, ঢেকিয়াজুলি আঞ্চলিক পঞ্চায়তৰ সভাপতি শিৱচৰণ চাহু, বিজেপিৰ নগৰ মণ্ডল কমিটীৰ সভাপতি আশীষ মজুমদাৰ, সম্পাদক জিতু কলিতা, সঞ্জয় সাহা, তিনি নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী অশোক দত্তৰ লগতে দুই শতাধিক দলীয় কৰ্মী উপস্থিত থাকে। পদযাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰি ঢেকিয়াজুলি পৌৰসভাৰ প্ৰাক্তন পৌৰপতি তথা বিজেপি নেতা জন শইকীয়াই কয়, 'ঢেকিয়াজুলিবাসী ৰাইজে উন্নয়ন বিচাৰিছে। গতিকে উন্নয়নৰ স্বাৰ্থত ৰাইজে বিজেপি প্ৰাৰ্থীৰ সপক্ষে ভোটদান কৰিব। বিগত সময়ত ঢেকিয়াজুলিৰ উন্নয়নৰ বাবে বিজেপি চৰকাৰে বহু কাম কৰিছে।'

## মৰিয়নি মহাবিদ্যালয়ত 'নাক'ৰ মূল্যায়ন সম্পৰ্কীয় কৰ্মশালা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৭ ফেব্ৰুৱাৰী ঃ** মৰিয়নি মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত যোৱা কালি এক কৰ্মশালা অনুষ্ঠিত কৰা হয়। আৰম্ভণিতে মহাবিদ্যালয়খনৰ সভাকক্ষত অনুষ্ঠিত 'ইভানৱেছন এণ্ড এক্ৰিডিয়েশ্বন প্ৰছেচ অৱ নাক' শীৰ্ষক কৰ্মশালা উদ্বোধন কৰি মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মঞ্জুলা বৰঠাকুৰে কৰ্মশালাৰ গুৰুত্ব সম্পৰ্কে উল্লেখ কৰে। মৰিয়নি মহাবিদ্যালয়ে পৰৱৰ্তী সময়ৰ ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়নৰ বাবে যাৱতীয় প্ৰস্তুতি চলাই থকাৰ সময়ত কৰ্মশালাৰ গুৰুত্ব অপৰিসীম বুলি লগতে উল্লেখ কৰে। তেওঁ লগতে এই কৰ্মশালাৰ জৰিয়তে আগন্তুক 'নাক'ৰ পৰ্যবেক্ষণৰ সময়ত কিদৰে নিজকে সাজু কৰিব লাগিব সেই সম্পৰ্কেও জানিব পাৰিব বুলি মন্তব্য কৰে। কৰ্মশালাত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি ফৰকাটিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অপূৰ্ব শইকীয়াই বৰ্তমান ৰাষ্ট্ৰীয় মূল্যাংকন প্ৰক্ৰিয়া পূৰ্বতকৈ সলনি হৈছে বুলি উল্লেখ কৰে। সেয়েহে মহাবিদ্যালয়সমূহে 'নাক'ৰ প্ৰস্তুতি চলাওঁতে এই প্ৰক্ৰিয়া বা নীতিসমূহৰ বিষয়ে সচেতন হ'বলৈ আহ্বান জনায়। তেওঁ ৰাষ্ট্ৰীয় মূল্যায়নৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰ বা তথ্য -পাতি কিদৰে প্ৰস্তুতি কৰিব লাগে আৰু কিদৰে অনলাইনযোগে প্ৰেৰণ কৰিব লাগে সেই সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ কৰে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° গৌতম দেৱে পৰিচালনা কৰা কৰ্মশালাখনত উপস্থিত থাকি মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কৰ্মশালাই মৰিয়নি মহাবিদ্যালয়ক বহু উপকৃত কৰিব বুলি উল্লেখ কৰাৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলোকে পূৰ্ণ উদ্যমেৰে মহাবিদ্যালয়খনৰ সৰ্বাংগীণ বিকাশৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। আনহাতে, 'নাক'ৰ দ্বাৰা যাতে ভাল মূল্যায়ন লাভ কৰে তাৰ বাবে প্ৰচেষ্টা চলোৱাৰ লগতে সকলো প্ৰকাৰৰ যাৱতীয় ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

## মুখপত্ৰৰ বাবে লেখা আহ্বান

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ২৭ ফেব্ৰুৱাৰী ঃ** টিএমপিকে, এমএমকে আৰু টিএমএমকেৰ শিৱসাগৰ জিলা সমিতিৰ ত্ৰি-বাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি মুখপত্ৰ প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হৈছে। সমাজৰ বিভিন্ন দিশৰ লগত সংগতি ৰাখি চিন্তাশীল ব্যক্তি আৰু সামাজিক দিশৰ প্ৰতি লক্ষ্য ৰাখি অহা ১৫ মাৰ্চৰ ভিতৰত লেখক আৰু লেখিকাসকলক তেওঁলোকৰ লেখাসমূহ milikatiram@gmail.com. এই ঠিকনাত পঠাবলৈ সম্পাদক কাতিৰাম মিলিয়ে আহ্বান জনাইছে।

## চতিয়াৰ কৈৰয়নীত কৃষি বিভাগ কৃষকৰ হাতত তুলি দিলে শস্য বীমাৰ পলিচী


**অগ্ৰদূত বাৰ্তা**

**চতিয়া , ২৭ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ কৃষি বিভাগে চতিয়াৰ কৈৰয়নীৰ এক নম্বৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত সভাত কৃষকসকলক অৰ্পণ কৰে প্ৰধানমন্ত্ৰী শস্য বীমাৰ পলিচী বিশ্বনাথ জিলাৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে কৃষকসকলক পলিচীসমূহ বিতৰণ কৰি প্ৰতিগৰাকী কৃষকে নিজৰ শস্যসমূহ বীমা কৰিবলৈ আহ্বান জনায়। উপায়ুক্তই কয় যে আমাৰ গাড়ীখন নিজৰ জীৱনটো বীমা কৰি যিদৰে ভৱিষ্যতলৈ সুৰক্ষিত কৰিবলৈ আগ্ৰহী, ঠিক সেইদৰে আপোনাৰ মূৰৰ ঘাম মাটিত পেলাই কৰা কৃষি পথাৰ সুৰক্ষিত কৰিবলৈ সকলো কৃষক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। বিধায়ক প্ৰমোদ বৰঠাকুৰে কৃষকসকলক চৰকাৰে প্ৰদান কৰা প্ৰতিটো সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। জিলা কৃষি বিভাগৰ উদ্যোগত অনুষ্ঠিত সভাত বিশ্বনাথ জিলা কৃষি বিষয়া দীপক বাঢ়ৈ মহকুমা কৃষি বিষয়া মনোজ নাৰ্জাৰী, চতিয়া খণ্ড কৃষি সম্পসাৰণ বিষয়া মনোজ গগৈ কৃষি বীমা প্ৰতিষ্ঠানৰ ৰাজ্যিক সমন্বয়ক মিথুন সিনহা, বীমা প্ৰতিষ্ঠানৰ জিলা সমন্বয়ক নুৰ ইছলাম, বীমা প্ৰতিষ্ঠানৰ ক্ষেত্ৰ বিষয়া জেহিৰুল হক আৰু চতিয়া জিলা পৰিষদৰ সদস্যা ধনদা গগৈ উপস্থিত থাকে।

## ৰজাবাহৰত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে বিয়ানাম প্ৰতিযোগিতা

**বিশেষ সংবাদদাতা**

**নগাবাট, ২৭ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ ৰজাবাহৰত আঠ মাৰ্চত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে আন্তৰ্জাতিক নাৰী দিৱস। ৰজাবাহৰ মহিলা চ'ৰাৰ উদ্যোগত ৰূপালীম প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব লগা কাৰ্যসূচীৰ লগত সংগতি ৰাখি বিদ্যাধৰ বুঢ়াগোহাঁইৰ সোঁৰণত বিয়ানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ লগতে থাকিব শোভাযাত্ৰা আৰু মুকলি সভা। বিয়ানামত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগী দলে উদ্‌যাপন সমিতিৰ ৯৪৩৫৮২৩২২১ নম্বৰত যোগাযোগ কৰিব পাৰিব।



*যোৰহাটত অসম শিশু ভাওনা সমাৰোহৰ শোভাযাত্ৰা, দেওবাৰে।*

## আঠখেলীয়াত চতুৰ্বিংশতি অখণ্ড শ্ৰীমদ্ভাগৱত পাঠৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বৰহোলা, ২৭ ফেব্ৰুৱাৰী ঃ** আঠখেলীয়া নামঘৰক কেন্দ্ৰ কৰি গঠন হোৱা আঠখেলীয়া আঞ্চলিক অখণ্ড শ্ৰীমদ্ভাগৱত পাঠৰ চতুৰ্বিংশতি সংখ্যক বৰ্ষ অহা ১০ৰ পৰা ১৮ মাৰ্চলৈ বৰহোলাৰ দুই নম্বৰ নাঙল কুৰি নামঘৰত অনুষ্ঠিত কৰিবলৈ লৈছে। আঠখেলীয়া আঞ্চলিক অখণ্ড শ্ৰীমদ্ভাগৱত পাঠৰ স্থায়ী সমিতিৰ সম্পাদক তুলসী বৰাই জানিবলৈ দিয়া মতে ইতিমধ্যে মৃদুল বৰাক সভাপতি আৰু শ্ৰীমন্ত চুতীয়াক সম্পাদকৰূপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰি কাৰ্যসূচী প্ৰকাশ কৰিছে। প্ৰথমদিনা তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই অনুষ্ঠান উদ্বোধন কৰাৰ পাছতে 'ভাগৱতী ধৰ্মত বেদৰ প্ৰাসংগিকতা আৰু গাৰ্হস্থ্য জীৱনত ইয়াৰ প্ৰভাৱ' শীৰ্ষক এক ধৰ্মলোচনী সভা অনুষ্ঠিত হ'ব। আঠখেলীয়া অখণ্ড শ্ৰীমদ্ভাগৱত পাঠ পৰিচালনা সমিতিৰ সভাপতি তাৰানাথ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভা উদ্বোধন কৰিব বৰহোলা মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰানা বৰাই। মুখ্য আলোচকৰূপে উপস্থিত থাকিব আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দদেৱ গোস্বামী আৰু যজ্ঞেশ্বৰ শৰ্মা শাস্ত্ৰী। সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথিৰূপে উপস্থিত থাকিব। ১১ মাৰ্চত ধৰ্মধ্বজা উত্তোলন কৰিব খৰংগীয়াল সত্ৰৰ ডেকা সত্ৰাধিকাৰ নৰেন মহন্তই। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰিব কণৰাম চুতীয়াই, বৃক্ষৰোপণ কৰিব নবীন হাজৰিকাই, ভাগৱত পাঠৰ গংগাতীৰ উন্মোচন কৰিব যোগেন দত্তই, ভাগৱত প্ৰতিষ্ঠা কৰিব বুধেন বৰুৱা আৰু ভূৱন বৰুৱাই। ১৭ মাৰ্চত অনুষ্ঠিত হ'বলগা প্ৰতিনিধি সভা উদ্বোধন কৰিব অধিবক্তা নিতুল বৰাই। সন্ধিয়ালৈ নিতুল শইকীয়াৰ পৰিয়ালবৰ্গই আগবঢ়োৱা, বিশিষ্ট ভাওনা শিল্পী ৰাকেশ লোচন বৰাৰ পৰিচালনাত কূৰ্ম অৱতাৰ নাটখন প্ৰদৰ্শন কৰিব। নাটকত শংকৰ-মাধৱ শিল্পী সমাজৰ শিশুশিল্পীসকলে অভিনয় কৰিব।

## আঁহতগুৰিত মাজুলী জিলা উপায়ুক্তৰ ভোট কেন্দ্ৰ পৰিদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৭ ফেব্ৰুৱাৰী ঃ** ন মাজুলী জিলাৰ উপায়ুক্তই জিলাখনৰ দক্ষিণ আঁহতগুৰি পঞ্চায়তৰ অধীনৰ ভোট কেন্দ্ৰসমূহ ক্ৰমে আউনীআটী বিষ্ণুদেৱ উচ্চ মাধ্যমিক বিদ্যালয়, নতুন চকলা প্ৰাথমিক বিদ্যালয়, ১৯৫ নম্বৰ চকলা প্ৰাথমিক বিদ্যালয়, ১৯৩ নম্বৰ উজিৰ আটি প্ৰাথমিক বিদ্যালয় আৰু ৬১ নম্বৰ ৰৌমৰা প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত উপায়ুক্তক সংগ দিয়ে জলসম্পদ বিভাগৰ অভিযন্তা আৰু ছেক্টৰ বিষয়াই। পৰিদৰ্শন কালত ভোট কেন্দ্ৰসমূহত থাকিব লগা সা-সুবিধাসমূহৰ বুজ লোৱাৰ লগতে আনুষংগিক আন কিছু সমস্যা সম্পৰ্কেও লগতো মত বিনিময় কৰে।

# পৌৰসভা নিৰ্বাচনত কংগ্ৰেছে বলিয়ালি কৰিছে ঃ তাছা



ডিব্ৰুগড়ত দুৰ্নীতিত লিপ্ত দীপুৰঞ্জন মাক্ৰাৰীৰ পুত্তলিকা দাহ, সোণোৱাল কছাৰী সংগঠনৰ, দেওবাৰে।

**তিতাবৰ, ২৭ ফেব্ৰুৱাৰী ঃ** পৌৰসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে তিতাবৰত আকৰ্ষণীয় হৈছে শাসক-বিৰোধীৰ নিৰ্বাচনী বাকযুদ্ধ। বয়বস্তুৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে সৰৱ হৈ কংগ্ৰেছে শাসকীয় দলক নিৰ্বাচনী সভাবোৰত আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ সময়তে বিজেপিয়েও তীব্ৰ বাক্যবাণেৰে কংগ্ৰেছক থকাসৰকা কৰিছে। ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই আজি তিতাবৰৰ কে'বাটাও ৱাৰ্ডত বিজেপিৰ দলীয় প্ৰাৰ্থীসকলৰ হৈ পদব্ৰজে মানুহৰ ঘৰে ঘৰে আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত নিৰ্বাচনী প্ৰচাৰভিযানত অংশ লয়। পুৱা ১০ বজাত সাংসদজনে সাত নম্বৰ ৱাৰ্ডত দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰি কংগ্ৰেছক সমালোচনা কৰি তিতাবৰ পৌৰবাসীৰ সমস্যা সমাধান কৰিবলৈ বিজেপিৰ বিকল্প নাই বুলি উল্লেখ কৰে। বৰ্তমান নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপি চৰকাৰ আছে, ৰাজ্যত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি চৰকাৰ আছে। কিছুদিন পূৰ্বে অনুষ্ঠিত ঠেঙাল কছাৰী নিৰ্বাচনত তিতাবৰৰ মানুহে বিজেপিৰ পক্ষত ভোট দিছে, পৰিষদখন বিজেপিয়ে গঠন কৰিছে। ইয়াৰ পাছত পৌৰসভা নিৰ্বাচনত কংগ্ৰেছে মানুহৰ মাজত ভোট বিচাৰিয়ে যাব নালাগে। তিতাবৰৰ মানুহে ইতিমধ্যে বিজেপিক ভোট দিব বুলি সিদ্ধান্ত গ্ৰহণ কৰিয়ে থৈছে বুলি সাংসদজনে উল্লেখ কৰি কয় যে ঠেঙাল পৰিষদীয় নিৰ্বাচনৰ পাচতে কংগ্ৰেছে তিতাবৰত দিকবিদিক হেৰুৱাই পেলাইছে। তিতাবৰৰ বিধায়কজন কংগ্ৰেছৰ হোৱাৰ বাবে কংগ্ৰেছে আকৌ পৌৰসভা নিৰ্বাচনত নামিছে, মানুহক ভুৱা প্ৰতিশ্ৰুতি দিছে। কিন্তু অসমৰ মানুহে বুজি উঠিছে কংগ্ৰেছ মানেই ভুৱা, কংগ্ৰেছ মানেই প্ৰতাৰণা আৰু কংগ্ৰেছ মানেই ১৩ পৃষ্ঠাত চাওক

# অৰুণোদয় সাহিত্য চ'ৰাৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন ঃ তিনিখন গ্ৰন্থ উন্মোচন

## ■ জোনাকী বৰ্মণ বৰা-মহেন্দ্ৰ হাজৰিকা-জেউতি হাজৰিকালৈ অৰুণোদয় সাহিত্য বঁটা ■ সাতগৰাকী নগঞাক অৰুণোদয় সন্মান

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ ফেব্ৰুৱাৰী ঃ** অৰুণোদয় সাহিত্য চ'ৰাৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিবেশন আজি নগাঁও জিলা সাহিত্য সভাৰ কমলা দেৱী তোডি স্মৃতি ভৱন প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। অৰুণোদয় সাহিত্য চ'ৰাৰ সভাপতি মৃদুপৱন বৰাৰ সভাপতিত্বত অনুষ্ঠিত অধিবেশনত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই বিশিষ্ট অতিথিৰ ভাষণত কয়, 'ভাল সাহিত্য সৃষ্টি কৰিবলৈ অধ্যয়নৰ প্ৰয়োজন। কিন্তু দুৰ্ভাগ্যজনক কথা যে আমাৰ একাংশ নতুন সাহিত্যিকৰ অধ্যয়ন কম। তেওঁলোকে আনৰ কিতাপ পঢ়িব নিবিচাৰে।' উক্ত অনুষ্ঠানত ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ যুটীয়া সচিব জয়ন্ত বৰাই অৰুণোদয় সাহিত্য চ'ৰাৰ সাহিত্য সংকলন 'অৰুণোদয়' উন্মোচন কৰি কয়, 'আমি সাহিত্য সৃষ্টি কৰিলেই নহ'ব, পাঠক সৃষ্টি কৰিব লাগিব। নতুন প্ৰজন্মক অধ্যয়নৰ প্ৰতি উদ্বুদ্ধ কৰিব লাগিব । সাহিত্য সৃষ্টি আৰু পঠনৰ এক পৰিৱেশ সৃষ্টি কৰি নতুন প্ৰজন্মক আমি জড়িত তথা আগ্ৰহী কৰি তুলিব লাগিব। তেতিয়াহে এই সহিত্য অনুষ্ঠানসমূহৰ প্ৰকৃত উদ্দেশ্য সফল হ'ব। তেওঁ পুনৰ কয় যে ১৩ পৃষ্ঠাত চাওক



# হাউলীত পৌৰসভা নিৰ্বাচনী প্ৰচাৰ ৰাজ্যসভাৰ কলিতাৰ



**অগ্ৰদূত বাৰ্তা**

**হাউলী, ২৭ ফেব্ৰুৱাৰী ঃ** 'কেন্দ্ৰত বিজেপিৰ চৰকাৰ আৰু ৰাজ্যতো বিজেপিৰ। গতিকে ডাবল ইঞ্জিনৰ চৰকাৰ এই দুটা ইঞ্জিনৰ বলত দ্ৰুত গতিত দেশৰ অগ্ৰগতি লাভ কৰিছে।' এই পৌৰসভা নিৰ্বাচনত ৯৯ শতাংশ বিজেপিৰ দখললৈ যাব। হাউলী পৌৰসভাতো বিজেপিয়ে বিপুল ভোটত জয়-লাভ কৰি হাউলী পৌৰসভা গঠন কৰিব। ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতাই কালি হাউলী পৌৰসভাৰ দুই নম্বৰ ৱাৰ্ডৰ বিজেপি প্ৰাৰ্থী অঞ্জলি দাস চৌধুৰীৰ আৰু তিনি নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী ববিতা তালুকদাৰৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত এনেদৰে কয়। ৰাজ্যসভাৰ সাংসদজনে সংবাদ মাধ্যমৰ আগত আৰু কয় যে বিৰোধীয়ে ক'লা চশমা পিন্ধি আছে আৰু সেই চশমাৰে সদায় ক'লা দেখে, পোহৰ নেদেখে, ৰাস্তা-ঘাটেই হওঁক হাস্পাতালেই হওঁক আমি অসংখ্য উন্নয়নমূলক কাম আমি কৰিছো। নিৰ্বাচনত হাৰি গ'লে বিৰোধীয়ে জ্ঞান লাভ কৰিব বুলি উল্লেখ কৰে সাংসদজনে। তদুপৰি মাজুলীৰ উপ-নিৰ্বাচনত বিজেপিয়ে বিপুল ভোটত জয়ী হ'ব বুলি সাংবাদিকৰ আগত মন্তব্য আগবঢ়ায় বিজেপিৰ সাংসদজনে। সভাৰ শেষত হাউলীৰ বিজেপিৰ স্থানীয় নেতৃত্বই অঞ্জলী দাস চৌধুৰী আৰু ববিতা তালুকদাৰৰ হৈ বাটে বাটে সমদল উলিয়াই নিৰ্বাচনী প্ৰচাৰ চলায়।

# দেৰগাঁৱত পহুৰ শিং উদ্ধাৰ

**দেৰগাঁও , ২৭ ফেব্ৰুৱাৰী ঃ** দেৰগাঁৱত আজি এটা পহুৰ শিং উদ্ধাৰক কেন্দ্ৰ কৰি সৃষ্টি হয় প্ৰতিক্ৰিয়াৰ। এজন লোকে খৰি বিচাৰি থাকোতে লাভ কৰে শিংটো। খৰিৰ লগত শিংটো একেলগে আনিবলৈ অসুবিধা পাই দেৰগাঁও নাৰিকল গুৰিৰ এখন দোকানত থৈ যায় শিংটো। বন বিভাগৰ লোকে এই খবৰ লাভ কৰি ব্যক্তিজনৰ ভাষ্য মতে দোকানখনৰ পৰা শিংটো উদ্ধাৰ কৰি বন বিভাগৰ কাৰ্যালয়লৈ লৈ যায়। তদন্তৰ পাছতহে পোহৰলৈ আহিব দেৰগাঁৱলৈ শিংটো কেনেকৈ আহিল।

# গোলাঘাট নগৰত নৱজাতকৰ মৃতদেহ উদ্ধাৰ

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ২৭ ফেব্ৰুৱাৰী ঃ** গোলাঘাট নগৰৰ ৰেলৱে ষ্টেছনৰ সমীপৰ হাবিত কালি এটি নৱজাতকৰ মৃতদেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। পলিথিনৰ বেগত ভৰাই হাবিত পেলাই থোৱা অৱস্থাত উদ্ধাৰ হয় মৃত নৱজাতকটো। স্থানীয় কণ কণ ল'ৰা-ছোৱালীয়ে খেলি থকা অৱস্থাতে সমীপৰ হাবিত প্ৰত্যক্ষ কৰে মৃত নৱজাতক। স্থানীয় লোকে সন্দেহ কৰা মতে কোনো দুষ্ট চৰিত্ৰৰ লোকে নিজৰ অপকৰ্ম লুকুৱাই ৰাখিবলৈকে নৱজাতকটি হাবিত পেলাই থৈ যায়। ঘটনাস্থলীত গোলাঘাট আৰক্ষী আৰু ৰেলৱে আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে।

# ১৪ মাহেও সম্পূৰ্ণ নহ'ল পূৱ গোৱালপাৰাৰ ৰণুৱাৰ দুই কিলোমিটাৰ পথ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৭ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা পূৱ সমষ্টিৰ অন্তৰ্গত ৰণুৱাৰ দুই কিলোমিটাৰ পথৰ মেৰামতিৰ কাম বিগত ১৪ মাহতো সম্পূৰ্ণ নোহোৱাত ৰাইজে যাতায়াত জীয়াতু ভুগিবলগীয়া হৈছে। দুধনৈ আৰু গোৱালপাৰা পূৱ ক্ষেত্ৰীয় গড়কাপ্তানী পথ সংমণ্ডলৰ অধীনস্থ মুঠ ১৪ ৩৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মাটিয়া- শিমলীতোলা পথৰ ভিতৰত ১২ ২০ কিলোমিটাৰ পথ প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মাণ কাৰ্য চলিছে । ইপিনে, পথছোৱাৰ ৰণুৱা অঞ্চলৰ ২ ১৫০ কিলোমিটাৰ পথ এছঅ'পিডি আঁচনিত মেৰামতিৰ ব্যৱস্থা কৰা হৈছে । এছঅ' পিডিজি ডাব্লিউ এ চি ৮৬ নম্বৰ পেকেজত ২০২০-২১ৰ ৪৭ লাখ ৫৬ হেজাৰ ৪৫০ টকা আৱন্টন কৰাৰ পাছত নিবিদাযোগে ঠিকাদাৰক মেৰামতিৰ কাম কৰিবলৈ লোক নিৰ্মাণ বিভাগৰ নামনি অসম মণ্ডলৰ অধীক্ষক অভিযন্তাই ২০২০ৰ ১৫ ডিচেম্বৰত 'ৱাৰ্ক অৰ্ডাৰ' দিয়ে। কিন্তু বিগত ১৪ মাহেও মেৰামতিৰ কাম সম্পূৰ্ণ নোহোৱা বাবেই ৰণুৱাৰ উল্লেখিত পথৰ বেছিভাগ অংশতে পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছে। উল্লেখ্য যে একেই পথৰ ১২.২০ কিলোমিটাৰ পথ নতুনকৈ নিৰ্মাণ কৰিবলৈ এএছ ০৭-৪০৫ নম্বৰ পেকেজত প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ ১০ কোটি ৭৫ লাখ ৪৮২০ টকা আবণ্টন কৰাৰ ১৩ পৃষ্ঠাত চাওক



# আসাম চাহ কোম্পানীৰ শীৰ্ষ বিষয়াক চাহ মজদুৰ সংঘৰ বিদায়-সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৭ ফেব্ৰুৱাৰী ঃ** দেশখনৰ অন্যতম পুৰণি চাহ কোম্পানীৰূপে সু-প্ৰতিষ্ঠিত আসাম কোম্পানীটোৰ আভ্যন্তৰীণ খেলিমেলিৰ ফলত দিনক-দিনে অচলাৱস্থাৰ সৃষ্টি হোৱাত ইতিমধ্যে কোম্পানীটোৰ কে'বাজন বিষয়া, কে'বাখনো বাগিচাৰ জ্যেষ্ঠ পৰিচালক, পৰিচালকসকল বাধ্যত পৰি কাম এৰি গুচি যাব লগা হৈছে। ৰাজ্যখনৰ বিভিন্ন জিলাত থকা মুঠ ১৫ খন চাহ বাগিচাৰ ডিব্ৰুগড় জিলাৰ গ্ৰীণউড চাহ বাগিচাত মুখ্য কাৰ্যালয়ৰ পৰা কোম্পানীটোৰ লগত পোনপটীয়া যোগাযোগ ৰখা, শ্ৰমিক-কৰ্মচাৰীসকলৰ দৰমহা, ৰেছন, ঔষধ পাতি, যোগাৰ কৰা চাহ বাগিচাসমূহ উৎপাদনশীল কৰি গঢ়ি তোলাৰ ওপৰত মনোনিৱেশ কৰা, কামৰ নিৰীক্ষণ কৰা, উন্নত মানৰ চাহপাত তৈয়াৰ কৰি বজাৰত বিক্ৰী কৰা, শ্ৰমিক-কৰ্মচাৰীসকলৰ লগত সু-সম্পৰ্ক গঢ়ি তোলা, প্ৰাপ্যৰ প্ৰতি চকু দিয়া, কোম্পানীটোক বেয়াৰ পৰা ভাললৈ অনাৰ বাবে আন্তৰিকতাৰে সেৱা আগবঢ়াই থকা, উচ্চ পদত অধিষ্ঠিত বিজয় সিং পানোৱাৰ নামৰ বিষয়াজনেও অৱশেষত কোম্পানীটোৰ পৰা পদত্যাগ কৰাত পুনৰ শ্ৰমিক-কৰ্মচাৰীসকলৰ মাজত অশান্তি আৰু হাহাকাৰ সৃষ্টি হৈছে। চিৰদিনৰ বাবে আসাম কোম্পানীটোৰ পৰা পদত্যাগ কৰি যাবলৈ ওলোৱাত অসম চাহ মজদুৰ সংঘৰ ডিব্ৰুগড়, মৰাণ, ডুমডুমা, পানীতোলা শাখা সংঘৰ সভাপতি-সম্পাদকৰ লগতে কোম্পানীটোৰ বাগিচাসমূহৰ শ্ৰমিক প্ৰতিনিধিসকলৰ উপস্থিতিত যোৱা ২৩ ফেব্ৰুৱাৰীত মাইজান চাহ বাগিচাৰ কৰ্মচাৰী বিনোদন কেন্দ্ৰত এক সভাৰ আয়োজন কৰি পানোৱাৰক ফুলাম গামোচা, শৰাইৰে বিদায় সম্বৰ্ধনা ১৩ পৃষ্ঠাত চাওক

# নলবাৰী কাৰাগাৰ আন স্থানলৈ স্থানান্তৰৰ পৰিকল্পনা ঃ মল্ল বৰুৱা

## ■ নলবাৰীত পৌৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৭ ফেব্ৰুৱাৰী ঃ** নলবাৰীত পৌৰসভাৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট আৰু বিৰোধী ঐক্যমঞ্চৰ প্ৰতিজন প্ৰাৰ্থীয়ে নলবাৰী চহৰৰ উন্নয়নৰ স্বাৰ্থত বোকা চটিওৱাৰ ৰাজনীতিৰে ৱাৰ্ডে ৱাৰ্ডে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। ইয়াৰ মাজতে আজি বিজেপি নেতৃত্বাধীন অগপ মিত্ৰজোটৰ 'আশীস প্ৰাৰ্থনা' নামৰ চহৰকেন্দ্ৰিক ইস্তাহাৰ উন্মোচন কৰে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা স্থানীয় বিধায়ক জয়ন্তমল্ল বৰুৱাই। চহৰৰ বেজবৰুৱা পথত থকা টাউন মণ্ডল কাৰ্যালয়ত এক সংবাদমেলত আশীষ প্ৰাৰ্থনা উন্মোচন কৰি বিধায়ক বৰুৱাই কয় এইবাৰ ত্ৰিশ কোটি টকাৰে ১৮ কাম পথ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ প্ৰথম পৰ্যায়ত ছটা পথ নিৰ্মাণৰ বাবে ইতিমধ্যে ৭২ কোটি টকা আৱন্টন দিয়া হৈছে। বাকী কেইটাত চাৰিটা পৰ্যায়ত কৰা হ'ব। ইতিমধ্যে ছয় ফেব্ৰুৱাৰীত ছটাৰ আধাৰশিলা স্থাপন কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে সংবাদমেলত বিধায়কজনে জিলা উপায়ুক্ত কাৰ্যালয় থকাৰ পাছতো ৩১ নম্বৰ ঘাইপথৰ দাঁতিত এটা সংহত জিলা সচিবালয় কাৰ্যালয় নিৰ্মাণৰ পৰিকল্পনাৰ কথাও উল্লেখ কৰে। ইতিমধ্যে ইয়াৰ বাবে ২২ বিঘা ভূমি আৱন্টন লোৱা হৈছে। এই সংহত জিলা সচিবালয়ত অতিথিশালাৰ উপৰি বিভিন্ন সা-সুবিধাৰে নিৰ্মাণ কৰা হ'ব। ইয়াৰ বাবে ৫০ কোটি আৱন্টন দিছে। তদুপৰি নলবাৰী চহৰক আলোকসজ্জিত কৰাৰ পৰিকল্পনাৰ কথা উল্লেখ কৰি এখন আদৰণি তোৰণ নিৰ্মাণ কৰা হ'ব য'ত নলবাৰীৰ সকলো সংস্কৃতি প্ৰতিফলিত হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। ১৩ পৃষ্ঠাত চাওক

# ডিগবৈত জাতীয় পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ ঃ কাৰ্যালয় মুকলি

**ডিগবৈ, ২৭ ফেব্ৰুৱাৰী ঃ** আগন্তুক ডিগবৈ পৌৰসভা নিৰ্বাচনক লৈ শাসক-বিৰোধী ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। ব্যতিক্ৰম নহয় অসম জাতীয় পৰিষদো। ডিগবৈ পৌৰসভাৰ অন্তৰ্গত ১০টা ৱাৰ্ডৰ ভিতৰত তিনিটা ৱাৰ্ডত জাতীয় পৰিষদে প্ৰাৰ্থিত্ব আগবঢ়াইছে। ডিগবৈ পৌৰসভাৰ ন নম্বৰ ৱাৰ্ডৰ প্ৰাৰ্থী নয়নমণি দত্ত তিনি আৰু ১০ নম্বৰ ৱাৰ্ডত ক্ৰমে মীনাক্ষী ভট্টাচাৰ্য আৰু মৌচুমী কোঁৱৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। জাতীয়তাবাদী চেতনাৰ একাংশ ভোটাৰে জাতীয় পৰিষদৰ আটাইকেইগৰাকী প্ৰাৰ্থীৰ পক্ষত স্বতঃস্ফূৰ্তভাৱে ওলাই আহি ভোট ভিক্ষা কৰা পৰিলক্ষিত হৈছে। সমান্তৰালভাৱে কালি অসম জাতীয় পৰিষদৰ এটা কাৰ্যলয় মুকলি কৰে জাতীয় পৰিষদৰ কেন্দ্ৰীয় সম্পাদক সঞ্জয় দেৱে। ডিগবৈৰ সমাজসেৱক বয়োজ্যেষ্ঠ ব্যক্তি শশধৰ বৰগোহাঁয়ে বন্তি প্ৰজ্বলন কৰা কাৰ্যালয় মুকলি অনুষ্ঠানত প্ৰায় ডেৰ শতাধিক লোক উপস্থিত থাকে।

# সোণাপুৰ পঞ্চায়তৰ উদ্যোগত 'পঞ্চায়ত বঁটা' প্ৰদান

## ■ 'দৈনিক অগ্ৰদূত'ৰ সাংবাদিক অজিত দাসলৈ সোণাপুৰ গৌৰৱ বঁটা



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** ৬১ নম্বৰ সোণাপুৰ গাঁও পঞ্চায়তৰ তৰফৰ পৰা কালি এক অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰত নিজৰ কৰ্মৰে পৰিচয় দিবলৈ সক্ষম হোৱা সোণাপুৰৰ কে'বাজনো ব্যক্তিক বঁটা প্ৰদান কৰা হয়। পঞ্চায়তৰ সভাপতি নুৰ আহমেদ লস্কৰৰ সভাপতিত্বত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত ২০২২ৰ 'ডিমৰীয়া ৰত্ন' বঁটা মৰণোত্তৰভাৱে সাহসী আৰক্ষী বিষয়া ছহিদ বিনোদ ফাংচলৈ আগবঢ়োৱা হয়। ঠিক তেনেকৈ ১৩ পৃষ্ঠাত চাওক

# জামুগুৰিহাটত আকৰ্ষণীয় ৰূপত পৌৰসভাৰ নিৰ্বাচনী প্ৰচাৰ

## ■ গীতে মাতে মুখৰিত প্ৰতিটো ৱাৰ্ড

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৭ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত অনুষ্ঠিতব্য পৌৰসভাৰ নিৰ্বাচনৰ দিন চমুচাপি অহাৰ লগে লগে জামুগুৰিহাটতো তীব্ৰতৰ হৈছে নিৰ্বাচনী প্ৰচাৰ অভিযান। জামুগুৰিহাটক নগৰ সমিতিৰূপে ঘোষণা কৰাৰ পাছত প্ৰথমবাৰৰ বাবে অনুষ্ঠিতব্য পৌৰসভাৰ নিৰ্বাচনক লৈ ৰাইজৰ মাজতো চৰম প্ৰত্যাশাই বিৰাজ কৰি থকাৰ মাজতে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীয়ে ঘৰে ঘৰে গৈ আকৰ্ষণীয় ৰূপত প্ৰচাৰ অভিযান চলাইছে। জামুগুৰি পৌৰসভাৰ ১০ টা ৱাৰ্ডৰ ভিতৰত চাৰিটা ৱাৰ্ডত বিজেপিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচনী হোৱাৰ পাছত এতিয়া ছটা ৱাৰ্ডতহে নিৰ্বাচন অনুষ্ঠিত হ'ব। পৌৰসভাখনৰ পাঁচ নম্বৰ ৱাৰ্ডৰ পৰা প্ৰতিদণ্ডিতা আগবঢ়োৱা বিজেপিৰ প্ৰাৰ্থী মনালিছা হাজৰিকা বৰুৱাৰ লগতে ১০ নম্বৰ ৱাৰ্ডৰ বিজেপিৰ প্ৰাৰ্থী পল্লৱীতা শৰ্মাই নিজৰ নিজৰ দলীয় সমৰ্থক লগতলৈ বিহুগীত, দিহানাম গায় ভোটৰ ৰাইজৰ ওচৰ চাপিবলৈ চেষ্টা কৰিছে, ছটা ৱাৰ্ডতে স্থানীয় বিধায়ক পদ্ম হাজৰিকাও নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰি জামুগুৰি পৌৰসভাৰ আটাইকেইখন আসনতে বিজেপি প্ৰাৰ্থী ডিষ্টিংছন লৈ উত্তীৰ্ণ ১৩ পৃষ্ঠাত চাওক



# দৈয়াঙৰ ৰতনপুৰ শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত শিল্পীৰ পৃথিৱী অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২৭ ফেব্ৰুৱাৰী ঃ** গোলাঘাট পূব শিক্ষাখণ্ডৰ অন্তৰ্গত দৈয়াং অঞ্চলৰ দুই নম্বৰ ৰতনপুৰ শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ত ইয়ুথ আৰু ইক' ক্লাবৰ সহযোগত যোৱা ২৬ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰৰ শিক্ষা-নীতিৰ আধাৰত শিল্পীৰ পৃথিৱী অনুষ্ঠান আৰু পৰিৱেশ সজাগতা সভা সম্পন্ন হয়। সেই উপলক্ষে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ফণীধৰ গগৈয়ে। এই কাৰ্যসূচীৰ পাছতে ছাত্ৰ-ছাত্ৰীৰ মাজত আকৰ্ষণীয় অনুষ্ঠান শিল্পীৰ পৃথিৱী অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। উল্লেখ্য যে শিল্পীৰ পৃথিৱী অনুষ্ঠানত কুটিৰ শিল্প বিচনি-পাচি, খৰাহি ঢৰা, খালৈ, ৰুমালত ফুল তোলা, মাফ্‌লা গঁঠা আদিৰ প্ৰশিক্ষণ আগবঢ়াই স্থানীয় অঞ্চলৰ প্ৰবীণ কুটিৰ শিল্পী হলিৰাম বৰা, গুণ শইকীয়া, ৰেৱ কান্ত গগৈ, মঞ্জুমণি গগৈ সোণোৱাল, ৰিঞ্জুমণি বৰা, জ্যোতি বৰা, সবিতা কছাৰী আদি ১৩ পৃষ্ঠাত চাওক

# কলগাছিয়াত ড্ৰাগছ ব্যৱসায়ী আটক

**অগ্ৰদূত বাৰ্তা**

**কলগাছিয়া, ২৭ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ উপ-আৰক্ষী অধীক্ষক, বৰপেটা সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু কলগাছিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ সহযোগত আৰক্ষীৰ এটা সঁজাতী দলে আজি ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। এক বিশেষ সূত্ৰৰ পম খেদি কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বেছিমাৰী গাঁৱত আৰক্ষীয়ে অসামৰিক পোছাকত পূৰ্বৰে পৰা খাপপিটি থাকি জমেৰকুৰ গাঁৱৰ ছফিকুল ইছলাম নামৰ লোকজনৰ পৰা ১১-৬০ গ্ৰাম ড্ৰাগছসহ এএছ-১৫ আৰ-৯৩৬০ নম্বৰৰ চাৰিচকীয়া বাহনখন জব্দ কৰিবলৈ সক্ষম হয়। ধৃত লোকজনক আৰক্ষীয়ে বৰপেটা সদৰ থানালৈ লৈ যায় আৰু এই সম্পৰ্কে তদন্ত অব্যাহত ৰাখিছে।

# বিহুৰ লোকাচাৰসমূহ নৱপ্ৰজন্মই জীয়াই ৰখাত গুৰুত্ব দিব লাগে

## ■ তেজপুৰত বিহু শিল্পী সংস্থা অসমৰ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ ২৭ ফেব্ৰুৱাৰী ঃ** 'বাপতি সাহোন বিহুৰ পুৰণি লোকাচাৰসমূহ নৱপ্ৰজন্মৰ মাজত চৰ্চা কৰিব লাগিব আৰু এয়া জীয়াই ৰাখিব লাগিব। এতিয়াৰ মঞ্চ বিহু একো একোটা সাংস্কৃতিক অনুষ্ঠান। গতিকে আচল বিহুৰ যি লোকাচাৰ আছে সেই সমূহ বিহুৰ কৰ্মশালাত আলোচনা হ'ব লাগে।' তেজপুৰৰ মাজগাঁওস্থিত শ্ৰী শ্ৰী শংকৰ মন্দিৰত আয়োজিত বিহু শিল্পী সংস্থা, অসমৰ দ্বি-বাৰ্ষিক অধিবেশনৰ মুকলি সভাত সভাপতিৰূপে এইদৰে মন্তব্য কৰে ড° অনিল শইকীয়াই। শোণিতপুৰ জিলা সমিতিৰ আতিথ্যত আয়োজিত অধিবেশন ড° শইকীয়াই লগতে কয় যে বিহু অসমৰ জাতীয় উৎসৱ। পিতৃপুৰুষসকলে এই উৎসৱ যিদৰে পালন কৰি আহিছিল সেয়া লাহে লাহে নান্দনিক ৰূপ ল'লৈ বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে তেতিয়াই আমি পৰম্পৰা আখ্যা দিলো। বিভিন্ন সময়ত বিভিন্ন পৰম্পৰা সৃষ্টি হৈছে বুলি উল্লেখ কৰি ড° শইকীয়াই এসময়ত ৰাতি বিহু গোৱাৰ যি পৰম্পৰা আছিল সেয়া হ্ৰাস পাব ধৰিলে আৰু একেদৰে চোতালৰ বিহু গোৱা পৰম্পৰাও মঞ্চ পালেহি বুলি কয়। এই পৰম্পৰা নাইকীয়া হোৱাৰ উপক্ৰম হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এতিয়া ৰাজ্যৰ বিভিন্ন স্থানত বিহুৰ কৰ্মশালা অনুষ্ঠিত হয় আৰু দুই-তিনিশ যুৱক-যুৱতীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। ইয়াৰ পৰা ১৫-২০ গৰাকী যুৱকক সংগঠিত কৰি কমেও তিনিদিন চোতালত বিহু গাই এই পৰম্পৰা ৰক্ষা কৰিব লাগে বুলি উল্লেখ কৰি ড° শইকীয়াই কয় যে বিহু শিল্পী সংস্থা অসমে এই আশা কৰে। তেওঁ সাত বিহুৰ সন্দৰ্ভত মন্তব্য কৰি কয় যে বিহু প্ৰকৃততে চাৰিটা আৰু সেয়া হৈছে গৰু বিহু, মানুহৰ বিহু , গোঁসাই বিহু আৰু চেৰা বিহু। কিন্তু ঠাই বিশেষে ইয়াৰ নামসমূহ সাতদিনলৈ পৃথক বুলিও তেওঁ কয়। উক্ত ১৩ পৃষ্ঠাত চাওক



# শ্ৰদ্ধাঞ্জলি

# বিজয়া শৰ্মা



এটি যৌথ পৰিয়ালৰ গুৰি বঠা শক্তিশালীকৈ ধৰি ৰখা মোৰ শাহু মা বিজয়া শৰ্মাৰ অন্তিম শয়ন আৰু পৰিয়ালটোৰ এটা প্ৰজন্মৰ সমাপ্তিয়ে প্ৰচণ্ড ধুমুহাৰ সৃষ্টি কৰিছে আমাৰ পৰিয়ালটোলৈ। সেই ধুমুহাত সমগ্ৰ পৰিয়ালটোৰ প্ৰতিগৰাকী সদস্য আজিও আঘাতেৰে জৰ্জৰিত। ২০ বছৰ পূৰ্বে বৈবাহিক সূত্ৰে ধুবুৰীস্থিত কলেজ নগৰৰ সৃষ্টিৰ প্ৰথমগৰাকী বাসিন্দা প্ৰয়াত উমাপতি শৰ্মা আৰু বিজয়া শৰ্মাৰ কনিষ্ঠ বোৱাৰীৰূপে শহুৰৰ গৃহত পদাৰ্পণ কৰিছিলো। প্ৰথম চৰণ চুই সেৱা কৰা শাহু আই কালক্ৰমত মোৰ মন আৰু মস্তিষ্কত প্ৰতিটো ক্ষণ বিৰাজমান হৈ ৰৈছিল। ক্ষন্তেকৰ বাবেও অনুভৱ কৰা নাছিলো মই এটি যৌথ পৰিয়ালৰ বোৱাৰী। যিটো পৰিয়ালৰ মৰম, স্নেহ আৰু আন্তৰিকতাক বৰ্ণনা কৰিবলৈ কঠিনেই নহয় দুৰূহ। মোৰ সাংবাদিকতা বৃত্তিৰ ক্ষেত্ৰত শাহু আইৰ প্ৰেৰণাদায়ক উৎসাহ আৰু মানসিক সাহসে সদায় অনুপ্ৰাণিত কৰি ৰাখিছিল। শক্তি আৰু সাহস প্ৰদান কৰিছিল। পৰিয়ালসহ জীৱিকাৰ খাতিৰত আমি যদিও ধুবুৰীৰ পৰা আঁতৰত আছিলো। তথাপি শাহু আইৰ লগত মোৰ ম'বাইল যোগাযোগ নিয়মীয়া আছিল। লগতে সুৰুঙা পালেই মই শাহু আইৰ সান্নিধ্য বিচাৰি ধুবুৰীলৈ গুচি আহিছিলো। কেতিয়াবা মৰম আৰু আবেগৰ তাড়নাত শাহু আইক সাবটি ধৰিলে তেওঁৰ মুখত ফুটি উঠা নিৰ্মল হাঁহিটোৰ কথা ভাবি আজিও মন বাৰে বাৰে গধুৰ কৰে। জন্মদাত্ৰী মাতৃৰ বিয়োগক পোহৰাই দিয়া এনে এগৰাকী শাহু আই মই জনমে জনমে কামনা কৰো। সেয়ে মই দ্বিতীয়বাৰ মাতৃহাৰা হৈ পৰিলো ১৮ ফেব্ৰুৱাৰীত। শাহু মাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৯৯ বছৰ দুমাহ। মাৰ জন্ম হৈছিল ১৯২২ৰ ১৮ অক্টোবৰত। সেইদিনা বিজয়া দশমী আছিল। সেয়ে তেওঁৰ নাম বিজয়া ৰাখিছিল। জ্যেষ্ঠ সকলৰ মাজত 'বিজয়া দি' বুলি মা জনপ্ৰিয় আছিল। ধীৰ, স্থিৰ, সৰলমনা, হাঁহি মুখৰ, বিচক্ষণ, কষ্টসহিষ্ণু, পৰোপকাৰী তথা সকলোকে কথা আৰু কৰ্মৰে মোহিত কৰি তুলিব পৰা গুণৰ অধিকাৰী শাহু আই প্ৰকৃততে লক্ষ্মী স্বৰূপা এগৰাকী সুগৃহিণী আছিল। যদিও শাহু মাৰ হাতেৰে ৰন্ধা খোৱা মোৰ ভাগ্য নহ'ল শুনা মতে ৰন্ধন কাৰ্যৰে সকলোকে মোহিত কৰিব পৰা এটা ডাঙৰ গুণ আছিল। শাহু মাৰ নিজৰ লগতে দেওৰেকৰ সন্তানকো বুকুত আঁকোৱালি ধৰি শৈশৱ আৰু কৈশোৰৰ সঠিক পাঠদানৰ তত্ত্বাৱধান নিজে কৰি গৈছিল। পৰিয়ালটোৰ পাঁচগৰাকী কন্যা আৰু পাঁচজন পুত্ৰ সন্তানক মানুহৰূপে গঢ়ি তুলি সমাজত দৃঢ়তাৰে থিয় দি থকাৰ আদিপাঠো তেওঁ দিছিল। কোনোদিনেই কোনো প্ৰতিবাদ বা আপত্তি নকৰা শাহু আইৰ দৃষ্টি কিন্তু পৰিয়ালটোৰ প্ৰতিজন সদস্য-সদস্যাৰ লগতে ঘৰৰ সৰ্বত্ৰে ৰাখিছিল। পাঁচগৰাকী উচ্চ শিক্ষিত বোৱাৰীকে স্বকীয়তাৰে কৰ্ম কৰাৰ পূৰ্ণ স্বাধীনতা দিছিলে শাহু আয়ে। ২০ বছৰত শাহু আইৰ মৰম স্নেহেৰে পৰিপূৰ্ণ যি আশীৰ্বাদ পাবলৈ সক্ষম হ'লো তাৰ তুলনাত তেওঁক হয়তো একোৰে দিব নোৱাৰিলো। নিজে দেখা আৰু ওচৰ চুবুৰীয়াৰ মুখেৰে শাহু আই আৰু খুড়ী শাহুৰ আত্মিক মিলনৰ বিভিন্ন কথাবোৰ আজিৰ যুগত হয়তো বহু মানুহে সাধুকথা বুলিয়ে অনুভৱ কৰিব। দুগৰাকী জাঁৰ জীৱন কালৰ আত্মিক মিলনৰ কথা ধুবুৰী চহৰৰ বহু মানুহ বা পৰিয়ালত আজিও উল্লেখনীয় আদৰ্শ হিচাপে মান্যতা পায়। পৰিয়ালৰ সকলো লোকৰে শাৰীৰিক, মানসিক আৰু দৈহিক ভাৰসাম্য ৰক্ষা কৰাৰ ক্ষেত্ৰত শাহু আইৰ তৎপৰতা অনন্য। আজি আদ্যশ্ৰাদ্ধৰ দিনাখন তেওঁলৈ সশ্ৰদ্ধ প্ৰণাম জনাই আত্মাৰ চিৰশান্তি কামনা কৰিলো।

**মনালিছা শৰ্মা**



### তৃতীয় টি-২০ মেচতো জয়লাভ ভাৰতৰ

# শ্ৰীলংকাৰ বিৰুদ্ধে ৩-০ ত শৃংখলা দখল টীম ইণ্ডিয়াৰ




**ধৰমশালা, ২৭ ফেব্ৰুৱাৰী ঃ** ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰিছে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা শৃংখলাৰ তৃতীয় তথা অন্তিম মেচত ভাৰতে ছয় উইকেটত জয়ী শ্ৰীলংকাক হোৱাইটৱাশ্ব কৰে। 147 ৰাণৰ লক্ষ্য লৈ বেটিং কৰা ভাৰতে 16.5 অভাৰতে চাৰি উইকেট হেৰুৱাই 148 ৰাণ কৰি সহজ জয় অৰ্জন কৰে। তৃতীয় মেচতো ভাৰতৰ বিজয় নায়ক শ্ৰেয়াছ আয়াৰ। 73 ৰানত অপৰাজিত থাকে আয়াৰ। তেওঁৰ লগত দলক জয় কৰি ডেছিং ৰুমলৈ আহে ৰবীন্দ্ৰ জাদেজা (22] ¼আনহাতে, দীপক হুদাই 21 ৰাণ কৰাৰ বিপৰীতে অপেনিঙত ব্যৰ্থ হয় ৰোহিত (5] আৰু সঞ্জু ছেমছন (18] ¼ ভেংকটেছ আয়াৰেও পাঁচত বিদায় লয়। ইয়াৰপূৰ্বে শ্ৰীলংকাই পোনতে বেটিং কৰি দুৰ্বল আৰম্ভণি কৰে যদিও ছানাকাৰ 74 ৰাণৰ সহায়ত পাঁচ উইকেটত 146 ৰাণ কৰে। ভাৰতৰ অভেছ খানে দুটা উইকেট পায়। উল্লেখ্য যে ভাৰতে দ্বিতীয়খন মেচতে সাত উইকেটত জয়ী হৈ 2-0 ৰ অগ্ৰগতিৰে শৃংখলা দখল কৰিছিল। ধৰমশালত অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰি শ্ৰীলংকাই নাছাকাৰ 75 ৰাণৰ সহায়ত পাঁচ উইকেটত 183 ৰাণ কৰিছিল যদিও ভাৰতে 17 টা বল বাকী থাকোতেই তিনি উইকেট হেৰুৱাই 186 ৰাণ কৰি জয় তথা শৃংখলা দখল কৰে। ভাৰতৰ হৈ দুই অপেনাৰ ৰোহিত শৰ্মা (1] আৰু ইষান কিষান (16] সফল নহ'ল। কিন্তু শ্ৰেয়াছ আয়াৰ (74] আৰু ৰবীন্দ্ৰ জাডেজাই (45] ৰ অপৰাজিত বেটিংৰ লগতে সঞ্জু ছেমছনৰ 39 ৰাণৰ সহায়ত ভাৰতে সহজ জয় অৰ্জন কৰে। উল্লেখ্য যে ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথমখন মেচত 62 ৰাণত জয়ী হৈ শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল। লক্ষ্ণৌত অনুষ্ঠিত হোৱা মেচত ভাৰতে 20 অভাৰত দুই উইকেটৰ বিনিময়ত 199 ৰাণ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই 137-6 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ভাৰতে ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰিছিল। ক্ৰমাগত দুটা শৃংখলাত বিপক্ষক হোৱাইটৱাশ্ব কৰিলে টীম ইণ্ডিয়াই।

### আন্তৰ্জাতিক জুডো ফেডাৰেছনৰ সভাপতি পদৰ পৰা নিলম্বিত পুটিন


# ক্ৰীড়া বিশ্বই এঘৰীয়া কৰিলে ৰাছিয়াক


**পেৰিছ, ২৭ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইনক কৰা আক্ৰমনৰ বাবে বিশ্ববাসীয়ে গৰিহনা দিছে ৰাছিয়াক। ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনক দ্বিতীয় হিটলাৰৰূপে অভিহিত কৰা হৈছে। ইফালে, ইউৰোপৰ দেশৰ লগতে আমেৰিকাসহ কেবাখনো ৰাষ্ট্ৰই ৰাছিয়াৰ লগত থকা সকলোধৰণৰ সম্পৰ্ক ছেদ কৰাৰ দৃঢ় পদক্ষেপো হাতত লৈছে। এনে এক প্ৰত্যাহ্বানৰ মাজতে ক্ৰীড়া বিশ্বয়ো ৰাছিয়া তথা পুটিনক এঘৰীয়া কৰাৰ কঠোৰ সিদ্ধান্ত লৈছে। আজি আন্তৰ্জাতিক জুডো ফেডাৰেছনে পুটিনক সন্মানীয় সভাপতি পদৰ পৰা নিলম্বিত কৰাৰ সিদ্ধান্ত লয়। ইউক্ৰেইনক কৰা আক্ৰমনৰ বাবেই ৰুছ ৰাষ্ট্ৰপতি পুটিনৰ বিৰুদ্ধে এই সিদ্ধান্ত লৈছে আন্তৰ্জাতিক জুডো ফেডাৰেছনে। উল্লেখ্য যে পুটিন এজন জুডোকা আছিল। আনহাতে, আন্তৰ্জাতিক জুডো ফেডাৰেছনে তেওঁক 2008 ৰ পৰাই সভাপতি হিচাপে নিৰ্বাচন কৰি আহিছে। ইফালে, ৰাছিয়াৰ ছেইণ্ট পীটাৰ্ছবাৰ্গত হ'বলগা চেম্পিয়নছ লীগৰ ফাইনেলো বাতিল কৰিছে ইয়েফাই। এতিয়া পেৰিছত হ'ব চলিত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচ। ইফালে, কাটাৰ ফিফা বিশ্বকাপৰ মেচ ৰাছিয়াৰ বিৰুদ্ধে নেখেলাৰ সিদ্ধান্ত লৈছে পোলেণ্ড আৰু ছুইডেনে। যুদ্ধ কৰাৰ দেশৰ লগত ফুটবল নহয় বুলি ফিফাক ইতিমধ্যে জনাই দিছে দেশ দুখনে। আন্তৰ্জাতিক অলিম্পিক সন্থায়ো ৰাছিয়াত কোনো ধৰণৰ আন্তৰ্জাতিক ক্ৰীড়া প্ৰতিযোগিতা আয়োজন নকৰিবলৈ সকলো আন্তৰ্জাতিক ক্ৰীড়া ফেডাৰেছনক নিৰ্দেশনা দিছে।



## আই পি এলৰ উদ্বোধনী মেচত চেন্নাই ছুপাৰ কিংছ-কলকাতা নাইট ৰাইডাৰ্ছ

**মুম্বাই, ২৭ ফেব্ৰুৱাৰী ঃ** আসন্ন আই পি এলৰ উদ্বোধনী মেচত চেন্নাই ছুপাৰ কিংছ দলে খেলিব কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে। মেচখন অনুষ্ঠিত হ'ব অহা 26 মাৰ্চত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত। উল্লেখ্য যে এইবাৰ কৰ'নাৰ বাবে আই পি এলৰ লীগৰ সকলো মেচে মহাৰাষ্ট্ৰত হ'ব। চাৰিখন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব মেচ। মুম্বাইৰ তিনিখন ষ্টেডিয়ামত মুঠ 55 খন মেচ হ'ব। ইফালে, ফাইনেলসহ নকআউট মেচ আহমেদাবাদত হ'ব। নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অহা 29 মে'ত হ'ব ফাইনেল।





### নেহৰু ষ্টেডিয়ামত দৃঢ়তাৰে যুঁজ দি মেচ ড্ৰ কৰিলে চত্তিছগড়ে

# ইনিংছত অগ্ৰগতিৰে তিনি পইণ্ট তামিলনাড়ুৰ

**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত তামিলনাডু আৰু চত্তিছগড়ৰ মাজত অনুষ্ঠিত হোৱা ৰঞ্জী ট্ৰফীৰ মেচখন ড্ৰ ৰূপে সমাপ্ত হৈছে। উল্লেখ্য যে পৰাজয়ৰ শংকাত থকা চত্তিছগড়ে ফল'অনৰ সন্মুখীন হোৱাৰ পাছতো দৃঢ়তাৰে যুঁজ দি মেচ ড্ৰ কৰে আৰু এক পইণ্ট অৰ্জন কৰে। চাৰিদিনীয়া মেচৰ প্ৰথমদিনা বেটিং কৰা তামিলনাডুই প্ৰথম ইনিংছত চাৰিটা উইকেট হেৰুৱাই 308 ৰাণ কৰাৰ পাছত দ্বিতীয় দিনা 470-9 ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰিছিল। ইফালে, দ্বিতীয় দিনাৰ খেলৰ অন্তত চত্তিছগড়ে বেটিং কৰি প্ৰথম ইনিংছত পাঁচটা উইকেট হেৰুৱাইছিল 105 ৰাণৰ বিনিময়ত। কিন্তু দলে পৰৱৰ্তী দুটা দিনত অনবদ্য বেটিং কৰি দৃঢ়তা প্ৰদৰ্শন কৰে। চত্তিছগড়ে অধিনায়ক হৰমীত সিঙৰ (170 ) শতকৰে পৰাজয় ৰোধ কৰাৰ বাবে যুঁজ দি খেলে আৰু আজি 304 ৰাণত প্ৰথম ইনিংছ সামৰে। তামিলনাডুই চত্তিছগড়ক ফল'অন কৰাই যদিও আশা কৰা ফল লাভ নকৰিলে। দ্বিতীয় ইনিংছতো হৰমীতে (43] অপৰাজিত বেটিং কৰি চত্তিছগড়ৰ পৰাজয় ৰোধ কৰে। 172-8 ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্য যে মেচখনত তামিলনাডুৰ হৈ বাবা অপৰাজিত (166] আৰু বাবা ইন্দ্ৰজিতে (127] শতক অৰ্জন কৰিছিল। ইয়াৰপূৰ্বে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দিল্লী আৰু তামিলনাডুৰ মাজৰ ৰঞ্জী ট্ৰফীৰ মেচখন ড্ৰ ৰূপে সমাপ্ত হৈছে যদিও দিল্লীৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰে তামিলনাডুই। আজিও দলে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰে। আনহাতে, চত্তিছগড়ে প্ৰথম মেচত ঝাৰখণ্ডক হৰুৱাই ছয় পইণ্ট লাভ কৰিছিল। আজি এক পইণ্ট পায়।

# দ্বিতীয় টেষ্টত নিউজিলেণ্ডৰ বিৰুদ্ধে অগ্ৰগতি দঃ আফ্ৰিকাৰ

**ক্ৰিছচাৰ্ছ, ২৭ ফেব্ৰুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাই চলিত দ্বিতীয়খন টেষ্টত নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি ল'লেও বিপদ মুক্ত হোৱা নাই। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ প্ৰথম ইনিংছৰ 364 ৰাণৰ প্ৰত্যুত্তৰত দ্বিতীয় দিনা নিউজিলেণ্ড প্ৰথম ইনিংছত পাঁচ উইকেটত 157 ৰাণ কৰাৰ পাছত আজি 293 ৰাণত অলআউট হয়। গ্ৰেনধ'মে 120 ৰাণৰ শতকীয় ইনিংছ খেলে। ইফালে, দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছ আৰম্ভ কৰি দিনান্তত পাঁচ উইকেটত 140 ৰাণ কৰি সামগ্ৰিকভাবে 211 ৰাণৰ অগ্ৰগতি লৈছে। উল্লেখ্য যে নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা টেষ্ট শৃংখলাৰ প্ৰথম মেচতে চমকপ্ৰদ প্ৰদৰ্শন কৰিছিল। তিনিদিনতে সমাপ্ত হোৱা মেচখনত নিউজিলেণ্ডে এক ইনিংছ আৰু 276 ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাক। উল্লেখ্য যে প্ৰথম টেষ্টৰ প্ৰথমদিনা পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই মাত্ৰ 95 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত নিউজিলেণ্ডে প্ৰথম ইনিংছত 482 ৰাণত অলআউট হয়। ইফালে, দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছতো বেটিঙত ব্যৰ্থ হৈ 111 ৰাণত অলআউট হয় আৰু পৰাজয় স্বীকাৰ কৰে।





# বৰ্ষাপাৰাৰ ৰঞ্জী মেচত দিল্লীৰ বিৰুদ্ধে ৰোমাঞ্চকৰ জয় ঝাৰখণ্ডৰ

**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৰঞ্জী ট্ৰফীৰ মেচখনত দিল্লীৰ বিৰুদ্ধে 15 ৰাণত ৰোমাঞ্চকৰ জয় অৰ্জন কৰিছে ঝাৰখণ্ডে। উল্লেখ্য যে মেচখনত প্ৰথমদিনা পোনতে বেটিং কৰা ঝাৰখণ্ডে 251 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ অধিনায়ক বিৰাট সিঙে (103] শতক অৰ্জন কৰে। প্ৰত্যুত্তৰত দিল্লীয়ে 223-8 ৰাণৰ পৰা খেলিবলৈ লৈ 224 ৰাণত প্ৰথম ইনিংছ সামৰে। ইফালে, প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি ঝাৰখণ্ডে আজি নাজিম (110] আৰু সুৰজৰ (131] শতকৰে দ্বিতীয় ইনিংছত সাত উইকেটত 307 ৰাণ কৰি ইনিংছ ঘোষণা কৰে আৰু দিল্লীৰ সন্মুখত 334 ৰাণৰ বিজয়লক্ষ্য ৰাখে। দিল্লীয়ে দ্বিতীয় ইনিংছত ধ্ৰুৱৰ (136] শতকৰে বিজয়ৰ কাষ চাপিছিল যদিও অৱশেষত চাপৰ সন্মুখীন হৈ 319 ৰাণত অলআউট হৈ পৰাজয় স্বীকাৰ কৰে। এই পৰাজয়ৰ পাছত দিল্লীৰ কোৱাৰ্টাৰ ফাইনেললৈ উত্তৰণৰ আশা সমাপ্ত হ'ল। বিপৰীতে ছয় পইণ্ট অৰ্জন কৰি সজীৱ ৰাখিছে ঝাৰখণ্ডে। উল্লেখ্য যে বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা দিল্লী আৰু ঝাৰখণ্ডৰ মেচখন উভয় দলৰ বাবে গুৰুত্বপূৰ্ণ আছিল ইয়াৰপূৰ্বে প্ৰথম মেচত দিল্লীয়ে তামিলনাড়ুৰ বিৰুদ্ধে এক পইণ্ট লাভ কৰাৰ বিপৰীতে ঝাৰখণ্ড পৰাস্ত হৈছিল চত্তিছগড়ৰ হাতত।

# প্ৰথম টপচেম এ এছ জে এ আন্তঃ বিদ্যালয়, প্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট

**গুৱাহাটী, ২৭ ফেব্ৰুৱাৰী ঃ** দূৰদৰ্শন কেন্দ্ৰ, গুৱাহাটীৰ ফিডে ৰেটিং প্ৰাপ্ত খেলুৱৈ গৌতম চক্ৰৱৰ্তীয়ে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত ত্ৰয়োদশ টপচেম এ এছ জে এ মিডিয়া ক্ৰীড়া সমাৰোহৰ দবা ইভেণ্টত খিতাপ জয় কৰিছে। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত চাৰিটা ৰাউণ্ডৰ প্ৰতিযোগিতা খনত গৌতমে আটাইকেউখন মেচ জিকি চাৰি পইণ্টেৰে চেম্পিয়ন হয়। আনহাতে দ্য আছাম ট্ৰিবিউনৰ ক্ৰমে বুবুল সিনহাই, পইণ্ট আৰু দেবাশীস সিনহাই দুই পইণ্ট অৰ্জন কৰি দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে। উল্লেখ্য যে দেবাশীস সিনহা আৰু প্ৰাগ নিউজৰ দিগন্ত চহৰীয়াই দুই পইণ্টকৈ লাভ কৰাত উন্নত টাইব্ৰেক স্ক'ৰৰ আধাৰত দেবাশীসে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাখন পৰিচালনা কৰে ফিডে আৰ্বিটাৰ প্ৰণৱ কুমাৰ নাথে। সমাৰোহৰ দ্বিতীয় পৰ্যায়ত হৰেন্দ্ৰ নাথ বৰুৱা আন্তঃ মিডিয়া ফুটবল প্ৰতিযোগিতা মাৰ্চৰ মাজভাগত অনুষ্ঠিত হ'ব। ফুটবল প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানতে আন্তঃ মিডিয়া টেবুল টেনিছ, বেডমিণ্টন আৰু দবা ইভেণ্টৰ পুৰস্কাৰ সমূহ প্ৰদান কৰা হ'ব । আনহাতে টপচেম-এ এছ জে এ মিডিয়া টি-20 ক্ৰিকেট, প্ৰথম টপচেম-এ এছ জে এ আন্তঃ স্কুল, আন্তঃ কোচিং চেণ্টাৰ টি-20 ক্ৰিকেট প্ৰতিযোগিতা মাৰ্চত অনুষ্ঠিত হ'ব।

# অবিভক্ত গোৱালপাৰা মাষ্টাৰ্ছ এথলেটিকছত বঙাইগাঁও শ্ৰেষ্ঠ

**অগ্ৰদূত ব্যুৰ**
**বঙাইগাঁও, ২৭ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলা মাষ্টাৰ্ছ এথলেটিক সন্থাৰ উদ্যোগত অনুষ্ঠিত প্ৰথম অবিভক্ত গোৱালপাৰা জিলা ভিত্তিত মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে। জিলা সদৰ কাজলগাঁওস্থিত উদাংশ্ৰীনী আলাৰী প্ৰেমসিং ব্ৰহ্ম ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত প্ৰতিযোগিতাত বঙাইগাঁও দলে 55 টা স্বৰ্ণ পদক লাভ কৰি শ্ৰেষ্ঠ দল বিবেচিত হয়। আনহাতে কোকৰাঝাৰে দলে 44 টা স্বৰ্ণ পদক লাভ কৰি দ্বিতীয় স্থান, চিৰাং জিলা দলে মুঠ 36 টা স্বৰ্ণ পদক লাভ কৰি তৃতীয় আৰু গোৱালপাৰাই 15 টা স্বৰ্ণ পদকেৰে চতুৰ্থ স্থান লাভ কৰে। প্ৰতিযোগিতাত বঙাইগাঁও, চিৰাং, গোৱালপাৰা আৰু কোকৰাঝাৰৰ প্ৰায় দুশ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল ।



# ৰেডিয়েল ক্লাব চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া,২৭ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ চতুৰ্থ সংখ্যক অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ মধ্য অসম মণ্ডলৰ ফাইনেলত আজি নগাঁৱৰ ৰেডিয়েল ক্লাবে তিতাবৰ ক্ৰিকেট কোচিং চেণ্টাৰক 122 ৰাণত হৰুৱাই চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰেডিয়েল ক্লাবে টছত জিকি পোনতে বেট ধৰি 38.3 অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত 185 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত তিতাবৰ ক্ৰিকেট কোচিং চেণ্টাৰে 20.4 অভাৰত সকলোকইটা উইকেট হেৰুৱাই মাত্ৰ 63 ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত ৰেডিয়েল ক্লাবৰহৈ মৃন্ময় দত্তই পাঁচটা, বিচিত্ৰ বৰুৱাই চাৰিটা উইকেট দখল কৰে। ৰেডিয়েলৰ মৃন্ময় দত্ত মেন অব দ্যা মেচৰূপে পৰিগণিত হোৱা খেলখনৰ অন্তত অসীম কুমাৰ ভাৱাল,প্ৰমোদ কোঠাৰী,ৰিংকু দাস আৰু দেৱজ্যোতি গোস্বামীয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে ।উল্লেখ্য যে,এতিয়া মধ্য অসম মণ্ডলৰ পৰা চেম্পিয়ন ৰেডিয়েল ক্লাব আৰু ৰাৰ্ণাছআপ তিতাবৰ ক্ৰিকেট কোচিং চেণ্টাৰে প্ৰিমিয়াৰ ক্ৰিকেটৰ চূড়ান্ত পৰ্যায়ত খেলিব।



# ৰাজ্যিক ছিনিয়ৰ আৰ্চাৰীৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৭ ফেব্ৰুৱাৰী ঃ** মঙলদৈত অনুষ্ঠিত পুৰুষ-মহিলাৰ সদৌ অসম আন্তঃজিলা ছিনিয়ৰ আৰ্চাৰী চেম্পিয়নশ্বিপৰ আজি সফল সামৰণি পৰে। অসমৰ বিভিন্ন জিলাৰ 26 টা দলৰ 250 গৰাকী আৰ্চাৰে যোগদান কৰা এই চেম্পিয়নশ্বিপত আঠটা সোণ, দুটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদকেৰে শ্ৰেষ্ঠ দলৰ বঁটা লাভ কৰে অসম পুলিচ আৰ্চাৰী দলে। আনহাতে ভেৰগাওঁ দলে তিনিটা সোণ, দুটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদকেৰে ৰানাৰ্ছআপ খিতাপ অৰ্জন কৰে। চেম্পিয়ন দলক বঁটা প্ৰদান কৰে দৰং আৰ্চাৰী সন্থাৰ সভাপতি তথা দৰঙৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা আৰু অসম আৰ্চাৰী সন্থাৰ উপ সভাপতি তথা বাক্সা জিলাৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙে। ইপিনে ৰানাৰ্ছআপ দলক বঁটা প্ৰদান কৰে অসম আৰ্চাৰী সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জয়ন্ত বড়ো আৰু অসম আৰ্চাৰী সন্থা নৱজ্যোতি বসুমতাৰীয়ে । চেম্পিয়নশ্বিপৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ উন্মোচন কৰে মঙলদৈ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক অনুপম ডেকাই।



# মানস প্ৰতিম ক্ৰিকেটত বিকে চেলেঞ্জাৰ নলবাৰী চেম্পিয়ন



**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ২৭ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত চতুৰ্থ মানস প্ৰতীম দাস সোৱৰণী ক্ৰিকেটৰ আজি ফাইনেল মেচখন বিকে চেলেঞ্জাৰ নলবাৰী বনাম হাৰিকেন তেজপুৰৰ মাজত অনুষ্ঠিত হৈ যায়। খেলখনত নলবাৰীয়ে তেজপুৰক চাৰি উইকেটত পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ লাভ কৰে। টছত জিকি তেজপুৰে বেট ধৰাৰ সিদ্ধান্তৰে 30 অভাৰত সাতটা উইকেট হেৰুৱাই 263 ৰাণ সংগ্ৰহ কৰে। তেজপুৰৰ গৌৰৱ শঞ্জইকীয়াই 102 ৰাণ কৰাৰ বিপৰীতে নলবাৰীৰ আনন্দ শৰ্মাই দুটা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি নলবাৰীয়ে 28.1 অভাৰত ছয়টা উইকেট হেৰুৱাই 267 ৰাণ সংগ্ৰহ কৰি জয়ৰ লক্ষ্যত উপনীত হয়। নলবাৰীৰ নিহাৰ ডেকাই 115 ৰাণ সংগ্ৰহ কৰাৰ বিপৰীতে তেজপুৰৰ নাছিৰ আনচাৰীয়ে চাৰিটা উইকেট দখল কৰে। আজিৰ খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে নলবাৰীৰ নিহাৰ ডেকাই। আনহাতে, শ্ৰেষ্ঠ ফিল্ডিঙৰ সন্মান লাভ কৰে তেজপুৰৰ অজয় দেয়ে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান তেজপুৰৰ যোগেন ডেকাই লাভ কৰাৰ বিপৰীতে শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰে নলবাৰীৰ নিহাৰ ডেকাই, শ্ৰেষ্ঠ বেটাৰৰ সন্মান তেজপুৰৰ যোগেন ডেকাই লাভ কৰাৰ বিপৰীতে শ্ৰেষ্ঠ কেচ ধৰাৰ সন্মান লাভ কৰে ফ্লেম বয়জৰ উজ্জ্বল ডেকাই। প্ৰতিযোগিতাৰ বিজিত দল তেজপুৰক ট্ৰফীসহ নগদ 15 হেজাৰ টকা প্ৰদান কৰা হয়। আনহাতে, বিজয়ী দল বিকে চেলেঞ্জাৰ নলবাৰীক ট্ৰফীসহ নগদ 40 হেজাৰ টকা প্ৰদান কৰা হয়।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023

গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী, ২০২২ সোমবাৰ পৃষ্ঠা ১৬

## বিলাসনন্দন চ'ৰা




# বজাৰত বোমা, পকেটত মিছাইল

**দিল্লীৰ** বাদশ্বাহে এইকেইদিন টিভিৰ আগত বহি দাড়ি পিহি পিহি তামাম যুদ্ধ চাই আছে। ক্ৰিকেট মেচ চাই ভাল পোৱাসকলে যেনেকৈ ঘণ্টাৰ পাছত ঘণ্টা টিভিৰ আগত বহি খেল উপভোগ কৰি থাকে, ঠিক তেনেকৈ বাদশ্বাহেও যুদ্ধ উপভোগ কৰি আছে। মনে মনে ভাবি আছে, আফছোছ কৰি আছে—'ছাৰ্জিকেল ষ্ট্ৰাইক নকৰি ময়ো সঁচাসঁচি যুদ্ধই কৰি দিব লাগিছিল! তেতিয়া পুটিনৰ দৰে মোৰ ওপৰতো দ্য হোল ৱৰ্ল্ডে চকু দি থাকিলহেঁতেন!' পাছত আকৌ ভাবিলে—'যুদ্ধ নকৰা ভালেই হ'ল। হাৰিলে বৰ লাজৰ কথা হ'লহেঁতেন! ছাৰ্জিকেল ষ্ট্ৰাইক কৰাৰ পাছত কমচে কম কোনেও ধৰিব নোৱাৰিলে আচলতে আমি জিকিছো নে হাৰিছো। বোমা জাগাত পৰিছে নে নাই নে কি হ'ল!' এই যে হয় নে নহয়, টু বি অৰ্ নট টু বি—এইটো আমাৰ বাদশ্বাহৰ বৰ ফেভাৰিট ছাবজেক্ট! মানুহক সঁচা আৰু মিছাৰ ফিউজন কৰি একো একোটা মস্ত মস্ত কনফিউজন উপহাৰ দি বাদশ্বাহে বৰ মজা পায়। যেনে ধৰক—তেলৰ দামে চেঞ্চুৰী কোবাই গ'ল। পাছত ১০ টকা কমাই দিয়াৰ ধামাকা দিয়া হ'ল। মানুহ কনফিউজড্ হৈ থাকি গ'ল—আচলতে তেলৰ দাম বাঢ়িল নে কমিল? কৰ'না আহিল, লকডাউন হ'ল! দুদিন পাছতে ভয়ানক ভয়ানক ভিৰ গোটাই বেংগল ইলেকছনৰ মিটিং কৰা হ'ল। মানুহ কনফিউজড্—আচলতে কৰ'না আহিছে নে নাই অহা? কাকো একো খবৰ নিদিয়াকৈ পাকিস্তানত বিৰিয়ানি খাবলৈ গ'ল আৰু উভতি আহি ছাৰ্জিকেল ষ্ট্ৰাইক কৰিলে! মানুহ কনফিউজড্—পাকিস্তান শত্ৰু নে মিত্ৰ?



বহু টকা খৰচ কৰি পেটেলৰ সবাতোকৈ ওখ মূৰ্তি বনালে। মানুহ কনফিউজড্—এই মূৰ্তিটোৱে পেটেল ডাঙৰ হ'ল নে নেহৰু সৰু হ'ল?

টিভিত ৰাছিয়াৰ যুদ্ধ চাই চাই বাদশ্বাহ নিজেই কনফিউজড্ হ'ল। ৰাজপাটত বহিয়ে বাদশ্বাহে দেছ-বিদেছলৈ গ'ল। বিদেছৰ লিডাৰবোৰৰ লগত হাত মিলালে, গল মিলালে, হাউদী মোদী কৰিলে, শান্তিৰ শ্ল'গান আওৰালে, বিশ্বশান্তিৰ কথা ক'লে, বিশ্বশান্তিৰ পানী ছটিয়াই নিজকে বিশ্বগুৰু বুলি প্ৰতিষ্ঠা কৰিলে। ভাবিছিল—এনেকৈয়ে বিশ্বগুৰু হ'ব পৰা যায়। কিন্তু যুদ্ধ কৰাৰ পাছত পুটিনক আমেৰিকাৰ পৰা জাৰ্মানীলৈকে আটাইবোৰ দেছে যেনেকৈহে ভয় ভয় ভাৱেৰে চাই আছে, সেয়া দেখি এনে ভাৱ হৈছে যেন আচল বিশ্বগুৰু পুটিনহে। বাদশ্বাহৰ কনফিউজন—শান্তিৰ পানী ছটিয়াই বিশ্বগুৰু হ'ব পাৰি নে যুদ্ধ কৰি বিশ্বগুৰু হ'ব পাৰি?

বাদশ্বাহে কিন্তু এইবাৰ আমাৰ পাব্লিকক কোনো কনফিউজনত ৰাখিব বিচৰা নাই। সভাসদসকলক মাতি আনি বাদশ্বাহে কৈছে—'লাভ নাই বুজিছা, একো লাভ নাই!'

ঃ কি লাভ নাই জাহাপনা?
ঃ এইবোৰ শান্তি-চান্তিৰ কথা কৈ একো লাভ নাই।
ঃ কি হ'ল জাহাপনা?
ঃ পুটিনক দেখা নাই?
ঃ দেখিছো জাহাপনা।
ঃ কিমান গ্লেমাৰ পুটিনৰ!
ঃ হয় জাহাপনা!
ঃ এই গ্লেমাৰ কিহৰ কাৰণে?
ঃ যুদ্ধ কৰা কাৰণে।
ঃ যুদ্ধত কি কৰিছে?
ঃ বোমা মাৰিছে!
ঃ আৰু?
ঃ মিছাইল মাৰিছে!
ঃ গতিকে মই ঠিক কৰিছো----
ঃ কি ঠিক কৰিছে জাহাপনা?
ঃ ময়ো বোমা মাৰিম, ময়ো মিছাইল মাৰিম।
ঃ ক'ত মাৰিব জাহাপনা? পাকিস্তানত নেকি?
ঃ নহয়।
ঃ চাইনাত নেকি?
ঃ নহয়।
ঃ তেন্তে?
ঃ বোমাকেইটা মাৰিম বজাৰত! মূল্যবৃদ্ধিৰ বোমা! বজাৰত জুই জ্বলি যাব।
ঃ আৰু মিছাইলকেইটা?
ঃ চিধাই ৰাইজৰ পকেটত মাৰিম। কেৱল ভোটটো পাৰ হ'বলৈ দিয়া!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*



# নিহত সেনাৰ দেহ নিশ্চিহ্ন কৰিছে ৰাছিয়াই!

## ■ 'চলন্ত শ্মশান'ৰ ফটোৱে ক্ষোভৰ সৃষ্টি কৰিছে স্বদেশত ■ শাৰীৰিক অত্যাচাৰ-প্ৰতাৰণাৰে কয়েদীৰ দৰে ইউক্ৰেইনত যুদ্ধলৈ নিয়াৰ অভিযোগ

**নিউজ ব্যুৰ'**
**মস্কো, ২৭ ফেব্ৰুৱাৰী ঃ** বাহিৰৰ পৰা দেখাত সেনাবাহিনীৰ সাধাৰণ ট্ৰাকৰ দৰেই লাগে, কিন্তু সেই বাহনৰ ভিতৰতে লুকুৱাই ৰখা হৈছে চিমনী। ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধত নিহত ৰুছ সেনাসকলৰ মৃতদেহ হেনো সেই চিমনীত ভৰাই 'অন্তৰ্ধান' কৰিছে ভ্লাডিমিৰ পুটিনৰ বাহিনীয়ে। এই 'চলন্ত শ্মশান'ক কেন্দ্ৰ কৰিয়ে সম্প্ৰতি খোদ ৰাছিয়াতে ক্ষোভৰ সৃষ্টি হৈছে। অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত গাড়ী, টেংক আদিৰ লগতে বিশেষভাৱে নিৰ্মিত এই ধৰণৰ অসংখ্য ট্ৰাক লৈ ইউক্ৰেইনত প্ৰৱেশ কৰিছে ৰুছ বাহিনীয়ে। সম্প্ৰতি এই দাবী কৰিছে ব্ৰিটেইন, আমেৰিকাসহ একাধিক দেশৰ সংবাদ মাধ্যমে।

পশ্চিমীয়া সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি, ২০১৩ত প্ৰথমবাৰলৈ সামাজিক মাধ্যমত এই 'চলন্ত শ্মশান'ৰ ফটো প্ৰচাৰিত হৈছিল। সম্প্ৰতি ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে সেই ফটোসমূহ পুনৰ সামাজিক মাধ্যমত দেখা গৈছে। একাংশ যুদ্ধ বিশেষজ্ঞই অভিযোগ কৰিছে যে নিহত ৰুছ সেনাৰ দেহ সেই জ্বলন্ত চিমনীত ভৰাই হতাহতৰ সংখ্যা কমোৱাৰ চেষ্টা কৰিছে পুটিন চৰকাৰে। উল্লেখ্য যে ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰাৰ পাছৰে পৰা বহিঃবিশ্বৰ লগতে ৰাছিয়াতো সমালোচনাৰ ঢৌ উঠিছে। ৰাষ্ট্ৰপতি পুটিনৰ বিৰুদ্ধে তেওঁৰ দেশৰে বহু নাগৰিকে বিক্ষোভ প্ৰদৰ্শন কৰিছে। এইবাৰ 'চলন্ত শ্মশান'ৰ ফটোক লৈ সামাজিক মাধ্যমত তোলপাৰ লগাৰ লগে লগে সৰৱ হৈ পৰিছে বহু ৰুছ সেনাৰ মাতৃসকল। ৰুছ সেনাৰ মাতৃসকলক লৈ গঠিত এক কমিটীয়ে দাবী কৰিছে যে তেওঁলোকৰ পুত্ৰসকলক প্ৰতাৰণাৰে ইউক্ৰেইনলৈ নিয়া হৈছে। কোৱা হৈছিল যে তেওঁলোকক অনুশীলনৰ বাবে ইউক্ৰেইনৰ সীমান্তলৈ নিয়া হৈছে। অথচ তালৈ যোৱাৰ পাছত পোনেই তেওঁলোকক ৰক্তক্ষয়ী যুদ্ধক্ষেত্ৰত নমাই দিয়া হৈছে।

১৯৮৯ত গঠিত সেই কমিটীৰ উপাধ্যক্ষ আন্দ্ৰেই কুৰ'চকিনে এই সন্দৰ্ভত কয়, 'সমগ্ৰ ৰাছিয়াৰ পৰা আমি অসংখ্য মাতৃৰ ফোন পাইছো। তেওঁলোকে কান্দিছে। তেওঁলোকৰ পুত্ৰ জীয়াই আছে নে নাই, সেয়া তেওঁলোকে নাজানে।' কুৰ'চকিনে লগতে দাবী কৰে যে ইউক্ৰেইনলৈ নিয়াৰ পাছত বহু ৰুছ সেনাৰ ম'বাইল ফোনো কাঢ়ি লোৱা হৈছে। আনকি যুদ্ধক্ষেত্ৰত নামি যুদ্ধ কৰাৰ চুক্তিত সন্মত নহ'লে সেই সেনাৰ ওপৰত শাৰীৰিক অত্যাচাৰো চলোৱা হৈছে। কুৰ'চকিনে কয়, 'যুদ্ধ হ'লে তালৈ পেছাদাৰীসকলকে পঠোৱা উচিত। এই ধৰণৰ সদ্য সেনাত যোগ দিয়া তৰুণসকলক নহয়।' তেওঁ লগতে দাবী কৰে যে ৰাছিয়াৰ অনেক সেনাক কয়েদীৰ দৰে ইউক্ৰেইনলৈ লৈ যোৱা হৈছে। ইয়াৰ ফলত বিপৰ্যয়েই নামি আহিব বুলিও তেওঁ কয়।

ইপিনে, 'চলন্ত শ্মশান'ৰ ফটো সদৰী হোৱাৰ পাছতে পুটিন চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈছে ব্ৰিটেইন। দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী বেন ৱালছে কয়, 'মই যদি ৰাছিয়াৰ সৈনিক হ'লোহেঁতেন আৰু জানিলোহেঁতেন যে সেনানায়কসকলৰ আমাৰ ওপৰত কোনো আস্থাই নাই, সেইবাবেই যুদ্ধক্ষেত্ৰলৈ লগত চলন্ত শ্মশানো প্ৰেৰণ কৰা হৈছে তেতিয়া নিশ্চিতভাৱে চিন্তিত হ'লোহেঁতেন। সেই সেনাৰ পিতৃ-মাতৃ হোৱা হ'লেও চিন্তা হ'লহেঁতেন। কাৰণ যুদ্ধক্ষেত্ৰলৈ চলন্ত শ্মশান প্ৰেৰণৰ অৰ্থই হৈছে যুদ্ধত ক্ষয়ক্ষতিৰ বিষয়টো গাপ দিয়াৰ চেষ্টা।' উল্লেখ্য যে এই অভিযোগত ৰুছ সেনাৰ মাতৃসকলেৰে গঠিত কমিটীয়ে আইনী পদক্ষেপৰ কথাও চিন্তা কৰিছে। তেওঁলোকে ৰাছিয়াৰ চীফ মিলিটেৰী প্ৰচিকিউটৰক লিখিত অভিযোগ দিয়াৰ চিন্তা কৰিছে।

# ৰুক্ষ মঙলত ফুল ফুলালে নাছাৰ ৰোভাৰে!



**নিউজ ব্যুৰ'**
**নিউ য়ৰ্ক, ২৭ ফেব্ৰুৱাৰী ঃ** যোৱা সপ্তাহত মঙলৰ বুকুত বহু দূৰৰ পৰা এখন ফটো সংগ্ৰহ কৰে নাছাৰ কিউৰিচিটী ৰোভাৰৰ কেমেৰাই। ফটোত দেখা হৈছে এপাহ বিয়াগোম ফুলৰ দৰে এক বস্তু। সেই বস্তুটো কোনো জৈৱ পদাৰ্থ হয় নে নহয়, সেই বিষয়চ বিজ্ঞানীসকলৰ সংশয় এতিয়া দূৰ হোৱা নাই। অৱশ্যে নাছাৰ ৰোভাৰে বহু দূৰৰ পৰা তোলা সেই ফটো বিশ্লেষণ কৰি বিজ্ঞানীসকলে দাবী কৰিছে যে মঙলত থকা যিকোনো খনিজ পদাৰ্থই ৰঙা গ্ৰহৰ বুকুত ফুলৰ চেহেৰা ধাৰণ কৰিব পাৰে। সেয়া কোনো এক নিৰ্দিষ্ট খনিজ পদাৰ্থৰ উপৰি সেই ধৰণৰ একাধিক পদাৰ্থৰ মিশ্ৰণতো হ'ব পাৰে। যি আকাৰত ত্ৰিমাত্ৰিক স্ফটিকৰ দৰে। বিজ্ঞানৰ পৰিভাষাত যাক কোৱা হয়, 'ডায়াজেনেটিক ক্ৰিষ্টেল ক্লাষ্টাৰ'।

একাংশ বিজ্ঞানীয়ে ধাৰণা কৰিছে যে মঙলত কে'বা কোটি বছৰৰ পূৰ্বে পানীৰ অস্তিত্ব আছিল। আছিল ডাঙৰ ডাঙৰ নদী-খাল আদি। আনকি জলপ্ৰপাতো আছিল। সেই পানীৰ মাজতে থকা পদাৰ্থবোৰে হয়তো তললৈ ডুবি গৈ এনে কিছু খনিজ পদাৰ্থত পৰিণত হৈছিল। এই ফুলো তেনে কিছু খনিজ পদাৰ্থৰে মিশ্ৰণ হ'ব পাৰে। কিউৰিছিটী ৰোভাৰৰ উপ-প্ৰকল্প বিজ্ঞানী এবিগেল ফ্ৰেমেনে টুইটত লিখিছে, 'এই ফুল একপ্ৰকাৰৰ লৱণৰ দ্বাৰাও সৃষ্টি হ'ব পাৰে, যাক ছালফেট বুলি কোৱা হয়। পৃথিৱীতো এই ছালফেট জাতীয় লৱণ প্ৰচুৰ পৰিমাণে আছে।' আন একাংশ বিজ্ঞানীয়ে ধাৰণা কৰিছে যে এই লৱণসমূহ হয়তো কোনো পাথৰৰ গাত বা খাজত আবদ্ধ হৈ আছিল। কোটি কোটি বছৰত সেই পাথৰ ক্ষয় গৈ বিলীন হৈ পৰিছে, কিন্তু এই লৱণৰ কোনো ক্ষয় নহয় বাবেই সেইবোৰ বৰ্তি আছে। মঙলৰ ৰুক্ষ বুকুত সদ্য আৱিষ্কৃত এই পদাৰ্থটোৰ নাম ৰখা হৈছে 'ব্লেকথৰ্ণ ছল্ট'। নাছাৰ ৰোভাৰৰ ভিতৰত থকা 'মাৰ্ছ হেণ্ড লেন্স ইমেজাৰ' (মাহ্লি) যন্ত্ৰতে ধৰা পৰিছে এই ফুলৰ ফটো।

# যুদ্ধৰ ভয়াৱহতাৰ মাজতে ভূমিষ্ঠ হ'ল 'স্বাধীনতা'



## ■ ইউক্ৰেইনত বাংকাৰৰ ভিতৰত জন্ম হোৱা দেৱশিশু চৰ্চাত

**নিউজ ব্যুৰ'**
**কিয়েভ, ২৭ ফেব্ৰুৱাৰী ঃ** বাহিৰত ঘনে ঘনে বিস্ফোৰণ। আকাশত প্ৰৱল শব্দ কৰি পাক খাইছে যুদ্ধবিমানে। কুণ্ডলী পকোৱা ধোঁৱাই ছানি ধৰিছে কিয়েভক। বাৰুদৰ গোন্ধই ভৰাই তুলিছে ইউক্ৰেইনৰ ৰাজধানী চহৰখনৰ বতাহ। এনে পৰিস্থিতিত বোমা আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ হেজাৰ হেজাৰ ইউক্ৰেনিয়ানে আশ্ৰয় লৈছে মেট্ৰ' ৰেল ষ্টেচন আৰু শীতল যুদ্ধৰ সময়ত নিৰ্মাণ কৰা বাংকাৰত। এই ধৰণৰ বাংকাৰত ভীত-সন্ত্ৰষ্ট মুখৰ আৰ্তনাদৰ মাজতে জন্ম হ'ল 'স্বাধীনতা' বা 'ফ্ৰীডম'ৰ। আচলতে এই স্বাধীনতা হৈছে এটি নৱজাত শিশুকন্যা। মাতৃৰ আঙুলিত খামোচ মাৰি ধৰি নিশ্চিন্তে শুই আছে শিশুটি। ইউক্ৰেইনৰ বৈদেশিক মন্ত্ৰণালয়ৰ টুইটাৰ হেণ্ডলৰ পৰা প্ৰকাশ কৰা হৈছে এই ফটোখন। ইয়াৰ বিৱৰণীত লিখা হৈছে, 'আমি যিমানদূৰ জানো, এই প্ৰথম কোনো শিশুৰ জন্ম হ'ল কিয়েভৰ বাংকাৰত। কাষতে জ্বলি আছে বহুমহলীয়া অট্টালিকা। ৰাস্তাত থিয় হৈ আছে ৰুছ টেংক। আমি তেওঁক 'ফ্ৰীডম' বুলিয়েই মাতিম।' ইপিনে, 'ডেইলী মেইল' নামৰ সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি মিয়া নামৰ সেই শিশুকন্যাক জন্ম দিয়ে ২৩ বছৰীয়া এক যুৱতীয়ে। প্ৰসৱৰ সময়ত তেওঁক সাহায্য কৰিছিল কিয়েভৰ আৰক্ষী কৰ্মীয়ে। সম্প্ৰতি মাতৃ-কন্যা সুস্থ অৱস্থাত থকা বুলিয়ে সূত্ৰই জনাইছে।

# এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে তামুলপুৰত ৰাইজৰ হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** স্বাধীনতাৰ ৭৪ বছৰ পাছতো উন্নয়ন আৰু পৰিৱৰ্তনৰ মুখ নেদেখা নৱ গঠিত তামুলপুৰ জিলাৰ ভাৰত-ভুটান সীমান্তৰ অতি ভিতৰুৱা এক অঞ্চল স্বৰ্গপুৰ। এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে এতিয়া হাহাকাৰ অৱস্থা অঞ্চলটোৰ ৰাইজৰ। যি সময়ত চৰকাৰে ঘৰ ঘৰ নল ঘৰ ঘৰ জল শ্ল'গানেৰে জল জীৱন মিছন আঁচনিৰ দৰে বিভিন্ন অভিলাষী আঁচনি গ্ৰহণ কৰিছে তেনেস্থলত তামুলপুৰ জিলাৰ ভুটান সীমান্তৰ বৃহত্তৰ অঞ্চলটোৰ ৰাইজে বছৰ বছৰ ধৰি এটুপি বিশুদ্ধ খোৱাপানীৰ অভাৱত পাহাৰৰ পৰা বৈ অহা নদী, ডোং আদিৰ পানী খায়েই জীৱন নিৰ্বাহ কৰিব লগা হৈছে। বাৰিষা কালত বৰষুণৰ পানী সংৰক্ষণ কৰি, ভুটানৰ পৰা বৈ অহা নদীৰ ঘোলা পানী সংগ্ৰহ কৰি জীৱন নিৰ্বাহ কৰে অঞ্চলটোৰ ৰাইজে। আজিলৈ অঞ্চলটোত ঢুকি পোৱা নাই কোনো ধৰণৰ চৰকাৰী আঁচনি কিম্বা অন্য কোনো চৰকাৰী সুবিধা। সীমান্তৱৰ্তী স্বৰ্গপুৰ, মঞ্জুৰ গাঁৱকে ধৰি বৃহত্তৰ অঞ্চলটোত জনস্বাস্থ্য কাৰিকৰী বিভাগে আজিলৈকে দমকল, কুঁৱা বা কোনোধৰণৰ পানী যোগান আঁচনি স্থাপন নকৰাত অঞ্চলটোৰ শতাধিক পৰিয়ালে এক-দুই কিলোমিটাৰ দূৰলৈ খোজ কাঢ়ি গৈ ভুটান পাদদেশৰ পৰা বৈ অহা মটঙা, আৰু বাল্টি নৈৰ অপৰিষ্কাৰ পানী সংগ্ৰহ কৰিয়েই তৃষ্ণা নিবাৰণ কৰাৰ লগতে ৰন্ধন কাৰ্য, গা ধোৱা, কাপোৰ ধোৱা, বাচন ধোৱা, পোহনীয়া জীৱ-জন্তুকো খুৱাব লগাত পৰিছে সেই পানী। আনহাতে, খৰালি কালত নদীৰ বুকুত পানী শুকাই গ'লে অঞ্চলটোত খোৱাপানীৰ অভাৱত সৃষ্টি হয় অবৰ্ণনীয় পৰিস্থিত। বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত অঞ্চলবাসীয়ে এই বৰবিহ সদৃশ পানী খোৱাৰ ফলত বহু সময়ত বহু অচিন ৰোগতো আক্ৰান্ত হৈছে অঞ্চলটোৰ ৰাইজ। অঞ্চলটোৰ কেঁবাজনো বয়োজ্যেষ্ঠ লোকে 'দৈনিক অগ্ৰদূত'ৰ আগত নিজৰ ক্ষোভ ব্যক্ত কৰি কয়, ১৯৬৪ৰ পৰাই তেওঁলোকে বিগত প্ৰতিটো নিৰ্বাচনতে ভোটদান কৰি জনপ্ৰতিনিধি নিৰ্বাচন কৰি আহিছে। নিৰ্বাচনৰ সময়ত ভোট বিচাৰি আহি কেৱল ৰাইজক বাট-পথৰ সমস্যা, খোৱাপানীৰ সমস্যা সমাধান কৰাৰ প্ৰতিশ্ৰুতি দি যায়; কিন্তু নিৰ্বাচন গ'লেই সকলো ফুটুকাৰ ফেনত পৰিণত হয়। নিৰ্বাচনৰ সময়তহে জনপ্ৰতিনিধিৰ মুখ দেখা অঞ্চলটোৰ ৰাইজৰ দুখ-দুৰ্দশাৰ খবৰ ল'বলৈ কাৰো আহৰি নাথাকে। ভোট বিচাৰি যোৱা জনপ্ৰতিনিধিয়ে দিয়া প্ৰতিশ্ৰুতিসমূহো এতিয়া এক সাঁথৰত পৰিণত হৈছে গাঁওবাসীৰ বাবে। স্থানীয় ৰাইজৰ চৰকাৰ তথা জনপ্ৰতিনিধিৰ ওচৰত প্ৰশ্ন—গ্ৰামাঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে বিভিন্ন উন্নয়নমূলক আঁচনি থকা সত্ত্বেও কিয় তেওঁলোকে আজিলৈকে লাভ কৰা নাই তেনে ধৰণৰ আঁচনিৰ সুবিধা? ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা বিটিআৰ প্ৰধান প্ৰমোদ বড়োলৈ স্থানীয় ৰাইজৰ কাতৰ আহ্বান অচিৰেই আমাক বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰি দিয়ক, আমাকো জীয়াই থাকিবলৈ দিয়ক।



# অস্থায়ী বজাৰ গৃহত চলিছে বেকাজান আৰক্ষীৰ চকী

**বিশেষ সংবাদদাতা**
**নগাবাট, ২৭ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী ৰাইজৰ নিৰাপত্তাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অমনোযোগিতাৰ প্ৰতিফলিত হৈছে বেকাজান আৰক্ষী চকীত। জিলাখনৰ নগালেণ্ড সীমান্তৱৰ্তী এটা অতি স্পৰ্শকাতৰ অঞ্চল এই বেকাজানৰ একমাত্ৰ আৰক্ষী চকীটোৰ বৰ্তমান বিধ্বস্ত অৱস্থাই চৰম নিৰাপত্তাহীনতাত ভোগাইছে স্থানীয় ৰাইজক। উল্লেখ্য যে বাৰিষাৰ কৃত্ৰিম বানে বিধ্বস্ত কৰি পেলোৱাত বেকাজান আৰক্ষী চকীৰ মূল গৃহটো এৰি বিগত দুবছৰে আৰক্ষীসকলে অস্থায়ীভাৱে বজাৰৰ এটা ভগ্নপ্ৰায় গৃহত দৈনিক কাৰ্য সম্পাদন কৰিবলগীয়া হৈছে। উল্লেখ্য যে যি অঞ্চলত অসম আৰু নগালেণ্ডৰ সীমা সমস্যাক কেন্দ্ৰ কৰি প্ৰায়েই সংঘাতৰ সৃষ্টি হয় আৰু সীমামূৰীয়া অঞ্চলৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি চোৰ, অপৰাধীয়ে এই অঞ্চলসমূহত গোপন ঘাটি স্থাপনেৰে অবৈধ ব্যৱসায় সম্প্ৰসাৰণ কৰে তেনে এটা বৃহৎ স্পৰ্শকাতৰ অঞ্চলৰ নিৰাপত্তাৰ দায়িত্ব পালন কৰা বেকাজান আৰক্ষী চকীৰ এই বিধ্বস্ত ৰূপটোৱে সীমান্তৱৰ্তী ৰাইজৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ৰাজ্যত স্মাৰ্ট আৰক্ষীৰ আন্তঃগাঁথনি গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে বাজেটত বছৰি শ শ কোটি টকা আৱন্টন কৰিলেও তেনে আঁচনিয়ে যে প্ৰকৃততে সীমান্ত অঞ্চলত থকা আৰক্ষী চকীসমূহক স্পৰ্শ কৰিব পৰা নাই ইয়াৰ জ্বলন্ত উদাহৰণ নগালেণ্ড সীমান্তৱৰ্তী এই বেকাজান আৰক্ষী চকী। ১৯৬৯ত তদানীন্তন চৰকাৰে সীমান্তৰ ৰাইজৰ নিৰাপত্তাৰ বাবে স্থাপন কৰা বেকাজান আৰক্ষী চকীটোৰ আধুনিকীকৰণ আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে আজিকোপতি কিন্তু কোনো এখন চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান নকৰিলে। ফলত অতি স্পৰ্শকাতৰ আৰক্ষী চকীটো জৰাজীৰ্ণ হৈ এতিয়া সাপ- এন্দুৰৰ বাসস্থানলৈ পৰ্যবসিত হৈছে। বিগত দুবছৰ একেৰাহে বেকাজান নদীৰ বালি আৰু পলসে আৰক্ষী চকীটো পুতি পেলোৱাৰ পাছতে আৰক্ষীসকল উপায়হীন হৈ এনেদৰে বজাৰ গৃহত আশ্ৰয় ল'ব লগা হৈছিল। মাত্ৰ দুটা কোঠাত সকলো কাম-কাজ চলি থকা আৰক্ষী চকীটোত আচামীক ৰাখিবলৈ নাই কোনো লকআপৰ ব্যৱস্থা। চকীটোত শৌচাগাৰ-প্ৰস্ৰাৱগাৰ আৰু খোৱা পানী যোগানৰ ক্ষেত্ৰত কোনো সু-ব্যৱস্থা নাই। যাৰ বাবে আৰক্ষীসকলে বৰ্তমান টেংকাৰৰ পৰা পানী সংগ্ৰহ কৰি নিজৰ কাপোৰ কানি ধুব লগীয়া হৈছে।। অপৰাধীৰ টিঘিলঘিলনি আৰু নগা বিদ্ৰোহী এনএছচিএনৰ সঘন বিচৰণ ভূমি নগালেণ্ড সীমান্তত দায়িত্ব পালন কৰা এইসকল আৰক্ষীৰ দুৰ্দশা জানিবলৈ এতিয়া গৃহ বিভাগ আৰু আৰক্ষীৰ শীৰ্ষতম বিষয়াৰ তিলমানো আহৰি নথকাটো অতি দুৰ্ভাগ্যজনক বুলি স্থানীয় সচেতন ৰাইজে ক্ষোভ ব্যক্ত কৰিছে। সম্প্ৰতি ৰাজ্য চৰকাৰৰ এনে অমনোযোগিতাই নিষ্ঠাৰে দায়িত্ব পালন কৰা আৰক্ষীসকলকো হতাশ কৰিছে। এটি পৰিত্যক্ত গৃহৰ দুটা কোঠাত কৰ্তব্য সম্পাদন, খোৱা-ৰোৱা কৰা, নিশা শোৱা আদিবোৰত একপ্ৰকাৰ যমৰ যাতনা ভুগিব লগা হৈছে আৰক্ষীসকলে। উল্লেখ্য যে বেকাজান আৰক্ষী চকীৰ কাষেৰেই বৈ গৈছে বেকাজান নামৰ নদীখন। এই বেকাজান নদীখন বিজ্ঞানসন্মতখনন আৰু মথাউৰি নিৰ্মাণ নকৰাৰ বাবেই বছৰি বেকাজান আৰক্ষী চকীত বাঢ়নি পানীয়ে প্লাবিত কৰে। উল্লেখ্য যে বেকাজানবাসী ৰাইজে বিগত সময়ছোৱাত যোৰহাট জিলা প্ৰশাসন আৰু চৰকাৰক বহুবাৰ আবেদন-নিবেদন কৰাৰ পাছতো চৰকাৰ তথা প্ৰশাসনে এইক্ষেত্ৰত একোৱেই পদক্ষেপ গ্ৰহণ নকৰিলে। ৰাইজে যোৰহাট জিলাৰ আৰক্ষী অধীক্ষকক বেকাজান আৰক্ষী চকীৰ এই সমস্যাটো শীঘ্ৰে সমাধানৰ ব্যৱস্থা কৰিবলৈ আহবান জনাইছে।



# ভাৰতত ভাঙি পৰিব পাৰে মহাকাশ গৱেষণা কেন্দ্ৰ

## ৰুছ-ইউক্ৰেইন যুদ্ধত সৃষ্ট পৰিস্থিতিৰ ফল ভুগিব ভাৰতবাসীয়ে!



**নিউজ ব্যুৰ'**
**মস্কো, ২৭ ফেব্ৰুৱাৰী ঃ** আমেৰিকা আৰু ৰাছিয়াৰ মাজত সু-সম্পৰ্ক অটুট ৰখাৰ স্বাৰ্থতে আন্তৰ্জাতিক মহাকাশ গৱেষণা কেন্দ্ৰ (আইএছএছ)ৰ সূচনা হৈছিল। এতিয়া ইউক্ৰেইন আক্ৰমণ কৰাৰ পাছতে ৰাছিয়াৰ ওপৰত একাধিক নিষেধাজ্ঞা আৰোপ কৰিছে আমেৰিকাই। এই নিষেধাজ্ঞাৰ ফলতে যিকোনো সময়তে পৃথিৱীত আছাৰ খাই পৰিবহি পাৰে আইএছএছ। আমেৰিকাৰ নিষেধাজ্ঞাৰ পাছতে এই দাবী ৰুছ মহাকাশ গৱেষণা সংস্থা 'ৰছকছমছ'ৰ। তেওঁলোকে লগতে স্পষ্ট কৰি দিছে যে এই ধৰণৰ ভয়ানক ঘটনা সংঘটিত হ'লে তাৰ দায়িত্ব ৰাছিয়াই বহন নকৰিব। গৱেষণা সংস্থাটোৱে ইংগিত দিয়া অনুসৰি, এই ঘটনাৰ পৰা বিপুল ক্ষতিৰ সন্মুখীন হ'ব পাৰে ভাৰত বা চীন।

'ৰছকছমছ'ৰ সঞ্চালক প্ৰধান ডিমিত্ৰি ৰগ'জিনে সম্প্ৰতি আমেৰিকাক উদ্দেশ্য কৰি কৰা টুইটত লিখিছে, 'আইএছএছত আমাৰ সহযোগিতা সম্পূৰ্ণৰূপে বন্ধ কৰি দিব বিচাৰে নেকি?' ৰুছ ভাষাত কৰা ৰগ'জিনৰ সেই টুইট অনুবাদ কৰি ৰি-টুইটত এখন মহাকাশ বিজ্ঞান পত্ৰিকাৰসম্পাদক এৰিক বাৰ্গাৰে। ইয়াৰ পাছতে ৰগ'জিনে পুনৰ টুইটত লিখিলে, 'আমাৰ স'তে সহযোগিতা বন্ধ কৰি দিলে আইএছএছ যদি আমেৰিকা বা ইউৰোপৰ ওপৰত আছাৰ খাই পৰে? তেতিয়া কি হ'ব? পাঁচশ টন ওজনৰ কেন্দ্ৰটোতো ভাৰত বা চীনৰ ওপৰতো ভাঙি পৰিব পাৰে! আপোনালোকে তেতিয়া দায়িত্ব ল'বতো?'

উল্লেখ্য যে ভূ-পৃষ্ঠৰ পৰা প্ৰায় চাৰিশ কিলোমিটাৰ ওপৰত সেই মহাকাশ গৱেষণা কেন্দ্ৰটোৱে দিনে ১৫-১৬ বাৰ পৃথিৱীক প্ৰদক্ষিণ কৰে। অথচ ইয়াৰ কক্ষপথ কেতিয়াও ৰাছিয়াৰ ওপৰেদি নাযায়। সেই প্ৰসংগও উত্থাপন কৰি ৰগ'জিনে লিখিছে, 'বিপদত কিন্তু আপোনালোকেই পৰিব।' ইউৰোপীয় মহাকাশ গৱেষণা কেন্দ্ৰৰ সূত্ৰই জনোৱা মতে, আইএছএছৰ দিকনিৰ্ণয়, যাত্ৰাপথ আৰু কক্ষপথ নিয়ন্ত্ৰণৰ বহুখিনিয়েই আছে ৰাছিয়াৰ দায়িত্বত। সেয়ে কেন্দ্ৰটোক কক্ষপথত ধৰি ৰখাত ৰাছিয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। আইএছএছত সম্প্ৰতি আমেৰিকাৰ চাৰিজন আৰু জাৰ্মানীৰ এজনৰ লগতে ৰাছিয়াৰ দুজন মহাকাশচাৰী আছে।

ইপিনে, আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাই অৱশ্যে জনাইছে যে আমেৰিকাই ৰাছিয়াৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাসমূহৰ আওতাত মহাকাশ সহযোগিতাৰ ক্ষেত্ৰসমূহ নপৰে। সেয়ে আইএছএছৰ দুৰ্ঘটনা ঘটাৰ কোনো আশংকা নাই বুলি নাছাই দাবী কৰিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com